# মণিকাঞ্চন

জয় গুৰু শংকৰ

শ্ৰীমন্ত শংকৰদেৱ সংঘ

❒ Tech/RNP/GH-105/2012-14
❒ Regd. No. 63480/95

মাহেকীয়া বাৰ্তালোচনী

উনবিংশ বছৰ ঃ নৱম সংখ্যা, ৫৬৫ শঙ্কৰাব্দ, আগষ্ট, ২০১৪ চন, মূল্য ঃ ৫.০০ টকা, পঞ্জীয়ন নং ঃ ৬৩৪৮০/৯৫


**গুৰুবাণী**

মথুৰাৰ নাৰীৰ কিনো ভাগ্যোদয়
মিলিলেক মহাভাগ।
দেৱৰো দুৰ্ল্লভ যিটো প্ৰাণ-কৃষ্ণ
হাততে পাইলেক লাগ।।
ৰাজপথে চলি যান্ত গজগতি
লীলায়ে ৰাম মাধৱ।
সমস্ত নাৰীৰ মন নয়নৰ
বঢ়ায়া মহা উৎসৱ।।

— ভাগৱত

## উজীৰৰ টোল ৰঙাজানত
# কেন্দ্ৰীয় মাধৱ জয়ন্তী উদ্‌যাপন

**লখিমপুৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰথম শিষ্য বঢ়াৰ পো মাধৱদেৱৰ 526 সংখ্যক আবিৰ্ভাৱ মহোৎসৱ ভাগি যোৱা 14 জুন তাৰিখে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই কেন্দ্ৰীয়ভাৱে লক্ষিমপুৰ জিলা শাখাৰ আতিথ্যত দিনযোৱা। কাৰ্যসূচীৰে মহাপুৰুষ জনাৰ পৱিত্ৰ জন্মস্থান উজীৰৰ তোল ৰঙাজানত উদ্‌যাপন কৰে।




এই উদ্দেশ্যে পুৱা 9.00 বজাত পদাধিকাৰ বাপে শঙ্কৰদেৱ সঙ্ঘৰ পৱিত্ৰ ধৰ্মধ্বজা উত্তোলন কৰি এক সাৱলীল ভাষণ প্ৰদান কৰে। প্ৰায় শতাধিক (14 পৃষ্ঠাত চাওক)

## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় সম্পৰ্কত
# কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পূৰ্ণ সহায়-সহযোগিতাৰ আশ্বাস



**গুৱাহাটী ঃ** যোৱা ১৫ জুন, ২০১৪ তাৰিখে গুৱাহাটী বৰঝাৰস্থিত আন্তঃৰাষ্ট্ৰীয় গোপীনাথ বৰদলৈ বিমান বন্দৰত কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী মাননীয় সৰ্বানন্দ সোণোৱালদেৱক সাক্ষাৎ কৰি গামোচা, চেলেং আৰু অভিনন্দন পত্ৰৰে আদৰণি জনাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় সম্পৰ্কে এক বিশেষ আলোচনাত মিলিত হয় সঙ্ঘৰ প্ৰধান সম্পাদক বাবুল বৰাবাপ, যুটীয়া সম্পাদক কুশল ঠাকুৰীয়া (১৪ পৃষ্ঠাত চাওক)

# শঙ্কৰদেৱৰ দৰ্শনত পৰিৱেশ সজাগতা

ড০ পাৰুল চৌধুৰী

পৰিৱেশনো কি বা পৰিৱেশ কেনে হ'ব লাগে এনে ধৰণৰ ধ্যান ধাৰণা বা চিন্তা চৰ্চাই হৈছে পৰিৱেশ সজাগতা আৰু পৰিৱেশ বিষয়ক সজাগতা হৈছে নৈতিক দৰ্শনৰ অন্তৰ্গত প্ৰায়োগিক নৈতিক শিক্ষাৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয়। পৰিৱেশ বিষয়ক নৈতিক বিদ্যাই সাধাৰণতে পৰিৱেশ অৰ্থাৎ প্ৰকৃতি জগতখন পৰিৱেশ প্ৰদূষণ আৰু সম্বন্ধীয় কাৰণবোৰ ঘটনাবোৰ, প্ৰাকৃতিক সম্পদ আৰু তাৰ ব্যৱহাৰ তথা সংৰক্ষণ, প্ৰাকৃতিক ভাৰসম্যতা, জনসংখ্যা বৃদ্ধি-ভাৰসম্যতা, জনবিস্ফোৰণ, লিঙ্গ সম্বন্ধীয় ঘটনাৰাজি আৰু লগতে মানৱ প্ৰমূল্য আৰু মূল্যাঙ্কণৰ ওপৰতো আলোচনা কৰে। এই সকলো বিলাককে সামৰি লোৱা এনে অধ্যয়নক বিশেষকৈ ই'ক' চেণ্ট্ৰিক নৈতিক বিদ্যা বুলিব পাৰি যিহেতু এনেবিদ্যাৰ প্ৰধান অৰ্থাৎ মূল আলোচ্য বিষয় হৈছে জীৱন। গতিকে বৰ্ত্তমানৰ এই যান্ত্ৰিকতাৰ যুগত আমাৰ জীৱন আৰু জীৱন ৰক্ষাৰ বাবে এই পৰিৱেশ আৰু পৰিৱেশ সংৰক্ষক বিষয়ক নৈতিক শিক্ষাৰ প্ৰয়োজনীয়তা সকলোৰে বাবে উপলব্ধিৰ বস্তু যিটোত আজি ৫৬০ বছৰ আগতেই শঙ্কৰদেৱে এক উল্লেখনীয় অৱদান আগবঢ়াই এক (২ পৃষ্ঠাত চাওক)

# মাধৱদেৱৰ গুৰু বন্দনা

ড° সূৰ্য দাস

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰম্ভ কৰাৰ পিছত যিগৰাকী শিষ্যৰ সহায়ত ধৰ্ম প্ৰচাৰৰ গতিয়ে বিস্তৃতি আৰু গভীৰতা লাভ কৰিছিল, সেইজনেই হ'ল মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ। সেই সময়ৰ অসমত এই দুয়োজনা পুৰুষৰ একেটি উদ্দেশ্য সাধনৰ বাবে হোৱা সংযোগক মণি-কাঞ্চন সংযোগ বুলি কোৱা হয়। সুদীৰ্ঘ বৌদ্ধিক বিতৰ্কৰ অন্তত শক্তিবাদত একান্ত বিশ্বাসী মাধৱদেৱে শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। শঙ্কৰদেৱেও মাধৱদেৱৰ দৰে এজনা গুণী-জ্ঞানী পণ্ডিত ব্যক্তিক একান্ত অনুগামী হিচাপে পাই অতিশয় সুখী হৈছিল। দিন বাগৰৰ লগে লগে মাধৱদেৱে গুৰুজনাৰ বাবে হৈ পৰে বঢ়াৰ পো, মাধৱ বান্ধৱ আৰু অভিন্ন হৃদয়। গুৰুৰ নিৰ্দেশক্ৰমে মাধৱদেৱে ধৰ্ম প্ৰচাৰৰ গতিত শক্তি দিবলৈ গীত-মাতকে ধৰি কেইবাখনো গ্ৰন্থ আৰু নাট ৰচনা কৰে। শঙ্কৰদেৱে ৰচনা কৰা বেছিভাগ গীত চ'তমহীয়া বনপোৰা জুইত পুৰি নষ্ট হোৱাত গুৰুৰ আদেশক্ৰমে কিছু গীত ৰচনা কৰে। দুয়োজনাৰে এই গীতসমূহ পৰৱৰ্তীকালত ভক্তসকলে বৰগীতৰূপে, উচ্চ-মৰ্যাদা প্ৰদান কৰে। এগৰাকী সফল কবি, গীতিকাৰ আৰু নাট্যকাৰ (৬ পৃষ্ঠাত চাওক)

## কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ
# ৰাজ্যিক পৰ্যায়ৰ আলোচনা-চক্ৰৰ সফল সমাপ্তি

**যোৰহাট ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ সমিতিৰ সৌজন্যত যোৰহাট জিলা শাখাৰ আতিথ্যত যোৱা ৬ জুলাই তাৰিখে "শ্ৰীমন্ত শঙ্কৰদেৱ নৱবৈষ্ণৱ আন্দোলন আৰু অসমৰ নাৰী সমাজ" শীৰ্ষক এখনি মনোজ্ঞ আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। সভানেত্ৰী মামনি চলিহা আইয়ে সঞ্চালনা কৰা আলোচনা-চক্ৰভাগি উদ্বোধন কৰি প্ৰধান সম্পাদক বাবুল বৰাবাপে কয় যে সাম্প্ৰতিক সময়ত নাৰীসকলৰ যি সামাজিক নিৰ্যাতন তাৰ বিপৰীতে জনক ৰজাৰ ৰাজসভাত নাৰীসকলৰ যি আধ্যাত্মিক তৰ্ক আৰম্ভ হৈছিল তাৰ যোগেদি ভাৰতৰ নাৰীসকলৰ পৌৰাণিক সমাজত থকা স্থিতি কিমান উচ্চ আছিল সেই বিষয়ে বক্তব্য প্ৰদান কৰে। ভাৰতৰ আন ৰাজ্যতকৈ নৱবৈষ্ণৱ আন্দোলনৰ শঙ্কৰদেৱৰ নেতৃত্বত কিন্তু আই-মাতৃসকলক এক সুকীয়া স্থান (৬ পৃষ্ঠাত চাওক)

# ২০১৪-১৫ বৰ্ষ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়া

**গুৱাহাটী ঃ** অসমৰ প্ৰথমখন জাতীয় বিশ্ববিদ্যালয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰথম বৰ্ষৰ নামভৰ্তিৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১ জুলাইৰ পৰা প্ৰ-পত্ৰ বিতৰণ কৰা বিশ্ববিদ্যালয়ৰ নামভৰ্তিসমূহ অহা ২৫ৰ পৰা ৩১ জুলাইৰ ভিতৰত অনুষ্ঠিত হ'ব অহা ১ আগষ্টৰ পৰা বিশ্ববিদ্যালয়ৰ পাঠদান আৰম্ভ হ'ব। স্নাতকোত্তৰ শাখাত অসমীয়া বিভাগত ৬০খন, শিক্ষাতত্ত্ব বিভাগত ৪০খন, সমাজতত্ত্ব বিভাগত ৪০খন, PGDCA Modula ৪০খন আসনত নামভৰ্তি হ'ব। লগতে Computer application, Communication skill আৰু Shankardev Studiesৰ Add on certificate Courseৰ ব্যৱস্থা কৰা হৈছে।❒

# চতুৰ্থ স্থানপ্ৰাপক ভাৰ্গৱ কাকতিৰ সৈতে অন্তৰঙ্গ আলাপ

সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ



কাৰবি আংলং জিলা শাখাৰ ডিফুনগৰ প্ৰাথমিকৰ উপ-সভাপতি ধীৰেণ কাকতি আৰু তগৰ কাকতিৰ (৭ পৃষ্ঠাত চাওক)

# শঙ্কৰদেৱৰ দৰ্শনত

( ১ পৃষ্ঠাৰ পৰা )

গুৰুত্বপূৰ্ণ শিক্ষা সমাজলৈ দি থৈ গৈছে।

বৰ্ত্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যালয় যুগটোত আজি প্ৰায় 560 বছৰৰো আগতে শঙ্কৰদেৱে দি থৈ যোৱা নৈতিক শিক্ষাৰ প্ৰাসঙ্গিকতা সম্পৰ্কে বিভিন্নজনৰ মনত বিভিন্ন প্ৰশ্ন উঠাতো নিতান্তই স্বাভাবিক। কিন্তু আনহাতে আমি এইটোও জানো যে সকলো প্ৰাণীৰ ভিতৰতে মানুহ হৈছে শ্ৰেষ্ঠ জীৱ; তাৰোপৰি মানুহেই হৈছে আত্মিক জীৱও। কিয়নো মানুহৰ বাহ্যিক জগতখনৰ উপৰিও এক আন্তৰিক জগতৰো অস্তিত্ব আছে ; সেয়েহে মানৱ হৈছে চেতনব্যক্তি আৰু প্ৰতিজন চেতন ব্যক্তি হিচাপে মানৱৰ আছে গভীৰ জনজীৱনবোধ। শঙ্কৰদেৱৰ দৰ্শন হৈছে এক গভীৰ জীৱনবোধৰ দৰ্শন। মায়া তথা অবিদ্যা অজ্ঞানতাৰ কাৰণেহে পৰমাত্মাৰ অংশ বিশেষ জীৱই সংসাৰত দুখ-যাতনা ভোগ কৰিব লগা হয় বুলি শঙ্কৰদেৱৰ নৈতিক দৰ্শনে কোৱাৰ লগতে এই দুখ-যাতনাৰ পৰা নিষ্কৃতিৰো উপায় দিছে। জীৱনৰ তথা মানৱৰ আত্মিক উত্তৰণৰ এক সুনিৰ্দ্দিষ্ট পথ নিৰ্দ্দেশনাই হৈছে শঙ্কৰদেৱৰ নৈতিক দৰ্শন। তেওঁৰ মতে এই সংসাৰ চক্ৰৰ পৰা নিজকে মুক্ত কৰি শুদ্ধসত্য প্ৰাপ্তি অৰ্থাৎ পৰমাত্মাৰ সৈতে একাত্মহোৱাৰ সুযোগ আৰু পথ হৈছে একমাত্ৰ মানৱীজনম; যিহেতু মানৱীজনম সকলোতকৈ উত্তম জনম। আত্মাঅনুশাসন, আত্ম-সংশোধন আৰু হৰিনাম শ্ৰৱণ কীৰ্ত্তনৰ দ্বাৰা মানুহেই এই মানৱী জনমতে 'আত্মশুদ্ধি'ৰ লক্ষ্য ল'ব পাৰে। সেয়েহে শঙ্কৰদেৱে নিজৰ লগতে বৃহৎ মানৱ সমাজৰ কল্যাণ কামনাৰ দৰে মহৎ আৰু সৎ কৰ্মৰ পৰা সৎ কৰ্ম কৰি আত্মিক উত্তৰণৰ পথ নিৰ্দেশনা তেওঁৰ নৈতিক দৰ্শনত দেখুৱাই গৈছে।

ভাৰতীয় জীৱনাদৰ্শত মানুহৰ প্ৰমূল্যক স্থাপন আৰু নিৰূপণত শঙ্কৰদেৱৰ নৈতিকাদৰ্শই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কিয়নো সকলো মানুহৰ মাজত 'সৰ্ব ধৰ্ম সম ভাব' এই আদৰ্শক ৰূপায়িত কৰাৰ আদৰ্শৰে শঙ্কৰদেৱে গ্ৰহণ কৰা কৰ্মতত্ত্বই আমাক 'যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিবা' অৰ্থাৎ কোনো কামৰ ফলাফল আশা নকৰি আমি ভগৱানৰ নামত অৰ্পিব লাগে বুলি নীতি দৰ্শনে সকীয়াই থৈছে। শঙ্কৰদেৱৰ মতে নিষ্কাম কৰ্মই হৈছে ব্যক্তি আৰু সমাজৰ পুৰুষাৰ্থ লাভৰ উপায়। এইদৰে আত্মদৰ্শন, আত্মজ্ঞান, আত্মসংযম, বিবেক নিৰ্ভৰ, অনৈক্যৰ মাজত ঐক্য স্থাপন, জীৱনৰ মাজত সমতাৰে পৰমাত্মাৰ সতে একাত্ম অনুভৱ কৰিব পৰা আদিলৈ উত্তৰণ ঘটোৱাৰ পথ নিৰ্দেশনাৰে শঙ্কৰদেৱৰ নৈতিক দৰ্শনে ভাৰতীয় জীৱনাদৰ্শত মানুহৰ প্ৰমূল্য স্থাপনত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেয়েহে বৰ্তমানৰ পৰিবেশ সম্বন্ধীয় অতি জ্বলন্ত সমস্যাৰ সমাধানৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ নৈতিক আদৰ্শই যুগে যুগে প্ৰাসঙ্গিকতা বহন কৰি আহিছে।

শঙ্কৰদেৱৰ যুগৰ বহু বছৰ আগৰে পৰা ভাৰতীয় দৰ্শনত আমি দেখিবলৈ পাও যে বহু প্ৰাচীন কালৰে পৰা ঋষিমুনি সকলে উদ্ভিদ অৰ্থাৎ প্ৰকৃতিক বিভিন্ন ধৰ্ম শাস্ত্ৰৰ জৰিয়তে ধৰ্মৰ অঙ্গীভূত কৰাৰ জৰিয়তে প্ৰকৃতিৰ উপযুক্ত সংৰক্ষণ আৰু বিশুদ্ধতা অক্ষুন্ন ৰাখিবলৈ জীৱ শ্ৰেষ্ঠ মানুহক উৎসাহিত কৰি আহিছে। প্ৰাচীন কালত ভাৰতীয় পৰম্পৰাত বৃক্ষক মানুহৰ দৰে জীৱ বুলি গণ্য কৰা হয়। সেইদৰে কোনো কোনোৱে বৃক্ষক পুত্ৰ সম জ্ঞান কৰি বাৎসল্য প্ৰেমেৰে ৰোপণ, পৰিতোষণ আৰু সংৰক্ষণৰ বাবেও দিহা দি আহিছে। বিভিন্ন পুৰাণত বৃক্ষোৎসৱ তথা বৃক্ষ পূজা, বৃক্ষদান, বৃক্ষ সংৰক্ষণ আদি বিভিন্ন কাৰ্যৰ উল্লেখ আছে। গীতাত ভগৱান কৃষ্ণই সমস্ত বৃক্ষৰাজিতে অৰ্থাৎ সমগ্ৰ প্ৰকৃতি জগততে নিজৰ পৰিব্যাপ্তিৰ পৰিচয় দি থৈছে। বৰ্তমানৰ পৰিৱেশ আৰু পৰিৱেশ প্ৰদূষণ বিষয়ক সমস্যাৰ দৰে বহু কথাৰ উল্লেখ পোৱা যায় বেদ, উপনিষদ আদি পৌৰাণিক শাস্ত্ৰ সমূহতো। কাৰণ বৈদিক ঋষিমুনি সকলে প্ৰজ্ঞা, মন, প্ৰাণ আৰু আত্মিক শুদ্ধ তথা পবিত্ৰতাৰ ওপৰত গুৰুত্ব দিছিল। এইদৰে প্ৰাচীন ভাৰতত বুদ্ধিজীৱী সকলে, প্ৰাকৃতিক ভাৰসাম্য বিষয়ক আলোচনা আদি বিভিন্ন দাৰ্শনিক তত্ত্বৰ যোগেদি কৰি আহিছে। বৌদ্ধদৰ্শনে 'ধৰ্ম' শব্দটো প্ৰকৃতিৰ সমাৰ্থক বিচাপে ব্যৱহাৰ কৰিছে। ধৰ্ম শব্দটোৰ অৰ্থ ব্যাপক; তথাপি সকলোৱে মূলভেটি হৈছে বিশ্বৰ সকলো জীৱনৰ কল্যাণৰ বাবে কৰ্ত্তব্য সাধনতহে। কাৰণ বৌদ্ধ দৰ্শনৰ মূলমন্ত্ৰ অহিংসা কেৱল জীৱ জগতৰ বাবেই নহয়, উদ্ভিদ জগতলৈও বিস্তৃত। বৌদ্ধ ধৰ্মই বৃক্ষৰোপণ আৰু সংৰক্ষণৰ যোগেদি সমগ্ৰ প্ৰকৃতিৰ সুৰক্ষা আৰু কল্যাণকে সূচাইছে। আনহাতে জৈন দৰ্শনেও প্ৰকৃতিৰ প্ৰতি সহানুভূতিশীল লোককেহে জৈন দীক্ষা ল'ব পৰা প্ৰকৃত অৰ্থত জৈন হ'ব পাৰে বুলি কৈছে। এইদৰে সৃষ্টিৰ আদিৰে পৰা গছ-গছনিৰ সৈতে সমগ্ৰ মানৱ জাতি অৰ্থাৎ সমগ্ৰ জীৱকুলৰ অস্তিত্বই সাঙোৰ খাই আছে। 'অৰণ্যই জীৱন' এই ধাৰণাকে সাৰোগত কৰি মহা মানৱ জাতিটোৱে অতীতৰে পৰা অৰণ্য ধ্বংশ মানৱ জাতিৰ বাবে যে অত্যন্ত অমঙ্গলজনক তাকে গণ্য কৰি আহিছে।

ভাৰতীয় ঐতিহ্য তথা পৰম্পৰাৰ পূৰ্ণ প্ৰতিফলন তথা প্ৰভাৱ শঙ্কৰদেৱৰ নৈতিক আদৰ্শত যে পৰিছে সেই কথা অতি সহজে অনুমেয়। বৈদিক ঋষিমুনি সকলৰ দৰে শঙ্কৰদেৱৰ নৈতিক শিক্ষাতো চাৰিওবিধ পৰিৱেশৰ কথা উল্লেখ আছে নিৰ্দিষ্টভাৱে, আৰু যিহেতু এই চাৰিওটাৰে এটা মাত্ৰ উৎস হৈছে পৰম পুৰুষ বা পৰম ব্ৰহ্ম গতিকে এটা আনটোৰ পৰা সম্পূৰ্ণ পৃথকো নহয়। আত্মিক শুদ্ধতা নিৰ্ভৰ কৰে প্ৰাণৰ শুদ্ধতাত, প্ৰাণৰ শুদ্ধতা নিৰ্ভৰ কৰে মনত, মনৰ শুদ্ধতা নিৰ্ভৰ কৰে প্ৰজ্ঞাৰ শুদ্ধতাত। সকলোৱে পূৰ্ণশুদ্ধ পাব পাৰে পৰম সত্যৰ সৈতে একাত্মতাত, চৰম ৰসত নিমজ্জিত অৰ্থাৎ চৰম আনন্দ প্ৰাপ্তিত। এই চৰম আনন্দ বা ৰসৰ উৎসই হৈছে 'কৃষ্ণ'। ভাগৱতৰ অমোঘ বাণী 'কৃষ্ণস্তু ভগৱান স্বয়ম' অৰ্থাৎ কৃষ্ণই স্বয়ং ভাগৱান। এই কৃষ্ণ বা হৰি যে সকলোতে সমস্ত পৰিৱেশতে বিদ্যমান বিৰাজমান শঙ্কৰদেৱে সুন্দৰ ভাৱে উল্লেখ কৰিছে কীৰ্ত্তন ঘোষাত।

'সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।'
(কীৰ্ত্তন ঘোষা,)

সমস্ত জীৱজগত 'কৃষ্ণ' অৰ্থাৎ পৰম ব্ৰহ্মাৰ অংশ। যেতিয়াই সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডকে ভগৱানৰ অংশ হিচাপে সমগ্ৰ জীৱকে পৰমাত্মাৰ অংশ অৰ্থাৎ পৰমসত্বাকে সকলোৱে আত্মা হিচাপে জ্ঞান কৰা হয়, তেতিয়াই তাত দেশ, কাল, পাত্ৰ আদিৰ কোনো ভেদাভেদ বা পাৰ্থক্য নাথাকে, সকলো এক হিচাপেই মূৰ্ত্তমান হৈ উঠে। আৰু তেনেদৰেই ইয়াতেই প্ৰতিভাত হৈ পৰে গোলকীকৰণৰ ধাৰণা। কাৰণ আজিৰ যুগৰ উল্লেখযোগ্য চৰ্চিত বিষয় বিশ্বায়ণৰ ধাৰণা আমি শঙ্কৰদেৱৰ দৰ্শনত পৰিস্ফুট ভাৱে পাওঁ; যিহেতু তেওঁ সকলো জীৱতে মানুহৰ লগতে আন জীৱজন্তু আৰু উদ্ভিদ আদিতো একাত্মতা অনুভৱ কৰিছিল। তেওঁ কৈছিল—

'যত জীৱন জঙ্গম কীট পতঙ্গম
অগনগ জগতেৰি কায়া।।'
(শঙ্কৰদেৱ ৰচিত 'বৰগীত')

শঙ্কৰদেৱৰ দৰ্শনত সমগ্ৰ জগত সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড এক। প্ৰকৃতিৰ সৈতে একাত্ম অনুভৱৰ দ্বাৰা প্ৰকৃতি সম্বন্ধে জ্ঞান আহৰণ আৰু ইয়াৰ পৰিৱেশ সম্বন্ধে মানুহৰ মাজত সজাগতা বৃদ্ধিৰ বাবে শঙ্কৰদেৱৰ নৈতিক দৰ্শনে যথেষ্ট শিক্ষা দি গৈছে।

এই শিক্ষা প্ৰকৃতি ধ্বংস বিৰোধী আৰু প্ৰকৃতি সংৰক্ষক বিষয়ক বিশ্বায়ণৰ শিক্ষা। এই শিক্ষাই মাটি, পানী, বায়ু, অগ্নি, ইথাৰ এই পঞ্চভূতৰ প্ৰতি সকলো মানুহ দয়াশীল হোৱাটোত গুৰুত্ব দিছে। শঙ্কৰদেৱৰ মতে প্ৰকৃতি আৰু পৰিৱেশৰ লগত থকা সম্বন্ধ বন্ধুভাবাপন্ন আৰু মানুহৰ ভূমিকা এই ক্ষেত্ৰত সংৰক্ষক, ৰক্ষা কৰোতা, প্ৰকৃতি তত্ত্বাৱধায়ক হোৱা উচিত। ইয়াৰ বাবে প্ৰত্যেকজন মানুহে প্ৰকৃতিৰ সৈতে প্ৰেম, ভালপোৱা, দয়া, কৰুণা, শ্ৰদ্ধা আৰু কৃতজ্ঞতাপূৰ্ণ ব্যৱহাৰ কৰিব লাগিব। শঙ্কৰদেৱে সেয়েহে লিখিছে—

"ইটো বৃন্দাবনে আছে যত তৰুগণ।
দেখা দেখা কেনে মহাসাধুৰ লক্ষণ।।
কৰে পৰ উপকাৰ কিনো কৃপাময়।
পৰৱেশে অৰ্থে জীৱে ইটো বৃক্ষচয়।।
থাকে সহি বহি মহা ৰৌদ্ৰ বৃষ্টি বাত।
আমি সুখে বঞ্চো ৰহি ইহাৰ ছায়াত।।

উদ্ভিদ জগতখন পৰোপকাৰী। মানুহৰ কল্যাণৰ অৰ্থেই যেন প্ৰকৃতি জগত। সন্তজনৰ ওচৰত যিদৰে কিবা বিচাৰিলে বিমুখ হ'ব নালাগে সেইদৰে মানুহেও বৃক্ষৰ ওচৰত যি বিচাৰে তাকে পায়। একোজোপা গছৰ বাকলি, শিপা, পাত, ফুল, ফল, সকলোবোৰেই মানুহৰ উপকাৰত আহে। জীৱৰ উপকাৰত লগা বাবেই যেন উদ্ভিদৰ জীৱন সাৰ্থক।

"জীৱনৰ সাফল দেহীৰ এহিমানে।
জীৱে পৰ উপকাৰ কৰি অৰ্থে প্ৰাণে"

প্ৰকৃতিৰ সতে মানুহৰ সম্পৰ্ক অতি নিবিড়। শঙ্কৰদেৱে প্ৰকৃতিৰ বুকুত থকা সাগৰ, নদ-নদী, হাবি-অৰণ্য, পশু-পক্ষী, জীৱ-জন্তু আৰু পাহাৰ পৰ্বতৰ প্ৰচুৰ শক্তি, সম্ভাৱনা আৰু অতুলনীয় ৰূপ অপৰূপৰ মাজৰ পৰাই সাহিত্য শিল্পৰ বিষয় বাচি লৈছিল আৰু এইবোৰৰ মাজেদি তেওঁ কৃষ্ণ মাহাত্ম্য প্ৰকাশ কৰিছে। প্ৰকৃতিক অতি ক্ষুদ্ৰাতিক্ষুদ্ৰ বস্তুৰ বা পদাৰ্থৰ মাজতো তেওঁ কৃষ্ণৰ মহত্ব আৰু গুৰুত্ব বিচাৰি পাইছে, যাৰ বাবে মানুহ সদায় প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল আৰু কৃতজ্ঞ হোৱা উচিত বুলি উনুকিয়াইছে।

একশৰণ নাম ধৰ্মৰ প্ৰৱৰ্ত্তক যুগনায়ক শঙ্কৰদেৱৰ নিজৰ জীৱন প্ৰকৃতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। প্ৰকৃতিৰ ৰম্যভূমিতে তেওঁ জীৱনৰ দীঘলীয়া সময় অতিবাহিত কৰিছিল। অসমৰ বিভিন্ন নদ-নদী, হাবি-জঙঘল পৰিভ্ৰমি গছ-গছনি, নদ-নদী আদিৰে পৰিপূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজতে তেওঁ সত্ৰসমূহ স্থাপন কৰিছিল যাতে চুকে, কোনে দূৰ দুৰণিত থকা সকলো হোজা তথা সহজ সৰল মানুহখিনিক একত্ৰিত কৰিব পাৰে আৰু এক সুস্থ আৰু শান্ত পৰিবেশত ধৰ্মালোচনা আৰু ভগৱানক আৰাধানা কৰিব পাৰে, কোনো ধৰণৰ আমনি যাতে পোৱা নাযায়।

প্ৰকৃতিৰ প্ৰতি সহৃদয়তা, বন্ধু ভাবাপন্নতা, কৃতজ্ঞতাৰ প্ৰকাশ আদি বিভিন্ন বৰ্ণনা আমি শঙ্কৰদেৱৰ সাহিত্যত পাওঁ। তেওঁৰ ৰচনাত মাটিৰ মানুহ হোজামানুহখিনিৰ সৈতে থকা নিবিড়তাবোৰ মূৰ্ত হৈ উঠিছে। প্ৰকৃতি কেতিয়াবা নিষ্ঠুৰ, কেতিয়াবা আশ্চৰ্যকৰ আৰু কেতিয়াবা শান্ত সমাহিত। শঙ্কৰদেৱৰ মতে, প্ৰকৃতিৰ যিটো নিয়ম শৃঙ্খলাবদ্ধতাত চলে যিটোক প্ৰকৃতিৰ 'একৰূপতা বিধি' বুলি কোৱা হয়, মানুহেও এনে নিয়মৰ আধাৰত ধৰ্ম নিৰ্দেশিত পথেৰে শৃঙ্খলাবদ্ধ জীৱন যাপন কৰিব লাগে। প্ৰকৃতিৰ দৰে নিৰ্দিষ্ট নিয়মৰ মাজেৰে সামাজিক জীৱন ধৰি ৰাখিবলৈ কৃষ্ণ সাধনাই এক মাত্ৰ পথ বুলি শঙ্কৰদেৱে বিশ্বাস কৰিছিল। গতিকে এক শৃঙ্খলিত আৰু নিয়মানুবৰ্ত্তিতাত অবিৰতভাৱে বৰ্তি থকা প্ৰকৃতিৰ পৰা মানুহে শিকিব লগীয়া, জানিব লগীয়া, অনুসৰণ কৰিবলগীয়া বহুত আছে।

শঙ্কৰদেৱৰ 'আদিদশম'ৰ, 'শৰৎ বৰ্ণনা' আৰু 'বৰ্ষা বৰ্ণনা'ত প্ৰকৃতিৰ এক চিৰন্তন ৰূপ ফুটি উঠিছে। শৰৎ ঋতুৰ আগমনত আকাশ নিৰ্মল হয়, পানী স্বচ্ছ হয়, মলয়া সুৰভি শীতল হয়, পখীৰ কাকলিৰে সৰোবৰৰ পাৰত পুষ্পবন মুখৰিত হয়, আকাশত তৰাৰ তিৰবিৰণি, পদুমৰ ৰূপশোভা, পথাৰত সোণোৱালী শস্যৰ সমৃদ্ধি আদিৰ বৰ্ণনাৰে শঙ্কৰদেৱে মানুহৰ বাবে প্ৰকৃতিৰ এই অকৃপণ দানৰ কথাকে উল্লেখ কৰিছে। সেইদৰে 'বৰ্ষাবৰ্ণন'তো বাৰিষাৰ ধাৰাসাৰ বৰষুণ, বতাহৰ তুমুল আন্দোলন, মেঘৰ গাজনি, বিজুলীৰ চিকমিকনি আদিৰ উদ্দাম প্ৰকৃতিৰ বৰ্ষাৰ বৰ্ণনাত শঙ্কৰদেৱে পৰম শক্তিৰ পৰম অস্তিত্বৰ কথাই প্ৰকাশ কৰিছে। যেনে—

"পঞ্চবৰ্ণে ৰচিত নিৰ্গুণ ইন্দ্ৰধনু।
গুণৱন্ত মেঘত প্ৰকাশে পুনু পুনু।।
যেনে তিনি গুণময় জগত যতেক।
নিৰ্গুণ পুৰুষ তাত প্ৰকাশে প্ৰত্যেক।।
চন্দ্ৰজ্যোতি প্ৰকাশিত যিটো মেঘগণ।
নজ্বলন্ত চন্দ্ৰো সেহি মেঘে হুয়া ছন্ন।।
যেন যিটো চৈতন্যে প্ৰকাশে অহঙ্কাৰ।
সেহি অহঙ্কাৰে ঢাকে জ্যোতি জীৱাত্মাৰ।।

যিদৰে সগুণ মেঘৰ সজলতাত অৱয়বহীন ৰামধেনু প্ৰতিভাত হয়, সেইদৰে নিৰ্গুণ পৰম ঈশ্বৰ ত্ৰিগুণাত্মক প্ৰকৃতিৰ মাজেদি প্ৰকাশিত হয়। মেঘৰ আঁৰত থাকি মেঘ চপৰাক উদ্ভাসিত কৰা চন্দ্ৰক কোনেও লক্ষ্য নকৰে মেঘ চপৰাকহে লক্ষ্য কৰে সেইদৰেই যি চৈতন্যই জীৱনৰ অহঙ্কাৰ প্ৰকাশ কৰে, সেই অহঙ্কাৰে জীৱাত্মাৰ জ্যোতি ঢাকি ধৰে। অৰ্থাৎ জীৱ যে স্বৰূপাৰ্থত চৈতন্য স্বৰূপ পৰমাত্মা তাকে উপলব্ধি জীৱই নকৰে

(১৪ পৃষ্ঠাত চাওক)

# ঘোষাতে সমস্ত মোৰ বল বুদ্ধি যত

**চন্দ্ৰ নাথ শইকীয়া**

সাহিত্যিক পেঞ্চনাৰ

অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ চাৰি শাস্ত্ৰৰ ভিতৰত মহাপুৰুষ মাধৱদেৱৰ নাম-ঘোষা তেখেতৰ মূৰ্তি-স্বৰূপ। এই কথা মহাপুৰুষ মাধৱদেৱে ভকতসকলৰ আগত নিজেও কৈ গৈছে। মহাপুৰুষ শঙ্কৰদেৱে কামৰূপ ৰাজ্য ত্যাগ কৰি বেহাৰ ৰাজ্যলৈ (কোচবিহাৰ) যাবৰ সময়ত মাধৱদেৱক প্ৰবোধ দি কৈছিল।

শুনিও মাধৱ মোৰ থাকিবৰ থান।
দশম কীৰ্ত্তন মোৰ মূৰ্ত্তিৰ সমান।।
ঘোষা নামে এক শাস্ত্ৰ তুমিও লিখিবা।
ঘোষা ৰত্নাৱলী মাজে তুমিও থাকিবা।।

মহাপুৰুষ মাধৱদেৱ বেহাৰত থকা কালত ভকতসকলে গৈ তেখেতক সুধিছিল যে তেখেতৰ পিছত ভকতসকলে কাৰ ওচৰত ভক্তিকথা সুধি জীৱতাৰণৰ উপদেশ পাব। তেতিয়া মহাপুৰুষ মাধৱদেৱে নিমাতে থাকি তিনিদিনৰ মূৰত উত্তৰ দিছিল,

দেখা ঘোষা পুথিখনি আমাৰ আছয়।
সবে কহি আছে যিবা কহিবে লাগয়।।
তাহাৰ অৰ্থকে যিবাজন বুজিবেক।
সেহিজনে জানা লাগ আমাক পাইবেক।।
ঘোষাতে সমস্ত মোৰ বল বুদ্ধি যত।
যাৰা ভাগ্য আছে তাতে ৰজিব সমস্ত।।

' কথা-গুৰু চৰিত'ত উল্লেখ আছে যে মথুৰাদাস বুঢ়া আতা আদি ভকত সকলে তেখেতৰ পৰা উপদেশ বিচৰাত তেখেতে ক'লে, "........ মই গুৰুসেৱাকৈ যি পালোঁ, তাকে ঘোষাত থৈছোঁ, অনেক শাস্ত্ৰ বিচাৰি যি ৰসতত্ত্ব পালোঁ, তাকো ঘোষাতে থৈছোঁ, আৰু পৰমাত্মা ইষ্ট হৃদিত থাকি যি বুদ্ধি দিলে তাকো মই ঘোষাতে থৈছোঁ। এতেকে পদাৰ্থে, ভাৱাৰ্থে, তত্বাৰ্থে, নিজাৰ্থে, গুঢ়াৰ্থে, পৰমাৰ্থে, অন্তজোৰাসৈতে, সমস্ত কৃপাত পাব, আমাক সম্পূৰ্ণ দেখিব।" বৈষ্ণৱভকত সকলে মনে বিচৰা সকলো কথাৰ সিদ্ধান্ত ঘোষাৰ মাজত সোমাই আছে। ল'ৰাৰ পৰা বুঢ়ালৈকে যিয়ে যি বিচাৰে ঘোষাত সকলোখিনি পাব পৰাকৈ মহাপুৰুষ মাধৱদেৱে নাম-ঘোষা সৃষ্টি কৰি গৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ উপদেশ মৰ্মেই তেখেতে এনে মহান গ্ৰন্থ ৰচনা কৰি অমৰ কীৰ্তি ৰাখি গৈছে। মহাপুৰুষ শঙ্কৰদেৱে তেখেতক পৰামৰ্শ দিছিল, "...... আৰু এখানি ঘোষা নামে প্ৰেম ভক্তি গ্ৰন্থ কৰিবা, আমাৰ পাছত যেন ৰৌ বৰালিৰে পৰা দৰিকাৰ ই যেন দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা," এনে উপদেশ আগত ৰাখিয়েই যেন তেখেতে এই ভক্তিৰসৰ মহান গ্ৰন্থখনি ৰচনা কৰিলে।

'ঘোষা'ক ' নাম-ঘোষা' বুলি কোৱা হয়। নাম-ঘোষাত এহেজাৰ ফাঁকি (কোনো কোনোৰ মতে এহেজাৰ এফাঁকি) ঘোষা থকাৰ কাৰণে ইয়াক "হেজাৰী ঘোষা" বুলিও কোৱা হয়। গাম্ভীৰ্যতা, সুৰৰ লহৰ, শব্দৰ ঝংকাৰ আৰু আবেগৰ আকুলতাই সকলোকে আকৰ্ষণ কৰি আহিছে। নাম-ঘোষাই অসমীয়া জাতীয় জীৱনক এক কৰি বান্ধি ৰাখিছে। ইয়াৰ সুৰৰ আবেদন অতি হৃদয়স্পৰ্শী। একেখণ্ড ঘোষাকে দুই বা তাতোধিক সুৰত গাব পৰাটো ইয়াৰ বিশেষ বৈশিষ্ট্য, অসমীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ বালক-বালিকাৰ পৰা বৃদ্ধ-বৃদ্ধালৈকে এনে এজন লোক নাই যাৰ কণ্ঠৰে ঘোষা এফাকি নিগৰি নহাকৈ আছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সভাই-সমিতিয়েও নাম-ঘোষাৰে সামূহিক প্ৰাৰ্থনা কৰা হয়। বৈষ্ণৱ সম্প্ৰদায়ৰ সেৱাই-সকামে, তিথিয়ে-পাৰ্বণে নাম-ঘোষাৰ এফাঁকি নহয় এফাঁকি ঘোষা অপৰিহাৰ্য হৈ আহিছে। নাম-ঘোষাৰ পৰাই "প্ৰসঙ্গ" কৰা হয়। নাম-ঘোষাই আমাৰ জীৱনটো, আবৃত কৰি ৰাখিছে। এনে এটি দিন পাৰ হৈ যোৱা নাই যিটো দিন নাম-ঘোষা বিহীন হৈছে। মহাপুৰুষগৰাকীয়ে যথাৰ্থতে প্ৰকাশ কৰিছে—

সেহিসে দিনক ভাই    দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্ন নোহয় দুৰ্দ্দিন।
হৰি কথা অমৃতৰ    সম্যক আলাপ ৰস
যিটো দিন হোৱয় বিহীন।।

নাম-ঘোষাৰ চাৰিশমান ঘোষা বিভিন্ন সংস্কৃত গ্ৰন্থৰ শ্লোকৰ অনুবাদ। মহাপুৰুষ গৰাকীয়ে সংস্কৃত শ্লোকৰ ভাৱাৰ্থৰ জুমুঠিটো লৈ, তাত মাটিৰ লেপন দি, বিভিন্ন ৰঙৰ ৰহণ সানি, তাক নিজৰ ৰংতুলিকাৰে প্ৰাণৱন্ত কৰি তুলিছে। এনে কৰোঁতে হয়তো কেতিয়াবা এৰাব নোৱাৰা অৱস্থাত সংস্কৃতীয়া শব্দ ব্যৱহাৰ কৰিব লগীয়া হৈছে।

নাম-ঘোষাক এখন মহান কাব্য বুলি ক'ব পাৰি। মহাপুৰুষগৰাকীৰ হৃদয় ভক্তি আবেগত উথলি উঠি আপোনা-আপুনি পাৰ ভাঙি ওলাই আহি শব্দ ব্ৰহ্ম ৰূপে মূৰ্তিমান হৈ 'নাম-ঘোষা' ৰূপে লৈছেহি— এই বিষয়বস্তু। এই গ্ৰন্থৰ কবিতা তথা ঘোষা সমূহ তাত্বিক অৰ্থ প্ৰকাশক বিষয়বস্তু অনুসৰি 37 টা শিৰোনাম বিশিষ্ট ভজন, নমস্কাৰ, নিন্দা, শৰণ, প্ৰাৰ্থনা, মহিমা, উপদেশ, প্ৰশংসা, হৰবাৰ, অনুধিতা, বস্তুপ্ৰকাশ, পৰমাৰ্থ সাৰ আদি ছেদত ভাগ কৰিছে। একশৰণ নাম-ধৰ্মৰ মহত্ব, ভক্তিৰ শক্তি, ভগৱান কৃষ্ণৰ মাহাত্ম্য গুৰু মাহাত্ম্য আৰু ভকতিৰ মাহাত্ম্য, প্ৰকাশ কৰি ভকতৰ হৃদয় ভক্তিৰসেৰে আলোকিত কৰাই ঘোষা সমূহৰ মূল লক্ষ্য।

শঙ্কৰী ধৰ্মৰ সাধানৰ প্ৰথম স্তৰত শৰণ, তাৰ পিছতহে ভজনৰ স্তৰলৈ গতি কৰে, কিন্তু মহাপুৰুষ গৰাকীয়ে নাম-ঘোষাৰ প্ৰথমতে ছবি ছন্দেৰে 'ভজন' আৰম্ভ কৰিছে —

মুক্তিতো নিস্পৃহ যিটো    সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি    নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।

এই ঘোষাফাঁকি বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তিৰত্নাৱলীৰ কান্তিমালাৰ সংস্কৃত শ্লোকৰপৰা অনা বুলি জনা যায়। গুৰুজনাই 'মুক্তিতো নিস্পৃহ' ভকতজনক (মহাপুৰুষ শঙ্কৰদেৱ) প্ৰথমে নমস্কাৰ কৰি তাৰ পিছতহে দেৱ যদুপতি কৃষ্ণক ভজনা কৰিছে। এইয়া শৰণৰ ক্ৰমৰ ইঙ্গিত যেন ধাৰণা হয়, যিজন ভকতে (গুৰু মহাপুৰুষ শঙ্কৰদেৱ) পাৰ্থিৱ সুখ-সম্ভোগলৈ পিঠি দি মানৱ তথা বিশ্ব মঙ্গলাৰ্থে আত্মোসৰ্গা কৰিছে তেনে ভকতৰ প্ৰতিহে তেখেতে প্ৰথমে নমস্কাৰ জনাইছে, ইয়াৰ যোগেদি তেখেতে প্ৰথমে মানৱসেৱাৰ নিদৰ্শনকে দাঙি ধৰিছে।

মাধৱদেৱে ৰসময়ী ভকতিহে বিচাৰিছে। ৰস দুবিধ— লৌকিক ৰস আৰু অলৌকিক ৰস। জ্ঞানেন্দ্ৰিয়ই আস্বাদন কৰা ৰস লৌকিক ৰস আৰু মনেন্দ্ৰিয় তথা মনে আস্বাদন কৰা ৰস অলৌকিক ৰস। ভক্তি মনৰ বস্তু, মনে আস্বাদন কৰা ৰস ভক্তি, যাৰ প্ৰতি যি আসক্তি থাকে সিয়েই প্ৰেম, সিয়েই ভক্তি। এই ভক্তি ৰসময়ী তথা প্ৰেমৰসময়ী। মহাপুৰুষ মাধৱদেৱৰ তেখেতৰ গুৰুৰ প্ৰতি থকা আসক্তি বা প্ৰেম আৰু কৃষ্ণত থকা প্ৰেমেই ৰসময়ী ভকতি। নাম-ঘোষা এই ৰসময়ী ভকতিৰে আৰম্ভ কৰি একেবাৰে শেষত "এহু ৰস মাধৱ মূৰুখমতি গাৱে" বুলি ৰসতে সামৰণি মাৰিছে। " প্ৰেম অমৃতৰ নদী" স্বৰূপে হৰিনামৰ ভক্তিৰসৰ নদীখন গ্ৰন্থ খনিৰ আদিৰ পৰা অন্তলৈকে বৈ আছে। সেইবাবে আমাৰ বৈষ্ণৱভক্ত সকলৰ কাৰণে নাম-ঘোষা কণ্ঠলগ্ন মণিৰদৰে জীৱনৰ অপৰিহাৰ্য সম্পদ। ডা$^{0}$ বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে, " নাম-ঘোষাত প্ৰধানতঃ তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰৱাহমান হৈছে। পুণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য" এই তিনি ভাৱৰ মিলন ঘটিছে। এই তিনি ভাৱৰ মিলনৰ ফলত সৃষ্টি হোৱা " প্ৰেম অমৃতৰ নদী"ৰ ভক্তিৰস নিৰবচ্ছিন্নভাৱে আছে।

একাশী বিধ ভক্তিৰ ভিতৰত শ্ৰৱণ, কীৰ্ত্তন, অৰ্চন, বন্দন, স্মৰণ, দাস্য, সখীত্ব, পদসেৱন আৰু আত্মনিবেদন — এইনৱবিধ ভক্তিয়ে নাম-ঘোষাত ভূমুকি মাৰিলেও মাধৱদেৱে দাস্য ভক্তিকে প্ৰধান আশ্ৰয় হিচাপে সাৰটি লৈছে। মহাপুৰুষ শঙ্কৰদেৱৰ গুণ আৰু মহিমা বৰ্ণনাৰে শঙ্কৰ স্মৃতি প্ৰকাশ, কৃষ্ণভক্তি মাহাত্ম্য প্ৰকাশৰ যোগেদি জনগণক ঈশ্বৰমুখী কৰি সুন্দৰ সমাজগঢ়াৰ মানসিকতা, নিজকে দীন-হীন, মূৰুখ, অজ্ঞানী, পামৰ, পাপী, দাস, দাসৰো দাস আদি শব্দেৰে আত্ম লঘিমা কৰা আদি কৰ্মৰ বৰ্ণনাৰে নাম-ঘোষাক সৰ্বজনৰ মৰ্মস্পৰ্শী আৰু আদৰণীয় কৰি তুলিছে। ইয়াৰ উপৰি মাজে মাজে "মনাই ভাইক" উপদেশ দিয়াৰ চলেৰে পৰোক্ষভাৱে লোকসমাজক ভক্তিৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। শাস্ত্ৰখনিৰ কিছুমান ঘোষাৰ আবেদন জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে পালনীয় আৰু গ্ৰহণীয়।

আপুনি আপোন শত্ৰু    আপুনি আপোন বন্ধু
আপুনি আপোনাক ৰাখে মাৰে।
হৰিক নভজি নৰে    আপুনি হোৱয় নষ্ট
হৰি ভজি আপোনাক তাৰে।

এনে শাশ্বত বাণী পৃথিৱীৰ প্ৰায় সকল মনীষীয়েই ঘোষণা কৰি গৈছে। আকৌ —

অধমে কেৱলে দোষ    লৱয় মধ্যমে গুণ
দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ    লৱয় উত্তমোত্তমে
অল্প গুণ কৰিয়া বিচাৰ।।

জহৰীয়েহে জহৰৰ মোল বুজাৰ দৰে গুণীলোকেহে গুণীৰ মোল বুজে। এই তাত্বিক অৰ্থপূৰ্ণ ঘোষাসমূহে নাম-ঘোষাক অতি উচ্চ স্তৰলৈ উত্তীৰ্ণ কৰিছে।

নাম-ঘোষাত ঈশ্বৰ কৃষ্ণৰ গুণ-গান চৰ্চা কৰিলেও বাহ্যিক ঈশ্বৰৰ ৰূপো অস্বীকাৰ কৰা যেন অনুমান হয়। ঈশ্বৰৰ ৰূপ বৰ্ণনা কৰিলেও কোনো কোনো ঘোষাত ঈশ্বৰ আকৃতি বৰ্জিত সৰ্বব্যাপ্ত বুলিহে উল্লেখ কৰিছে। ঈশ্বৰ বুলি বাহিৰত কোনো নিৰ্দ্দিষ্ট এটা বিন্দু নাই বুলি ক'বলৈয়ো কুণ্ঠাবোধ কৰা নাই।

অব্যক্ত ঈশ্বৰ হৰি    কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জন।
এতাৱন্ত মূৰ্ত্তিশূন্য    কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।।

ঈশ্বৰ হৃদয়তে আছে বুলি তেখেতে উল্লেখ কৰিছে—

আত্মা ঈশ্বৰক লাগ    প্ৰত্যক্ষে সততে পাই
নাপাই জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ    কৃষ্ণক পাৱয় যেন
কণ্ঠলগ্ন বস্তুক সাক্ষাত।।

অবিদ্যা তথা পুৰুষৰ মায়া বন্ধন দূৰ হৈ জ্ঞানৰ জ্যোতিৰে হৃদয় আলোকিত হ'লেই হৃদয়তে ঈশ্বৰক দেখা পাব। শৰীৰৰ ভিতৰত থকা অদৃশ্যমান আত্মা ঈশ্বৰেই সকলোবোৰ ক্ৰিয়াৰ কাৰণ স্বৰূপ। এই আত্মাক উপলব্ধি কৰিব পাৰিলেই দেহাদি সু-পৰিচালিত হৈ ব্যক্তি আৰু সমাজৰ মঙ্গল সাধন হ'ব। ঘোষাৰ এনে অন্তৰ্নিহিত তাত্বিক অৰ্থৰ সমাহাৰে ঘোষাক ন ন ৰূপ দি জীৱন্ত কৰি ৰাখিছে। দেখাত সৰল হ'লেও ইয়াৰ অন্তনিহিত অৰ্থ কঠিন। মহাপুৰুষ শঙ্কৰদেৱেও ঘোষাশাস্ত্ৰ খনি বগৰীৰ (বাহিৰটো কোমল আৰু ভিতৰটো কঠিন) গুণ বিশিষ্ট কৰি লিখিবলৈ পৰামৰ্শ দি গৈছিল।

নাম-ঘোষাত আদিৰ পৰা অন্তলৈকে বৈ থকা ভক্তিৰসে বিভিন্ন অলঙ্কাৰ পৰিধান কৰি গ্ৰন্থখনি সোণত সুৱগা চৰাইছে, শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰে নাম-ঘোষাক মনোৰম কৰি তুলিছে। ইয়াত পদ, ছবি, দুলড়ী, লেছাৰী, আদি বিবিধ ছন্দৰ সমাবেশ ঘটিছে। মায়া-শয্যা, কাল-সৰ্প, আশা-নদী, ভৱকূপ, ভৱসিন্ধু, ভৱ-সাগৰ, চিন্তামণি তণু, কাল-মায়া-বাসু, মনবৈৰী, পদ-পঙ্কজ, ভকতি আনন্দ-ৰস, অৰুণ-চৰণ, অৰুণ-লোচন, তণু-নাৱ, নামধন আদি বিবিধ উপমাৰ সঘন প্ৰয়োগ মাধৱদেৱৰ কবিত্ব গুণৰ মহত্ব প্ৰকাশ কৰিছে। শব্দ বিন্যাস আৰু অনুপ্ৰাসে ঘোষাসমূহ শ্ৰুতিমধুৰ কৰি তুলিছে। উদাহৰণ স্বৰূপে, "কালমৃত্যু দুয়ো তৰ তৰিয়া কাম্পয়", যাৰ ধ্বনি শুনি কাম্পে কলি কাল যম" যাদৱ যদুনন্দন, মাধৱ মধুসুদন" আদি ঘোষাৰ শব্দবিন্যাসলৈ লক্ষ্য কৰিয়েই নাম-ঘোষাৰ শব্দৰ সুন্দৰ প্ৰয়োগৰ উমান ধৰিব পাৰি। গ্ৰন্থৰ শেষৰ "খেদ" (কোনো কোনো পুথিত উপদেশ) ঘোষাখণ্ডত মুঠ আঠশাৰী পদ আছে। মন কৰিবলগীয়া যে প্ৰথমশাৰী ঘোষাৰ প্ৰতিটো শব্দৰ আদ্যাক্ষৰ "ভ" বৰ্ণেৰে আৰম্ভ হৈছে, — " এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তি ভাৱে।" আৰু প্ৰতিশাৰী ঘোষাৰ পদ "ৱে" (ৱ+এ) বৰ্ণদ্বয়েৰে শেষ হৈছে। মহাপুৰুষ গৰাকীয়ে এইয়া তেখেতৰ মহৎ প্ৰতিভাৰ চানেকি এৰি থৈ তেখেতৰ পাণ্ডিত্য আৰু কবিত্ব প্ৰকাশ কৰিছে। ড0 মহেশ্ব নেওগদেৱৰ মতে, "ভক্তিতত্ব নিৰূপক গ্ৰন্থ হিচাপে নাম-ঘোষা অনুপম গ্ৰন্থ, অৱতাৰবাদ, প্ৰসাদ (পুষ্টি বা পোষণ) বা অনুগ্ৰহবাদ, মায়া তৰণৰ উপায় স্বৰূপে সকলো ধৰ্মৰ ভিতৰত, জ্ঞান-কৰ্মৰ ওপৰতো ভক্তি অহৈতুকিতা বা অনিমিত্ততা, ভক্তিৰ শ্ৰৱণ, কীৰ্ত্তনৰ প্ৰধানতা সৎসদা মাহাত্ম্য, দাস্য জড়ৰূপী অন্যদেৱসেৱা নিবাৰণ পূৰ্বক চৈতন্য স্বৰূপ একদেৱ আৰু এক নামৰ বিশ্বাসেৰে একশৰণবাদ মহাপুৰুষীয়া ধৰ্মৰ (অসমৰ ভক্তি সম্প্ৰদায়) এই মূল সূত্ৰবোৰ নাম-ঘোষাৰ নানা ঠাইত নানা ভাৱে ব্যাখ্যা কৰা হৈছে।"

নাম-ঘোষাৰ অপাৰৰ মহিমা। ই জীৱনৰ প্ৰতিমুহূৰ্তত প্ৰেৰণাৰ উৎস হিচাপে ক্ৰিয়া কৰি আহিছে। মানসিক প্ৰশান্তিৰ কাৰণে নাম-ঘোষাই অমূল্য বৰঙণি যোগাই আহিছে। জানিবপৰা গৈছে (এই লেখকে পঢ়া "পাটকাইৰ সিপাৰে ন মাহ" গ্ৰন্থ) যে মানে ধৰি নিয়া অসমীয়ালোকে যাওঁতে অন্যান্য বস্তুৰ লগতে তেওঁলোকে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ "কীৰ্ত্তন-ঘোষা" আৰু 'নাম-ঘোষা" পুথিও লগত লৈ গৈছিল। তেওঁলোকে গৈ ব্ৰহ্মদেশত নামঘৰ প্ৰতিষ্ঠা কৰি "কীৰ্ত্তন-ঘোষা" আৰু "নাম-ঘোষা"ৰে তিথি মহোৎসৱ পালন কৰি আহিছে। এতিয়াও তেওঁলোকে শঙ্কৰ-মাধৱৰ তিথি পালন কৰি কীৰ্তন-ঘোষা, নাম-ঘোষা পাঠ কৰে। নিৰ্দ্দিষ্ট পাঠকৰ বাহিৰে অন্যলোকে এই পুথি পঢ়িব নাজানে আৰু আখৰো চিনি নাপায়। বৰ্তমান পঢ়া সকলেও ইয়াৰ অৰ্থ সবিশেষ বুজি নাপায়, তথাপি গুৰু দুজনাৰ জয় ধ্বজা ব্ৰহ্মদেশতো উৰুৱাই আছে।

নাম-ঘোষা মাধৱদেৱৰ জীৱনৰ ভাটিবয়সৰ মহা প্ৰস্থানিক গীত। গ্ৰন্থৰ আদিতে ভকতি ৰস মাগি শেষলৈ কেৱল "ৰামকৃষ্ণ গোবিন্দ গোবিন্দ" উচ্চাৰি, ৰামতে ৰমণ কৰি আত্মহাৰা হৈ ব্ৰহ্মানন্দ মহা সমুদ্ৰলৈ গতি কৰিছে।❑

মণিকাঞ্চন

সম্পাদকীয়

উনবিংশ বছৰ ঃ অষ্টম সংখ্যা ঃ গুৱাহাটী ঃ জুলাই, ২০১৪ চন ঃ ৫৬৫ শঙ্কৰাব্দ।।

# শঙ্কৰদেৱৰ কৰ্মপদ্ধতি

**শঙ্কৰদেৱৰ প্ৰসঙ্গত বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল—** "সঁচাকৈয়ে আজি শঙ্কৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে— অসমীয়াৰ মৃত্যু হ'ব। শঙ্কৰ নাথাকিলে অসমীয়াৰ একোৱেই নাথাকে। এনে যি শঙ্কৰদেৱ, তেৱাঁই কিনো নাজানিছিল, কিনো নিদিছিল আৰু কিনো নিলিখিছিল। অসমীয়াক তাৰাই সকলো দি গৈছিল। অসমীয়াৰ গীত বাদ্য, নৃত্য, সুৰ-সম্ভাৰ, সাহিত্য, ভাওনা, নাম-কীৰ্তন, ঘোষা-বৰগীত, অঙ্ক, নাট নামঘৰ, খোল-মৃদঙ্গ, তাল, ভাঁজঘৰ, দৌলযাত্ৰা, হাটী, ধনপুঁজি (Bank), সমাজ, ধৰ্ম, বিচাৰ, নীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য—সকলো শঙ্কৰদেৱেহে অসমীয়াক দি গৈছে। কেৱল অসমীয়াইহে সেইবিলাক ভালকৈ আয়ত্ব কৰি ল'ব পৰা নাই।"

শঙ্কৰদেৱে এনে কি যাদুকৰী পথৰ সন্ধান পাইছিল যাৰদ্বাৰা ইমানবোৰ কাৰ্য অকলে সম্পাদন কৰিবলৈ সমৰ্থ হৈছিল? শঙ্কৰদেৱে গঢ়ি তোলা আন্দোলনটোৰ প্ৰকৃত দিক্‌বিন্যাস কি আছিল? শঙ্কৰদেৱৰ জীৱন কালত অসমৰ সকলো ধৰ্ম, বৰ্ণ, জাতি-উপজাতি ব্যতিৰেকে বহুলোকে বৈষ্ণৱ ধৰ্মলৈ ঢাপলি মেলিছিল আৰু শৰণ লৈছিল; কিন্তু গুৰুজনাৰ দেহাৱসানৰ পাছতে মহাপুৰুষীয়া ধৰ্মৰ মতাদৰ্শৰ সূচনা কৰি ভাগ হোৱাতো এক লক্ষণীয় বিষয়। আমি ইয়াত সেই বিষয়ে আলোচনা কৰিব খোজা নাই তাৰ বিপৰীতে চাব বিচাৰিছো গুৰুজনাৰ গাত এনে কি গুণ বা শক্তি আছিল যাৰ বাবে সকলোৱে তাৰাৰ নেতৃত্ব বিনাবাক্যব্যয়ে পালন কৰিছিল; অথবা গুৰুজনাই বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিবলৈ এনে কি কৌশল অৱলম্বন কৰিছিল যাৰ বাবে সকলোৱে তাৰাৰ ছত্ৰছায়াত অকল নিৰাপদ বুলি ভবাই নহয় জীৱমুক্তিৰ পথৰো সন্ধান পাইছিল আৰু পূৰ্বৰ আদৰ্শ ত্যাগ কৰি সংস্কাৰ মুক্ত হৈ বৈষ্ণৱ আদৰ্শত দীক্ষিত হৈছিল।

গুৰুজনাৰ অপৌৰুষেয় ব্যক্তিত্ব, অসামান্য শক্তি সামৰ্থ, সৃষ্টি সক্ষমতাৰ সীমাহীন বিশালতা, বিৰাট আৰু বহুমুখী প্ৰতিভা আৰু ভগবানৰ মহিমা প্ৰচাৰত থকা তেওঁৰ ঐকান্তিকতা আৰু অপৰিসীম দক্ষতাই ইয়াৰ প্ৰথম ইতিবাচক কাৰণ যেন লাগে। অসম আৰু অসমৰ জনতাক প্ৰাণভৰি ভাল পাইছিল বাবেই সৰ্বশাস্ত্ৰ বিশাৰদ আৰু সংস্কৃত সাহিত্যত বিদগ্ধ পণ্ডিত হৈয়ো- আপামৰ জনতাৰ মুক্তিৰ বাবে তেওঁলোকৰ মুখৰ ভাষাৰে কাব্য শাস্ত্ৰ প্ৰণয়ন কৰি সাধাৰণ জনতাক বুকুৰ মাজলৈ চপাই লৈছিল। আদৰ্শৰ প্ৰতি থকা প্ৰকৃত আৰু গভীৰ নিষ্ঠা আৰু জনসাধাৰণৰ মাজত তাক প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন উপলব্ধি গুৰুজনাৰ চৰিত্ৰৰ সকলো প্ৰকাৰে লক্ষণীয় দিশ। জনতাৰ প্ৰয়োজনৰ বাবেই জনতাৰ দৰবাৰত এই আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ দেহ আৰু মনক সম্পূৰ্ণকৈ মুকলি কৰি দি সকলো বিপদ-বিঘিনি নিজে মূৰ পাতি লৈছিল। এনে প্ৰসঙ্গত প্ৰথমে সাহিত্যৰ কথাকে ক'ব পাৰি। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে শঙ্কৰদেৱে সাহিত্য ৰচনা কৰিছিল বুলি কোৱা হয় যদিও তৰাৰ সাহিত্য সৃষ্টি প্ৰতিভাৰ অত্যুজ্জল সৌন্দৰ্যৰাশিয়ে চিৰন্তন শিল্পী সত্তাৰ প্ৰদীপ্ত পৰিচয় দাঙি ধৰি অসম আকাশত অকলশৰীয়া ভোটা তৰাৰ দৰে আজিও চিৰ জ্যোতিষ্মান হৈ জিলিকি আছে। এইখিনিতে আৰু এটি কথা আহি পৰে ধৰ্ম প্ৰচাৰৰ বাবে সাহিত্য ৰচনা কৰিলেও মহাপুৰুষজনাৰ সৃষ্টিশীলতাত ভাৰতীয় সাহিত্যৰ পৰম্পৰাগত তত্ত্বসমূহৰ নিৰলস সাধনাৰ স্বাক্ষৰ সুস্পষ্ট। তদুপৰি তদানীন্তন সময়ৰ অন্ধকুসংস্কাৰেৰে আচ্ছন্ন অশিক্ষিত জনসাধাৰণৰ মাজত এহাতে সাহিত্যক জনপ্ৰিয় কৰি তোলা আৰু আনহাতে ভাৰতীয় সাহিত্যৰ প্ৰাচীন ধাৰাবাহিকতা ৰক্ষা কৰি ধৰ্মীয় আদৰ্শৰে মানুহক উদ্বুদ্ধ কৰিবলৈ যি সমন্বয় সাধনৰ প্ৰয়োজন হৈছিল সেয়াও আয়াস নোহোৱাকৈ সাধাৰণ গতিৰে সাধন কৰিছিল। তাৰবাবে মহাপুৰুষজনাই জনতাৰ আবেগ-অনুভূতি, আশা-আকাংক্ষা, হাহাঁন-কান্দোনৰ বুজ লৈ জনতাৰ হিয়াৰ আমঠু হৈ শিল্প সাহিত্যৰ ভাণ্ডাৰ তৈয়াৰ কৰিছিল। কিন্তু পৰৱৰ্তী কালৰ বিভিন্ন সম্প্ৰদায় আৰু সংগঠনৰ বৈষ্ণৱ গুৰুসকলে জনতাই কিহত হাঁহে, কিহত কান্দে তাৰ উমান পোৱা নাছিল। কিন্তু গুৰুজনাই নিজ স্থানত ৰাজ অনুগ্ৰহৰ পৰা বিতাৰিত হৈয়ো জনতাই কিহত হাঁহে কিহত কান্দে তাক সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰি জনজীৱনৰ লগত নিজকে বিলাই দিছিল। এনে প্ৰসঙ্গতে প্ৰাক্তন ৰাষ্ট্ৰপতি ড০ এ.পি.জে.এ. আব্দুল কালামৰ 'Wings of Fire' গ্ৰন্থৰ এষাৰ কথালৈ মনত পৰে। তেওঁ কৈছিল 'আত্মবিশ্বাস থকা মানুহে কেতিয়াও আনৰ আগত আঠু নলয়। তেওঁ সমৰ্থন বা সহযোগিতা পোৱা নাই বা কৰোৱাৰ পৰা দুৰ্ব্যৱহাৰ পাইছে—এইধৰণে কেতিয়াও কেংকেঙাই বা পেনপেনাই নাথাকে। তাৰ সলনি তেনে মানুহে সমস্যা উদ্ভৱ হোৱাৰ লগে লগেই তাৰ সমাধান কৰি দৃঢ়ভাৱে ঘোষণা কৰে 'মই ভগৱানৰ সন্তানঃ গতিকে সংঘটিতব্য যিকোনো ঘটনাতকৈ মই ডাঙৰ।' গুৰুজনাৰ জীৱনত এই কথাষাৰ প্ৰত্যক্ষ ভাৱেই প্ৰযোজ্য যেন লাগে। এই একেখন গ্ৰন্থতে অন্য প্ৰসঙ্গত উল্লেখ কৰা কেইষাৰমান কথা উল্লেখ কৰা হ'ল। প্ৰাক্তন ৰাষ্ট্ৰপতি গৰাকীয়ে কৈছিল— 'সকলো কামৰে ঘাই দিক বিন্যাস হ'ল কৰ্ম আৰু কৰ্মকৰ্ত্তা। কামত জড়িত কৰোৱা, অংশ গ্ৰহণ কৰোৱা আৰু দায়বদ্ধতা স্বীকাৰ কৰি লোৱা।' তেওঁৰ মতে জড়িত কৰাব লাগে তাৰ পাছত অংশ গ্ৰহণ কৰাব লাগে। লক্ষ্য আৰু উদ্দেশ্যক কৰ্মলৈ ৰূপান্তৰ কৰি তাৰপৰা উদ্ভৱ হ'ব পৰা সমস্যাসমূহ আলোচনা কৰি সমাধান কৰিব লাগে।' কামৰ মূলমন্ত্ৰ যদি এয়াই হয় তেনেহ'লে গুৰুজনাই আজিৰ পৰা ছাৰে পাঁচশ বছৰ আগতেই এনে কৌশলকে অৱলম্বন কৰিছিল। কিয়নো গুৰুজনায়ো প্ৰতিকুল পৰিৱেশ আৰু প্ৰতি পক্ষৰ প্ৰবল আক্ৰমণত তিলমানো সুস্থিৰে থাকিব পৰা নাছিল যদিও সকলো প্ৰতিকুলতা নেওচি প্ৰতি মুহূৰ্ততে জীৱনৰ সংশয় আৰু নিৰাপত্তাহীনতাৰ মাজত কাল কটায়ো চাৰি বেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ অধ্যয়ন কৰি তাৰ সাৰভাগ চয়ন কৰি নানা শাস্ত্ৰ অসমীয়ালৈ ভাঙিলে; বাকলি গুচাই সাঁচিপাত প্ৰস্তুত কৰি হেঙুল হাইতালেৰে ৰোলাই পুথি ৰচনা কৰিলে, থলুৱা উপাদানৰ পৰা সমল সংগ্ৰহ কৰি নাট-ভাওনা পাতিলে। থলুৱা আৰু মাৰ্গ-সংগীতৰ গভীৰ অধ্যয়নেৰে গীত ৰচনা কৰি যিবোৰ চৰ্চা কৰিলে, বৃন্দাবনী লীলাৰে ছকুৰি হাত দীঘল তিনি কুৰি হাত বহলকৈ বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰিলে। নামঘৰ, সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম চৰ্চা, ভাওনা পতা অথবা গাঁও উন্নয়নৰ চিন্তা চৰ্চাৰ লগতে নিজৰ প্ৰকৃতি আৰু সামৰ্থৰে হস্তশিল্পত ব্ৰতী হোৱাৰ বাতাবৰণো সৃষ্টি কৰিলে। জাতি-ধৰ্ম, উচ্চ-নীচ, ভেদাভেদ পৰিহৰি সকলোকে একেলগে এক হৰিভকত কৰিলে। অৰ্থাৎ অসমৰ জনতাৰ বাবে সকলো কৰিলে, সকলো দিলে।

কিন্তু বৰ্তমানৰ সমাজখন শঙ্কৰদেৱৰ সময়ৰ সমাজৰ প্ৰাসঙ্গিকতাৰে বৰ্তি থকা নাই। ইয়াৰ পৰিবৰ্তন ঘটিছে; সমাজ পৰিবৰ্তনশীল। গতিকে ৰুচি আৰু প্ৰয়োজনীয়তাৰ প্ৰাসঙ্গিকতাৰে শঙ্কৰী আদৰ্শৰ নৱমূল্যায়ন হ'ব লাগিব। শঙ্কৰদেৱে অৱলম্বন কৰি যোৱা মাধ্যমসমূহত আজি প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী বিদ্যাৰ আদৰ্শ প্ৰয়োগ কৰিলেহে প্ৰাণ চাঞ্চল্য থকা যুৱক সমাজে তাৰ প্ৰাসংগিকতা উপলব্ধি কৰিব। কাৰণ যুগোপযোগী নহ'লে কোনো আদৰ্শই তিষ্ঠি থকা টান।

আমি মাথো ইংগিতহে দিলো। ব্যৱহাৰিক জীৱনৰ প্ৰয়োগশীল কৰ্মপদ্ধতি অথবা সমষ্টিগত চৈতন্য জাগৰণৰ ব্যাপক পদ্ধতি, জাতি গঠন প্ৰক্ৰিয়া জাত-পাত নিঃশেষ কৰি সকলোকে এক হৰি ভকত কৰা, মানৱতাৰ প্ৰতি আহ্বান আদি অনেক দিশৰ আলোচনাৰো প্ৰয়োজন। সময়ৰ প্ৰয়োজনলৈ লক্ষ্য ৰাখি আন নহ'লেও শঙ্কৰী আদৰ্শৰে বহুতো আঁচনি প্ৰস্তুত কৰি সিবোৰত আজিৰ ডেকা শক্তিক আত্মনিয়োগৰ পথ দেখুৱাব পাৰি।□

---

পদাধিকাৰৰ কলম।। ৰজনীকান্ত দত্ত।।

# মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় ঃ এক প্ৰত্যাশা

অসমৰ সমাজ জীৱনৰ ইতিহাসত বিংশ শতিকাৰ তৃতীয় দশকৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ধৰ্ম, সাহিত্য, সংস্কৃতি, শিক্ষা আৰু অন্যান্য সকলো দিশতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই অসমৰ সমাজ জীৱনক এক আকাঙ্খিত গতি প্ৰদান



কৰিবৰ বাবে যত্ন কৰি আহিছে। এই উদ্দেশ্য সন্মুখত ৰাখি মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰৰ দ্বাৰা প্ৰচাৰিত একশৰণ হৰি নাম ধৰ্ম শুদ্ধৰূপত সংৰক্ষণ কৰি জনজীৱনৰ মাজলৈ এই ধৰ্মক লৈ যাবৰ বাবে অনুষ্ঠানে প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিভিন্ন ঘাট-প্ৰতিঘাট আৰু প্ৰত্যাহ্বান নেওচি আজিৰ সময়ত উত্তৰ-পূব ভাৰতত একশৰণ হৰি নামধৰ্মৰ স্থিতি মজবুত কৰি তুলিবলৈ সমৰ্থ হৈছে বুলি আমাৰ বিশ্বাস।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ইতিমধ্যে বিভিন্ন অভিলাষী আঁচনি হাতত লৈ এই সমুহক কাৰ্যকৰী ৰূপ দি আহিছে। বিংশ শতাব্দীৰ শেষৰ বছৰ কেইটাকে ধৰি একবিংশ শতিকাৰ প্ৰথম দশকটোত তিনিকুৰিৰো ওপৰখন বিদ্যালয় স্থাপন কৰি পাঠ দান কৰি অহা হৈছে। আনন্দৰ কথা এই যে বিদ্যালয়সমূহৰ যোগেদি আমাৰ দেশৰ উঠি অহা প্ৰজন্মটোক— আধ্যাত্মিক, নৈতিক, স্বাস্থ্য বিষয়ক আৰু কৰ্ম শিক্ষাৰে শিক্ষিত কৰি তোলাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মানৱ সম্পদৰ বিকাশ হবৰ বাবে এই ক্ষেত্ৰসমূহৰ প্ৰতি বিশেষভাৱে চকু ৰাখিবই লাগিব। শিক্ষাৰ উদ্দেশ্য আৰু লক্ষ্য যদি সঁচা মানুহ তৈয়াৰ কৰা হয়, মানৱতাৰ বিকাশ সাধন কৰা হয় এখন বিকশিত সমাজ ৰচনা কৰা হয়, তেতিয়া হ'লে শৈক্ষিক জীৱনতে শিশুৱে শাৰীৰিক, মানসিক, আত্মিক আৰু কৌশলী শিক্ষাৰে নিজকে তৈয়াৰ কৰাৰ সুবিধা পাবই লাগিব। ভাৰতীয় আধ্যাত্মবাদৰ মূল তত্বই আছিল এনে বিদ্যায়তনিক মূল্যবোধ। তাৰ দ্বাৰাই প্ৰাচীন ভাৰতীয় মনিষাই জগত জিনিব পাৰিছিল।

**'আৰম্ভ হ'ল এটি নতুন যুগৰ'**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সপোন— গুৰুজনাৰ নামত এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ব। এই বিশ্ববিদ্যালয়ৰ যোগেদি, মহাপুৰুষজনাৰ আদৰ্শৰে উত্তৰ পুৰুষে নিজকে আদৰ্শবান কৰি তুলিব। গুৰুজনাৰ আদৰ্শ জগতৰ সভাত প্ৰচাৰিত আৰু প্ৰকাশিত হ'ব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ইতিহাসত এখিলা নতুন পাতৰ সংযোজন ঘটিল। প্ৰতিষ্ঠা হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়।

ইতিমধ্যে বিশ্ববিদ্যালয়ৰ আৰম্ভণি প্ৰত্যক্ষ ৰূপত চলিব লাগিছে। নিয়োগ কৰা হৈছে উপাচাৰ্য ৰূপে এজন নিপুণ শিক্ষাবিদক। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই এই পদ অলঙ্কৃত কৰি বিশ্ববিদ্যালয়ৰ যাৱতীয় কাম-কাজসমূহ আগবঢ়াই নিছে। এই বিশ্ববিদ্যালয়ৰ প্ৰথমজন পঞ্জীয়ক ৰূপে নিয়োগ কৰা হৈছে অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ডিন্ ড° ৰাতুল চন্দ্ৰ বৰা দেৱক। প্ৰাৰম্ভিক

(13 পৃষ্ঠাত চাওক)

# শঙ্কৰত পৰে গুৰু নাহিকে আমাৰ

**প্ৰেমেশ্বৰ লস্কৰ**

সৰ্ব বেদান্ত সাৰ, সৰ্বশ্ৰুতি শিৰোৰত্ন, বৈকুণ্ঠৰ কল্পতৰু, পুৰাণ সূৰ্য শ্ৰীমদ্ভাগৱত শাস্ত্ৰভাগৱ প্ৰথম স্কন্ধৰ তৃতীয় অধ্যায়ৰ ২৮ সংখ্যক শ্লোকত 'কৃষ্ণস্তু ভগৱান স্বয়ম্' বুলি ঘোষিত ভগৱন্ত কৃষ্ণদেৱেই শঙ্কৰদেৱৰ 'একশৰণ হৰি নাম ধৰ্ম'ত শৰণ-ভজনৰ একমাত্ৰ দেৱবস্তু— যি একাধাৰে নিৰ্গুণ-নিৰাকাৰ ব্ৰহ্ম, সগুণ-নিৰাকাৰ, নাৰায়ণ, পৰমাত্মা, হৰি, ঈশ্বৰ, ভগৱন্ত আৰু সগুণ-সাকাৰ পূৰ্ণাৱতাৰ দৈৱকী নন্দন। যাৰ লীলা-মালা শ্ৰৱণে-কীৰ্তনে ভকতসকল আত্মহাৰা হৈ থাকে, যিজনে দুষ্টক দমন আৰু সন্তক পালনৰ যোগেদি ধৰ্ম সংস্থাপন কৰিবৰ নিমিত্তে অৱতাৰ গ্ৰহণ কৰিছিল, সেই ভগৱন্ত কৃষ্ণদেৱেই হ'ল— মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ। কৃষ্ণ শঙ্কৰ গুৰু হৰি ৰাম ৰাম।

স্বয়ং সেই কৃষ্ণ ভগৱন্তই ব্ৰহ্মাৰ পদ্মকল্পত এযাৰ কথাকৈ থৈছিল বুলি শাস্ত্ৰত এনেদৰে আছে—

"পদ্মৰূপ ধৰি শূদ্ৰকুলে হৈবো জাত।
হৈবোহো শঙ্কৰ নামে জগত বিখ্যাত।।"
— পদ্মপুৰাণ, স্বৰ্গখণ্ড

তদুপৰি ভগৱন্ত কৃষ্ণদেৱে কুৰুক্ষেত্ৰ পুৰাণতো নন্দ যশোদাৰ আগত কেতিয়া, ক'ত আৰু কি নামেৰে তেওঁ অৱতাৰ গ্ৰহণ কৰিব নিজ মুখেৰে প্ৰকাশ কৰি কৈছিল—

"নন্দস্তু কুসুমো সাক্ষাৎ যশোদা সত্য সন্ধিকা।
শূদ্ৰ কুলে দ্বয়োৰ্জাত কামৰূপে ভৱিষ্যতি।।
তৱ বীৰ্য্যে মমজাত শংকৰং খ্যাতিসন্তক।
জগহকাৰ হেতুনাং অৱতৰ্য সমাধিকম।।
পৰম ব্ৰহ্ম ৰূপেন তস্য শঙ্কৰ নামতঃ।
বটদ্ৰৱা নাম গ্ৰামে নিজ ভক্তি প্ৰচাৰয়েৎ।।"

অৰ্থঃ কামৰূপৰ বটদ্ৰৱা নামে ঠাইত নন্দ গৈ কুসুম্বৰ, যশোদা গৈ সত্যসন্ধা হিচাপে শূদ্ৰকুলত জন্ম ল'বা। তোমালোকৰ ঘৰতে মই কলিযুগত শঙ্কৰ নামেৰে অৱতাৰ গ্ৰহণ কৰি নিজ ভক্তি ধৰ্ম প্ৰচাৰ কৰিম। চৰিত পুথিত আছে—

"ইটো ৰাজ্যে পূৰ্ব্ব কালে নাছিল ভকতি।
নানা দেৱ পূজা মাত্ৰ আচৰে সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ মহিষ কাটে অসংখ্য প্ৰমাণ।।
তল গৈল লোক কলি পাপ সাগৰত।
কৃপাময় কৃষ্ণে জানি গুণিলা মনত।।
সিটো লোক সমস্তক কৰিতে উদ্ধাৰ।
শঙ্কৰ মাধৱ ৰূপে ভৈল অৱতাৰ।।"
— দৈত্যাৰি ঠাকুৰ

দামোদৰদেৱৰ প্ৰশিষ্য প্ৰথম চৰিতকাৰ ৰাম ৰাম দ্বিজে লেখিছে—

"শিৱ দুৰ্গা গ্ৰাম দেৱ পূজয় সতত।
হৰিভক্তি কৰন্তা নাহিকেই ৰাজ্যত।।
হেন কামৰূপ মধ্যে আপুনি শ্ৰীহৰি।
মনুষ্যত জন্মিলা শঙ্কৰ ৰূপ ধৰি।।"
— ৰাম ৰাম দ্বিজ, গুৰু লীলা

"শ্ৰীশঙ্কৰ নামে আসি অৱতাৰ হৈব।
জ্ঞান ভক্তি উপদেশে লোক নিস্তাৰিব।।
লোক তৰিবাক হেতু পৃথিৱীক আসি।
হৰি দেৱ ব্ৰাহ্মণত কহিব প্ৰকাশি।।
— শ্ৰীশ্ৰীহৰিদেৱ চৰিত, পৃ. ৩৬, ৩৭

শঙ্কৰদেৱ যে পূৰ্ব দিশত অৱতাৰ হ'ব, সেই কথা লোক কল্যাণকাৰী, পৰম বৈষ্ণৱ, দেৱৰ্ষি নাৰদেও ভৱিষ্যৎবাণী কৈ গৈছিল—

"শ্ৰীমন্তমীশ্বৰং দেৱ পূৰ্বদেশ বিৰাজিতে।
ধৰ্ম্ম সনাতনং যস্য প্ৰকাশ্যে ক্ষিতি মণ্ডলে।।
অকৃত কৰ্ম্মনাশায় সৎসঙ্গো লভতে নৰাঃ।
ভৱ বন্ধ বিনি মুক্তে কলৌ মলঞ্চ নাশনম।।"

অৰ্থাৎ শ্ৰীমন্ত ঈশ্বৰ এজন পূৰ্ব দিশত অৱতাৰ হ'ব আৰু তেওঁৰ দ্বাৰাই দেশ জুৰি সনাতন ধৰ্ম প্ৰচাৰ হ'ব। মানুহৰ অসৎ কৰ্ম নাশ হৈ সৎসঙ্গ লাভ কৰি ভৱ বন্ধনৰ পৰা মুক্তি পাব, কলিৰ মন, পাপ বুদ্ধিবোৰ নাশ হৈ লোকে পৰম্পদ লাভ কৰিব।

সেইদৰে পণ্ডিতপ্ৰৱৰ ডাঃ মুকুন্দ মাধৱ শৰ্মাদেৱৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সংস্কৃতি ভাগতো এনেদৰে পোৱা যায়—

"ন কেৱলং ধৰ্ম প্ৰৱৰ্তকো ভুৱি।
ন চাপি কাব্য গ্ৰথনান্দ্বিগীয়তে।।
অশেষ পুণ্যৈৰ সমস্য বস্তুতো।
মনুষ্যৰূপঃ স্বয়মেব দেৱতা।।"

অৰ্থঃ শঙ্কৰদেৱ এই পৃথিৱীত কেৱল ধৰ্ম প্ৰৱৰ্তক বা কবি হিচাপে বন্দিত হোৱা নাই। দৰাচলতে অসমৰ অশেষ পুণ্যৰ ফলতে এইজনা স্বয়ং ভগৱান মনুষ্যৰূপে আৱিৰ্ভূত হৈছে।

গতিকে দেখা গ'ল— শঙ্কৰদেৱ স্বয়ং ঈশ্বৰ কৃষ্ণৰেই অৱতাৰ। কিন্তু স্বয়ং ঈশ্বৰ কৃষ্ণৰেই অৱতাৰ হোৱা সত্বেও শঙ্কৰদেৱে কেতিয়াও ভকতসকলৰ আগত নিজক ঈশ্বৰ কৃষ্ণৰ অৱতাৰ বুলি চিনাকি দিয়া নাই। বৰং তাৰাই কিংকৰ, দাস, ভৃত্য আদি শব্দকেইটা প্ৰয়োগ কৰি ঈশ্বৰ কৃষ্ণৰ একান্ত দাস্য ভক্ত হিচাপেহে নিজৰ পৰিচয় দাঙি ধৰিছে। শঙ্কৰদেৱৰ এনে আত্মলঘিমাই এই কথাটোকে প্ৰমাণ কৰে যে শঙ্কৰদেৱ কেতিয়াও নিজকে নিজে গুৰু বুলাই ফুৰা স্বয়ম্ভু গুৰু নাছিল। শঙ্কৰদেৱ আছিল দাস্যভক্তিৰ মহাপাত্ৰ। তদুপৰি তাৰা শাস্ত্ৰতো নিষ্ণাত আছিল। অৰ্থাৎ শঙ্কৰদেৱ আছিল কৃষ্ণৰ ভকত আৰু শাস্ত্ৰত নিষ্ণাত। উল্লেখযোগ্য যে এই দুয়োটা মহান গুণ একেলগে প্ৰকৃত সৎগুৰুতহে থাকে বুলি সন্তসকলে কয়। 'নিমি নৱ সিদ্ধ সংবাদ'ত আছে।

"জানন্ত শাস্ত্ৰৰ তত্ত্ব কৃষ্ণত ভকত।
সেহি গুৰু উপদেশ দিবাক শকত।।
বিশিষ্ট গুৰুক অকপটে সেৱা কৰি।
ভজিবে সি গুৰু জানি সেহি মহাহৰি।।"

এইখিনিতে এই কথাটো বিশেষভাৱে স্মৰ্তব্য যে শিক্ষা গুৰু মহেন্দ্ৰ কন্দলিৰ টোল (পাঠশালা)ত ছাত্ৰ হৈ পঢ়ি থাকোতেই আনে শতবৰ্ষতো পঢ়িব নোৱাৰা যিমানবোৰ শাস্ত্ৰ শঙ্কৰদেৱে পঢ়িছিল, সেই সকলোবোৰ শাস্ত্ৰৰ নামৰ সৈতে এখন তালিকা উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ দ্বাৰা সম্পাদিত 'কথাগুৰু চৰিত'ৰ ২৮ আৰু ২৯ সংখ্যক পৃষ্ঠাত এনেদৰে পোৱা যায়— "সাম, ঋক, অথৰ্ব, যজুৰ, তৃবেদ, চৌধশাস্ত্ৰ, শিক্ষা, কল্প, জ্যোতিষ, ৰীতি, নীতি, নিজক্ত, ছন্দঃ, শ্ৰুতি, স্মৃতি, মীমাংসা, তৰ্ক, কলাপ, তৃক, ন্যায়— এই চৈধ্যশাস্ত্ৰ, অষ্টাদশ পুৰাণ, শিৱ, মৎস্য, বৈষ্ণৱ পুৰাণ, স্কন্ধ, কুৰ্ম, গৰুড়, মাৰ্কণ্ডেয়, ভাগৱত, বামন, বাৰাহ, লিঙ্গ, ভৱিষ্যৎ, ব্ৰহ্মাণ্ড, বৈৱৰ্ত, বৃহৎ, নাৰদী, ব্ৰহ্ম, পদ্ম। অষ্টাদশ ভাৰত— আদিপৰ্ব, সভাপৰ্ব, বনপৰ্ব, বিৰাটপৰ্ব, উদ্যোগ, ভীষ্ম, দ্ৰোণ, কৰ্ণ, শৈল্য, সৌপ্তি, দশম, স্ত্ৰীপৰ্ব, শান্তিপৰ্ব, অশ্বমেধ, আশ্ৰম, বানস্বৰ্গ, স্বৰ্গাৰোহণ, বিজয়পৰ্ব। সংহিতা— সুত, ব্যাস, গৌতমী, নাৰদী, অগষ্টি, বশিষ্ঠ, মাৰ্কণ্ডেয়, ব্ৰহ্ম, ভৃঙ্গি (ভৃগু?), পৰাশৰ, বিশ্বামিত্ৰ, ভৰদ্বাজ, দুৰ্বাসনা, বৈশ্বানৰ, কপিল, অঙ্গিৰস, সোৰি, এই অষ্টাদশ।। চৌধ্য ব্যাকৰণ— পানিনি, কলাপ, পঞ্জিকা, শব্দৰত্ন, মুৰ্খবোধ (মুগ্ধ?), জ্ঞানাকুশ, সদ্ম, স্বৰ প্ৰদীপ, শব্দজ্ঞান, প্ৰশ্নবোধ, প্ৰাকৃত, সন্ধি, বৃত্তি, কৃতি, আখ্যাত। অষ্টাদশ তন্ত্ৰ। অষ্টাদশ কাব্য— মাঘ, ভাৰৱী, ভাৰতী, নেষধ, হিতোপদেশ, বৃন্দাবন, চন্দ্ৰধাৰী, অন্যাপদেশ, মোহমুদনৰ, প্ৰধান, হনুমন্তী, হিমৱন্তী, মেঘদূত জ্ঞান, নৱৰত্ন, পঞ্চৰত্ন, দৰিদ্ৰ, অষ্টক, মুঞ্জাষ্টক, বিদ্যাবিদুষী, শান্তিশতক, এই আঠাৰ কব্য। দণ্ডি, প্ৰবোধ চন্দ্ৰ, আনন্দ লহৰী, শৃঙ্গাৰ তিলক, শ্ৰুতবোধ, ঋতু মঞ্জৰী, হাস্যাৰ্ণব, কবিৰত্ন, অমৰ, হাৰাৱলি, মেদিনী, শব্দৰত্ন, কলাপ, পঞ্জিকা, শব্দজ্ঞান, প্ৰশ্নবোধ, শ্ৰুতবোধ, শ্ৰুতিবোধ, এই আঠাৰ কোষ। অমৰ, চাণক্য আনো শাস্ত্ৰ সবাকে পঢ়াই গুৰু কন্দলিয়ে বোলে, যিখানি জানো পঢ়ালো একা, নাইও আৰ। আনে শতবৰ্ষ পঢ়িও নপৰে একা। মই কাৰণহে।। "আপুনি নিৰ্ম্মিলা শাস্ত্ৰ, তাকো পঢ়া হুয়া ছাত্ৰ" —এই বুলি বিদায় দিলে। এক বৰ্ষ পঢ়ি আছিল। পাছদিনা আত্ৰ গুৰুক অনাই ভোজন কৰাই দক্ষিণাকৈ পঠালে। যোগশাস্ত্ৰ পঢ়িবলৈ আছিল, গৃহতে পঢ়ি জলত এপৰ বুৰ দি থাকে বস্ত্ৰ নিতিতে। পাট সুতাৰে বন্ধকৈ বায়ু নিৰোধে, ভট ভটকৈ ছিগে, আলসে ৰয়, হৰণ পূৰণ পাচে তাকো এৰিলে।"

গতিকে ছাত্ৰ হৈ পঢ়ি থাকোতেই যে শঙ্কৰদেৱে উপৰিউক্ত সমস্ত শাস্ত্ৰ পঢ়ি সমস্ত শাস্ত্ৰৰ তত্ত্ব মৰ্ম উদ্ধাৰ কৰি শাস্ত্ৰত নিষ্ণাত হৈছিল আৰু কৃষ্ণৰো ভকত হৈছিল, সেই সত্য জলজল-পটপটকৈ ওলাই পৰিছে। কিয়নো শঙ্কৰদেৱে ছাত্ৰ হৈ গুৰুগৃহত থাকোতেই (কৰতল কমল কমল দল নয়ন...) এই ভগৱান বিষ্ণু কৃষ্ণৰ ৰূপ বৰ্ণনাযুক্ত মনোৰম আধ্যাত্মিক কবিতাটোৰ বা কোমল গীতটোৰ লগতে "হৰিশ্চন্দ্ৰ উপাখ্যান" কাব্যখনি ৰচনা কৰি ভকতিৰ চাৰিখুটা মাৰিছিল। এই সম্পৰ্কে 'কথাগুৰু চৰিত'ৰ ২৭ সংখ্যক পৃষ্ঠাত এনেদৰে পোৱা যায়— "আৰু মাৰ্কণ্ডেয় পুৰাণৰ পৰা প্ৰথমে কাম ধৰি হৰিশ্চন্দ্ৰ উপাখ্যান কৰিছে চাৰি খুটা মাৰি সেৱকলৈ।"

এইটো অতি আনন্দ আৰু গৌৰৱৰ বিষয় যে শাস্ত্ৰত নিষ্ণাত আৰু কৃষ্ণৰ ভকত শঙ্কৰদেৱক সন্তসকলেহে মহাপুৰুষ, সৎগুৰু, পৰমগুৰু, বৈষ্ণৱ গুৰু, জগতগুৰু, সাহিত্যৰ গুৰু, কলা-সংস্কৃতিৰ গুৰু বুলি অকপটভাৱে স্পষ্ট ঘোষণা দি জগতক পৰিচয় কৰি দিয়াৰ লগতে জগতৰো কল্যাণ আৰু মঙ্গল সাধন কৰিছে। প্ৰমাণ স্বৰূপে মাত্ৰ নগৰাকী সন্তৰ কথাহে প্ৰথমতে, দ্বিতীয়তে তৃতীয়তে, চতুৰ্থতে আদি শব্দবোৰ ব্যৱহাৰ কৰি আমি নিজে সজাই লোৱা ক্ৰমতহে তলত উল্লেখ কৰাৰ বিনম্ৰ প্ৰয়াস কৰিছোঁ।

পোনপ্ৰথমতে, শঙ্কৰদেৱক 'আপুনি নিৰ্ম্মিলা শাস্ত্ৰ। তাকো পঢ়া হুয়া ছাত্ৰ"— এইবুলি ঘোষণা দিওঁতে, সত্য দ্ৰষ্টা, পণ্ডিতপ্ৰৱৰ, মহান শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিদেৱে সেই গৰাকী শঙ্কৰদেৱৰ দ্বাৰা সাতদিন, সাতৰাতি প্ৰদৰ্শিত অঙ্কীয়া ভাওনা (চিহ্নযাত্ৰা) সমাপ্তিৰ পিছতে শঙ্কৰদেৱত শৰণ লৈ তাৰাক শৰণৰ গৰাকী সৎগুৰু বস্তু বুলি উচ্চস্বৰে ঘোষণা কৰিলে এনেদৰে—

"শুনা সভাসদ বোলা নিশ্চয় বচন।
শঙ্কৰদেৱত মই পশিলো শৰণ।।
চাৰিবাৰ চাৰি দণ্ডৱত কৰিলন্ত।
ভৈল গুৰু বুলি উচ্চ কৰি ডাকিলন্ত।।
পুনৰপি পুঢ়াগুৰু বুলিলা বচন।
শঙ্কৰৰ মহিমাক জানে কোনজন।।
পাঠশালা মাজে এক দিন শুতিলন্ত।
অনন্ত আসিয়া তৈতে ছত্ৰ ধৰিলন্ত।।
শুনা কৰ্ণপুৰ চতুৰ্ভুজ দুয়ো জন।
নৰোত্তম বৃদ্ধ তুমি পণ্ডিত গহন।।
উৰ্দ্ধবাহু কৰি মই কৰো অঙ্গীকাৰ।
শঙ্কৰত পৰে গুৰু নাহিকে আমাৰ।।
শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ।
আমাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ।।"
— ৰামচৰণ, গুৰুচৰিত

দ্বিতীয়তে শঙ্কৰদেৱৰ প্ৰপন্ন শিষ্য, ব্ৰাহ্মণো, অভিন্ন আত্মা, মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে তাৰাৰ কালজয়ী অমৰগ্ৰন্থ 'নাম-ঘোষা'ত শঙ্কৰদেৱক পৰম গুৰু বুলি তিনি কতপা দি গুৰুগিৰিৰ পৰম্পৰা ছেদ কৰি অতিশয় আনন্দদেৰে আৰু সুমধুৰ কণ্ঠেৰে গাইছে—

"শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।"

তৃতীয়তে শঙ্কৰদেৱক প্ৰথমতে 'মহাপুৰুষ' বুলি স্বীকৃতি দিওঁতা গৰাকীও তাৰাৰ এগৰাকী ব্ৰাহ্মণ অনুগামী— দামোদৰদেৱহে। দামোদৰদেৱে প্ৰধান শিষ্য ভট্টদেৱক এনেদৰে আজ্ঞা কৰিছিল—

"পূৰ্বে মহাপুৰুষে কৰিলা দশ স্কন্ধ।
কীৰ্ত্তন ভটিমা ছবি দুলৰী সুচন্দ।।
তাত কৰি সুগম কৰিও ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্ব্বলোক বুজে যেন মত।।"
— ৰামৰায় দ্বিজ, গুৰুলীলা

চতুৰ্থতে শঙ্কৰদেৱৰ একান্ত ব্ৰাহ্মণ সেৱক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যৰথী, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেখেতৰ ৰচিত গীত ভাগত শঙ্কৰদেৱক জগৎগুৰু বুলি অকপটভাৱে ঘোষণা দিছে এনেদৰে—

"গুৰু লাগে মই শিক্ষিত শিষ্য
জগতক জাননি দিলো।
জগতৰে গুৰু শ্ৰীশঙ্কৰ গৃহতে
অন্ধলাই নেদেখিলো।।"

পঞ্চমতে গড়মুৰ সত্ৰৰ প্ৰাক্তন সত্ৰাধিকাৰ তথা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন পদাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীদেৱে প্ৰকাশ কৰিছে এনেদৰে— "মই ভালদৰেই বুজিছোঁ যে, অসমত বৈষ্ণৱ ধৰ্ম প্ৰথমেই মহাপুৰুষ শঙ্কৰদেৱেহে প্ৰৱৰ্তাইছিল। তেখেতৰ পূৰ্ব সময়ত অঘোৰপন্থী, শিৱ আৰু দেৱী উপাসনাহে চলি আছিল। সেই নিমিৰ্তেই মোৰ মত যে, অসমত সকলোটি মহাপুৰুষীয়া। গতিকে সকলো ভেদ পাহৰি সকলোটি এক হৈ ভিন ভিন নামকৰণ গুচাই পেলাব লাগে।

ষষ্ঠতে আতিৰ পিতা মহামানৰ মহাত্মা

(13 পৃষ্ঠাত চাওক)

## মাধৱদেৱৰ গুৰু বন্দনা

(১ পৃষ্ঠাৰ পৰা)

হোৱাৰ উপৰিও তেখেত সুকণ্ঠৰ অধিকাৰী এগৰাকী সু-গায়ক। এই বিষয়ে ড° বাণীকান্ত কাকতিৰ মন্তব্য মন কৰিবলগীয়া— "ৰচনাৰ মাধুৰ্য্য আৰু ভাবৰ গাম্ভীৰ্য্যৰ লগে লগে বৰগীতবোৰৰ লোকপ্ৰিয়তাৰ আন এটি কাৰণ হৈছিল মাধৱদেৱৰ সুগায়কত্ব। মাধৱদেৱ এফালে যেনে মৰ্মস্পৰ্শী কবি, আনফালে তেনে মনোমুগ্ধকাৰী সুগায়ক আছিল। এখন পুৰণি পুথিত মাধৱদেৱৰ গীত-নৈপুণ্যক লক্ষ্য কৰি কোৱা আছে যে তেওঁ আগৰ জন্মত গন্ধৰ্ব আছিল।" (পুৰণি অসমীয়া সাহিত্য, পৃষ্ঠা ৭৫)। ফলত মধ্যযুগত বহুতো কবি, গীতিকাৰে গীত ৰচনা কৰি মাধদেৱৰ নামত ভণিতা পেলাইছিল।

"এইবোৰৰ কাৰণে বৰগীতবোৰৰ ইমান বিস্তৃতি ঘটিছিল যে মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচাৰৰ দৰে মানৱসকলেও বৰগীতৰ ধ্বনি-প্ৰতিধ্বনিক লক্ষ্য কৰি গুৰু দুজনাৰ
ওচৰত উপস্থিত হৈছিল।" (ড° কাকতিৰ পূৰ্বোক্ত পুথি, পৃষ্ঠা ৭৫)। মাধৱদেৱৰ ৰচনাৱলীৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ হ'ল নামঘোষা। নামঘোষাৰ মহিমাৰ বিষয়ে পুনৰ ড° বাণীকান্ত কাকতিৰ মতকে উদ্ধৃত কৰা হ'ল— "নামঘোষাই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে। একশৰণ ধৰ্ম মাহাত্ম্য-প্ৰতিষ্ঠাপক গ্ৰন্থ নামঘোষাত বাদে অসমীয়া ভাষাত আৰু দ্বিতীয় নাই।" (উক্ত গ্ৰন্থ, পৃষ্ঠা ৮১)। ড° কাকতিৰ এই মন্তব্য মানি লওক বা নলওক, কিন্তু এই মন্তব্যই ভক্ত সমাজত আৰু অসমীয়া সাহিত্যত নামঘোষাৰ সেই যাৰ কথাকেই প্ৰমাণ কৰিছে। "মাধৱদেৱে জীৱনৰ শেষ ভাগত এই অনুপম ঘোষা গ্ৰন্থ ৰচনা কৰে" গুৰুৰ আজ্ঞা অনুসৰি। পাটবাউসীৰ পৰা বেহাৰলৈ যাত্ৰা কৰি গণককুছিত পুত্ৰ ৰামানন্দৰ সৈতে গুৰুজনা মাধৱদেৱৰ গৃহত এৰাতি কটাইছিল। সেয়ে আছিল গুৰুজনাৰ সৈতে মাধৱদেৱৰ শেষ সাক্ষাৎ। অনেক কথাৰ মাজতে গুৰুজনে মাধৱদেৱক ক'লে— "আৰু কীৰ্ত্তন ঘোষা শাস্ত্ৰখনি সংগ্ৰহ কৰিবা। ঘোষাত দুলৰি, ঝুনা, লেছাৰি, ছন্দ দিবা। নমস্কাৰ ভজন, অনুধৃতা, অনুনাথনা, হৰবাৰ, প্ৰশংসা, মহিমা, কাৰুণ্য, এইসকল যোগ কৰিব লাগিব। আৰু ঘোষাৰ শেষ ঈশ্বৰৰ নাম-গুণ লগাবা। মই তোমাক এৰি নাযাওঁ।" (ড° মহেশ্বৰ নেওগৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ গ্ৰন্থৰ পৰা) এহেজাৰ ঘোষা থকা কাৰণে নামঘোষাক হেজাৰী ঘোষাও বোলা হয়। শঙ্কৰদেৱৰ তিৰোভাৱৰ পিছত কোচবেহাৰৰ ভেলাডোঙাত নামঘোষা সম্পূৰ্ণ কৰে। নামঘোষা আৰু বৰগীতসমূহৰ পিছত অন্যান্য ৰচনাসমূহ হ'ল ঃ ৰামায়ণৰ আদিকাণ্ডৰ ভাঙনি, ৰাজসূয় কাব্য, আৰু জন্মৰহস্য। পুৰুষোত্তম গজপতি ৰচিত নামমালিকাৰ অনুবাদ। বিষ্ণুপুৰী সন্ন্যাসীৰ 'ভক্তি ৰত্নাৱলী'ৰ পদ অনুবাদ। নাটসমূহ হ'ল, 'চোৰধৰা', 'পিম্পৰা-গুচোৱা', 'ভোজন-বিহাৰ', 'ভূমি-লেটোৱা', 'দধি-মথন', 'অৰ্জুন-ভঞ্জন'। এইকেইখন এতিয়ালৈকে পোৱা নাটৰ উপৰিও চৰিত পুথিৰ মতে মাধৱদেৱে 'নৃসিংহ যাত্ৰা', 'গোৱৰ্দ্ধন যাত্ৰা' আৰু 'ৰাম যাত্ৰা' নামে তিনিখন নাট ৰচনা কৰি অভিনয় কৰি দেখুৱাইছিল।

গুৰুজনাৰ ৰূপ-গুণ বৰ্ণনা কৰি প্ৰথম কবিতাটো মাধৱদেৱেই ৰচনা কৰে। এই কবিতাটিক 'গুৰু-ভটিমা' বুলি কোৱা হয়। ভটিমা কেইবাবিধৰো। 'নাট-ভটিমা', 'দেৱ-ভটিমা' আৰু 'ৰাজ-ভটিমা'। এইকেইবিধ ভটিমা শঙ্কৰদেৱে প্ৰৱৰ্তন কৰে; ইয়াৰ লগতে মাধৱদেৱে গুৰু ভটিমা প্ৰৱৰ্তন কৰি চাৰিশ্ৰেণীৰ ভটিমাৰ পৰম্পৰা সৃষ্টি কৰি থৈ যায়। ভটিমাসমূহ হ'ল প্ৰশস্তি বা গুণ গৰিমা প্ৰকাশক গীত। "প্ৰকাশ ভঙ্গীৰ গাম্ভীৰ্য ইয়াৰ প্ৰধান লক্ষণ" (ড° সত্যেন্দ্ৰ নাথ শৰ্মা)। নাটৰ আৰম্ভ আৰু শেষত প্ৰয়োগ কৰা ভটিমাই 'নাট-ভটিমা'। ইয়াক মুক্তি মঙ্গল ভটিমা বুলিও কোৱা হয়। দেৱতাৰ প্ৰশস্তিমূলক ভটিমাই 'দেৱ-ভটিমা'; ৰজাৰ গুণ-গৰিমা প্ৰকাশক ভটিমাই 'ৰাজ-ভটিমা'।

গুৰু দুজনাই সৃষ্টি কৰা বিভিন্ন গীত-পদ আৰু কাব্য-নাট সৃষ্টিৰ আঁৰৰ কাহিনী চৰিত পুথিসমূহত থকাৰ দৰে মাধদেৱৰ 'গুৰু-ভটিমা' সৃষ্টিৰ আঁৰৰ কাহিনীও কথা গুৰু চৰিতৰ পৰা উল্লেখ কৰা হ'ল। আৰু একদিনা দুয়োজনা গুৰু, ঠাকুৰ আতা, জন্তি মধাই, আনো ভক্তসবেৰে গৈছে বুৰী লুইতে ভটিয়াই। পালেংদি ঘাটে। ৰাইৰ ফৈদৰ এক স্ত্ৰী কাপোৰ ধুইছে উলঙ্গতে। উপৰ ভাগে কতখানি গৈ গুৰুজনে বোলে বৰাপো, কি দেখিলা? বোলে বাপ, একো নেদেখোঁ। বোলে কলৈনো চাই আহিছিলা? বোলে বাপ, আপুনাৰ অভয় পদ পঙ্কজলৈহে চাই অহা হৈছে।

পাছে তেনেতে লুইতৰ দিয়াত (?) গো ছাৰিছে এটি চণ্ডালৰ ছৱা। তেঞ্চে বুলিলে বান্ধৱ কৃষ্ণ। পাছে গুৰুজনে বোলে ই বালক ছৱা। ইয়াৰ মুখত যে নাম আহিল, এই দেশত নামধৰ্ম বস্তু প্ৰকাশ হ'ব। ঘূৰি নাৱ চমু চাপিলহি। বোলে বৰা পোঞ কতক কবিতা কৰা, নাৰায়ণ দাসেও কৰা, মধাঞ কৰা। ছোট আতা (মাধৱদেৱে) কৰিলে—

জয় গুৰু শঙ্কৰ সৰ্ব গুণাকাৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণকু ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।
দৰশিত সুন্দৰ গৌৰ কলেৱৰ
যৈসন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।। ইত্যাদি"

গুৰু ভটিমাটিত শঙ্কৰদেৱৰ ৰূপ, গুণ, পাণ্ডিত্য, ব্যক্তিত্ব সকলো প্ৰকাশ পাইছে। কথা গুৰু চৰিতত গীতটি শুনাৰ পিছত এনেকৈ মন্তব্য কৰিলে বুলি কোৱা হৈছে— স্বৰ্গ, মৰ্ত্ত্য, পাতাল, অনন্ত, অচ্যুত বৈকুণ্ঠ সমে ভেদি; পৃথিৱী চন্দ্ৰ সূৰ্য থাকে মানে ৰহিব।' প্ৰিয় শিষ্যৰ মুখত নিজৰ বিষয়ে এনে বৰ্ণনা শুনি হয়তো গুৰুজনে মাধৱদেৱক সুধিছিল— "বঢ়াৰ পো, মই তোমাৰ দৃষ্টিত এনেকুৱাই নে?" ইয়াৰ উত্তৰত মাধৱদেৱে হয়তো কৈছিল—

"আপুনি ইয়াৰ এচু লিমানো ইফাল সিফাল নহয়।" গুৰু ভটিমাটিৰ এই বৰ্ণনাক অৱলম্বন কৰিয়েই কেইবা শতিকাৰ পিছত বিষ্ণু ৰাভাই গুৰুজনাৰ চিত্ৰ অঙ্কন কৰিছিল।

কিন্তু মাধৱদেৱৰ গুৰু বন্দনা ইমানতে শেষ হোৱা নাছিল। গুৰুৰ আদেশক্ৰমে মাধৱদেৱে ৰচনা কৰা তেখেতৰ শ্ৰেষ্ঠ গ্ৰন্থ নামঘোষাতো গুৰুজনাৰ স্মৃতিয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। ড° বাণীকান্ত কাকতিয়ে আমাক দেখুৱাইছে— "নামঘোষাত প্ৰধানত ঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে ধাৱমান হৈছে— পুণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ ভক্তি মাহাত্ম্য।" আগতেই কোৱা হৈছে 'নামঘোষা' মাধৱদেৱৰ শেষ ৰচনা; তেখেতৰ তিৰোভাৱৰ বেছিদিন আগৰ ৰচনা নহয়। একান্ত ভক্তিৰসত আপ্লুত মাধৱদেৱে গুৰুজনাৰ বিচ্ছেদ-বেদনা, তেখেতৰ সান্নিধ্যৰ সুখদায়ক স্মৃতি আৰু গুৰুৱে চকু মুকলি কৰি দিয়া কৃষ্ণ ভক্তিৰসত ডুব গৈ তেখেতৰ প্ৰাণ আৰু চেতনা কৃষ্ণ ৰসেৰে দ্ৰবীভূত হোৱাৰ প্ৰকাশ নামঘোষাৰ জৰিয়তে প্ৰকাশ পাইছে। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ দৰে জনতাৰ ত্ৰাণকৰ্তা এজনক গুৰু হিচাপে নিকট সান্নিধ্য পাই তেখেতৰ উত্তৰাধিকাৰী হ'ব পৰা কথাই মাধৱদেৱৰ হৃদয়ত তোলপাৰ লগাই আছিল। সেয়ে গুৰুজনাৰ আদেশত ৰচনা কৰা এই গ্ৰন্থত মাধৱদেৱে গুৰু স্মৃতি সুঁৱৰি সুঁৱৰি কৃষ্ণ ভক্তিত লীন গৈছে। অন্তৰৰ গভীৰ উপলব্ধি আৰু হৃদয়ৰ নিভৃততম স্থানৰ পৰা ওলাই অহা বাবে নামঘোষাই সকলোৰে হৃদয় স্পৰ্শ কৰিব পাৰিছে; ইয়াৰ আবেদন তাৎক্ষণিক কিন্তু গভীৰ আৰু চিৰস্থায়ী। গুৰু ভক্তি আৰু কৃষ্ণ ভক্তি ইয়াত যেন একাকাৰ হৈ গৈছে; কাৰণ শঙ্কৰ গুৰুৰ অবিহনে মাধৱদেৱে কৃষ্ণ ভক্তি ৰস সাগৰত নিমজ্জিত হ'বলৈ সুবিধা নাপালেহেঁতেন। সেয়ে ইয়াত গুৰু ভক্তি আৰু কৃষ্ণ ভক্তি দিগন্তৰ এটি বিন্দুত বিলীন হৈ গৈছে।

হৰি-ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগতজুৰি।
ৰাম-নাম-ৰত্ন বেহায়া জপতে
চলয় বৈকুণ্ঠপুৰী।।374
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাহি নাহি নাহি
আমাৰ পৰম গুৰু।। 375

একেখনি মাত্ৰ শাস্ত্ৰ নিষ্ঠÛ দৈৱকীনন্দনে
কৈলা যাকÛ দেৱো একমাত্ৰ দেৱকী-দেৱীৰ
সুত। দেৱকী-পুত্ৰৰ পদ-সেৱাÛ কৰ্মো এক
এহিমানে মাত্ৰÛ মন্ত্ৰো এক তান নাম-মাত্ৰ
অদভূত।।666
হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৱ যতেক ইটো তোহ্মাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত।।৮৪
দৈৱকী-নন্দন ৰাম নাৰায়ণ
জগত কাৰণ ৰাম।
সৰ্ব্ব-দেৱ-শিৰো- মণি নাৰায়ণ
সমস্তে সুখৰে ধাম।।৩৬২

মহাপুৰুষ মাধৱদেৱে আৰম্ভ কৰা গুৰু বন্দনাৰ আদৰ্শত তেৰাৰ সমসাময়িক আৰু পৰৱৰ্তী কালতো ভালেমান সন্ত-সাধকে শঙ্কৰদেৱৰ বন্দনা কৰি গৈছে। গুৰুজনাই আৰম্ভ কৰা ধৰ্ম, সাহিত্য আৰু সাংস্কৃতিক আন্দোলনে অসম-কামৰূপ-বেহাৰ এই তিনিৰাজ্যত খলকনি তুলি তিনিৰাজ্যৰ বাহিৰতো স্পৰ্শ কৰিলেগৈ। নৱ-বৈষ্ণৱ ধৰ্ম, সংস্কৃতি, সাহিত্য, তিনি ৰাজ্যৰ 'স্ত্ৰী-শূদ্ৰ' সকলোৰে হৃদয়ৰ ধন হৈ পৰাত ৰাইজৰ হৃদয়ো শঙ্কৰদেৱৰ গুণ-গৰিমাৰে ভৰি পৰিল; সেয়ে উজনি-নামনি, অসমৰ লোক সমাজৰ শিল্পীসকলে গুৰুজনাৰ গুণানুকীৰ্ত্তন কৰা লোক-গীতেৰে সমগ্ৰ অসম প্লাৱিত কৰিলে। সকলোৱে মাধৱদেৱৰ দৰেই উপলব্ধি কৰিলে 'তাহান্ত বিনায়, নাহি নাহি নাহি আমাৰ পৰম গুৰু'।❐

*লেখক ঃ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সঞ্চালক, বিশিষ্ট লেখক;*
*ভ্ৰাম্যভাষঃ 98546-12186*

## ৰাজ্যিক পৰ্যায়ৰ আলোচনা

(১ পৃষ্ঠাৰ পৰা)

দিছিল বুলি উল্লেখ কৰি কয় যে বৰ্তমান সময়তো শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই আই-মাতৃ কল্যাণ সমিতি গঠন কৰি আইসকলক এক নতুন গতি প্ৰদান কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ যোৰহাট জিলা শাখাৰ শঙ্কৰী সঙ্গীত বিদ্যালয়ৰ আইসকলে পৰিৱেশন কৰা বৰগীতৰে আৰম্ভ হোৱা আলোচনা-চক্ৰটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পদাধিকাৰ ৰজনীকান্ত দত্তবাপে কয় যে— "লাও সদায় পাতৰ তল" বা "তিনিও যুগত নাৰী নোহে স্বতন্ত্ৰী" এনে অলেখ অসংখ্য ধাৰণাৰে সমাজত নাৰীৰ স্থান নিম্নৰৰ পৰা নিম্নতৰলৈ গতি কৰিছিল। সামন্ত যুগীয়া নাৰীসকলক এখন পুৰুষতান্ত্ৰিক সমাজত নাৰীসকলক সামাজিকভাৱে কৰা শোষণ, নিপীড়নক গুৰু শঙ্কৰৰ নৱ বৈষ্ণৱ আন্দোলনে এক মুক্তিৰ সন্ধান দিয়াৰ লগতে সামাজিক বৈষম্যতা দূৰ কৰি আনহে নালাগে পৰৱৰ্তী সময়ত ধৰ্মীয় গুৰি ধৰিব পৰা এটা পৰিৱেশ পৰ্যন্ত সৃষ্টি হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনে অসমীয়া নাৰীসকলক সামাজিকভাৱে যিমান ওপৰলৈ আনিলে সেইটো কোনেও কাহানিও কৰিব পৰা নাছিল বুলি পদাধিকাৰবাপে ভাষণত উল্লেখ কৰে। সভাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাবাপে বিশ্ববিদ্যালয়খনিত অন্তৰ্ভুক্ত কৰা পাঠ্যক্ৰমসমূহত পৰৱৰ্তী সময়ত আইসকলৰ বাবে প্ৰয়োজনীয় সুকীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হ'ব বুলি কোৱাৰ লগতে সকলোকে বিশ্ববিদ্যালয়খনি আদৰি ল'বলৈ আহ্বান জনায়। মুখ্য আলোচক হিচাপে ভাষণ প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ড° কৰবী ডেকা হাজৰিকা আইয়ে এক সাৱলীল শ্ৰুতি মধুৰ বক্তৃতা প্ৰদান কৰি গুৰুজনাৰ জীৱনচৰ্যাত বুঢ়ীমাক খেৰসুতীৰ পৰা চিলাৰায় দেৱানলৈ প্ৰভাৱৰ কথা উল্লেখ কৰে। বৰ্তমান অসমীয়া সমাজত আন সকলোতকৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ আই-মাতৃসকলৰ বিচিত্ৰ আঁচনি আদিৰ দ্বাৰা সমাজত আইসকলক প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰে। আন এগৰাকী আলোচক নগাঁও জিলা শাখাৰ মামনি বৰা আইয়েও এক শ্ৰুতিমধুৰ বক্তৃতাৰে উপস্থিত আইসকলক আপ্লুত কৰি তোলে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সভাপতি কৈলাস দাসবাপেও আলোচনা-চক্ৰত বক্তব্য ৰাখে। কেন্দ্ৰীয় শিশু আৰু আই-মাতৃ কল্যাণ শাখাৰ সম্পাদিকা ৰূপা চুতীয়া আইয়ে আঁতধৰা আৰু প্ৰায় ৮ শতাধিক আই-মাতৃ উপস্থিত থকা আলোচনা-চক্ৰটিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰাক্তন প্ৰধান সম্পাদক হৰিপ্ৰসাদ হাজৰিকাবাপ, যুটীয়া সম্পাদক আনন্দ কুমাৰ বৰাবাপ, কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ৰাতুল বৰাবাপ, প্ৰাক্তন সভানেত্ৰী নিৰ্মলা দাসআই, সাহিত্য শাখাৰ সম্পাদক ড° জগত চন্দ্ৰ কলিতা, উপমুখ্য অধিনায়ক বিপ্লৱজ্যোতি বৰাবাপ প্ৰমুখ্যে ভালেকেইগৰাকী মূলৰ সদস্য, শৰণ সদস্য, আই-মাতৃ কল্যাণ সমিতিৰ মাণ্ডলিক উপদেষ্টাসকল আৰু বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে। যোৰহাট জিলা শাখাৰ সভাপতি জীৱেশ্বৰ বৰা আৰু সম্পাদক মুকুল গগৈৰ লগতে জিলা শাখাৰ ভালে কেইজন বিষয়ববীয়া উপস্থিত থাকি অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰি তোলে। যোৰহাট জিলাৰ হোলোংপাৰ প্ৰাথমিক শাখাৰ সঙ্গীসকলে পৰিৱেশন কৰা এটি ঝুমুৰা নৃত্যৰ পিছতে গুৰু বন্দনাৰে আলোচনা চক্ৰভাগিৰ সামৰণি পৰে।❐

# পথ-প্ৰদৰ্শক আত্মা

## (প্ৰয়াত শৰৎ চন্দ্ৰ ডেকা আৰু প্ৰয়াত ৰজনীকান্ত কলিতাৰ পৱিত্ৰ স্মৃতিত একাঁজলি শ্ৰদ্ধাঞ্জলি)

**শৰৎ চন্দ্ৰ ডেকা**

বৈচিত্ৰময় এই জগতৰ সৃষ্টিকৰ্তা পৰমব্ৰহ্ম শক্তিৰ নিৰ্দেশত এই বিশ্বব্ৰহ্মাণ্ডখন এক নিৰন্তৰ গতিৰে চলি আছে। কিন্তু সংসাৰখন তেনে নহয়। মানুহৰ মনোজগতখন নিয়ন্ত্ৰণ কৰাৰো কিছুমান বিধি বা নিয়ম আছে। এই পৃথিৱীখন যেন সকলো মানুহৰ সমস্ত আভ্যন্তৰীণ কাৰ্য-কলাপৰে এক বহিঃনাট্যৰূপ। আমি আটায়ে পাৰস্পৰিকভাৱে ইয়াত সংযোজিত হৈ আছোঁ। এই বিশ্বব্ৰহ্মাণ্ডৰ এটা জীৱক আনটোৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰি। য'তেই অন্ত হয় তাতেই আৰম্ভও হয়। অৰ্থ নোহোৱাকৈ এই জগতখন নিৰন্তৰ প্ৰৱাহমান হৈ থকা নাই। এইখন এখন বৃহৎ নাটক। এই নাটকত আমাৰ প্ৰত্যেকৰে একো একোটা ভাও আছে। মনত আমি সেই বিশ্বাস ৰাখিব লাগিব। এই জীৱজগতখন নানা দুখ-কষ্ট ক্লেশ-বেদনাৰে ভাৰাক্ৰান্ত। তথাপিও জীৱনৰ বহু গুৰু দায়িত্ব আছে। মানুহ সদায় কঠোৰ শ্ৰম আৰু অনুশাসনৰ মাজত থাকিব লাগে। প্ৰয়াত শৰৎ চন্দ্ৰ ডেকা আৰু প্ৰয়াত ৰজনীকান্ত কলিতা এই দুয়োগৰাকী ব্যক্তিৰ জীৱনত আমি দেখিবলৈ পাইছোঁ কঠোৰ শ্ৰম আৰু অনুশাসনৰ ধাৰাবাহিকতা। মোৰ জ্ঞানৰ পৰিধিৰে প্ৰায় ত্ৰিশ (৩০) বছৰে যি জানিছোঁ আৰু বুজিছোঁ তেওঁলোকৰ পৰা আৰু বহুতো শিকিবলগীয়া আছিল। ১৯৭৮ চনৰ পৰা ১৯৮০ চনলৈ এই তিনি বছৰে মই প্ৰয়াত শৰৎ চন্দ্ৰ ডেকাৰ এজন ছাত্ৰ হিচাপে থাকি এজন শিক্ষকৰ পৰা এজন ছাত্ৰই যি পাব লাগে তাৰ কোনো ব্যতিক্ৰম নাছিল। সেই সময়ত তেওঁ শিক্ষকতা কৰা বেতনা হাইস্কুলখন চৰকাৰীকৰণ হোৱা নাছিল। স্কুলখনৰ বাবে সহকৰ্মীসকলৰ লগতে তেওঁ বিশেষ কষ্ট কৰি বিদ্যালয়খন যাতে চৰকাৰীকৰণ কৰিব পাৰে তাৰ বাবে জীৱনৰ বহু সময় কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। ইংৰাজী বিষয়ত তেওঁৰ যথেষ্ট হাত আছিল। ছাত্ৰ-ছাত্ৰী বিচাৰি ঘৰে ঘৰে গৈ সেই বিদ্যালয়ত নাম ভৰ্তি কৰিবলৈ অনুৰোধ কৰিছিল। তেনেদৰে শেষত স্কুলখন চৰকাৰীকৰণ কৰি নিজৰ জীৱিকা নিশ্চিত কৰি প্ৰথমতে সহকাৰী শিক্ষক তাৰ পিছত ২০১০ চনৰ পৰা প্ৰায় দহ মাহ সময় প্ৰধান শিক্ষক


শৰৎ চন্দ্ৰ ডেকা

হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০১১ চনত অৱসৰ গ্ৰহণ কৰে। শিক্ষকতা জীৱনৰ মাজতে গোৰেশ্বৰ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ সকলোৰে প্ৰিয়ভাজন হৈ পৰে। ইয়াৰ মাজতে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লগত তেওঁ বিশেষভাৱে জড়িত হৈ গোৰেশ্বৰ আঞ্চলিক শাখাৰ সম্পাদক, এটা দুবছৰীয়া কাৰ্যকালৰ সভাপতি আৰু পিছলৈ ৰঙিয়া জিলা শাখাৰ জিলা সম্পাদক আৰু মৃত্যুৰ সময়তো 'শ্ৰীমন্ত শঙ্কৰ সঙ্ঘদেৱ সঙ্ঘ' ৰঙিয়া জিলা শাখাৰ সভাপতি পদ অলংকৃত কৰি আছিল। তেওঁ শঙ্কৰদেৱ সঙ্ঘক নিজৰ প্ৰাণতকৈও ভাল পাইছিল। জিলা সম্পাদক হৈ থকা সময়ত আমি সহকাৰী সম্পাদক হিচাপে থাকি তেখেতক যথেষ্ট সহায় কৰিছিলো। দুয়োজনৰ নাম একে হোৱা বাবে আমাৰ নামৰ পৰা চন্দ্ৰ শব্দতো সঙ্ঘৰ ক্ষেত্ৰত উঠাই লৈছিলো। সেই দুটা বছৰে তেওঁৰ পৰা সম্পাদকৰ দায়িত্ব সম্পৰ্কে বহু কথাই শিকিছিলো। তাৰ পিছৰ পৰাই আমিও বিভিন্ন অনুষ্ঠানৰ সম্পাদনাৰ দায়িত্ব লৈ সমাজৰ সেৱা কৰাৰ সুযোগ পাইছোঁ। কিন্তু সময়ৰ আহ্বান, জীৱনৰ সম্পূৰ্ণ সময়ৰ বহু আগতেই সেই প্ৰতিভাক ভগৱানে আমাৰ মাজৰ পৰা লৈ গ'ল। তথাপিও তেওঁলোকৰ কৰ্মৰাজিৰ গুণ-গৰিমাক আমাক হৃদয়ত স্থান দি তেওঁৰ আদৰ্শৰে সমাজ ব্যৱস্থাক সঠিক ৰূপত আগুৱাই নিবলৈ আমি বদ্ধপৰিকৰ। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক। ভগৱানৰ ওচৰত এয়ে আমাৰ প্ৰণিপাত।


ৰজনীকান্ত কলিতা

প্ৰয়াত ৰজনীকান্ত কলিতা, যাক যি কোনো মানুহৰ লগত বিজাব নোৱাৰি। যিজনৰ আছিল এটা দুৰ্দমনীয় মন। ধন-সম্পত্তি বা আন পাৰ্থিৱ বস্তু থকাজনেই মহান ব্যক্তি নহয়। একমাত্ৰ সেইজনেই মহান যিয়ে নিজৰ সৈতেই পৰীক্ষণ কৰে আৰু যি কোনো মূল্যৰ বিনিময়তো সেই ক্ষেত্ৰত আপোচ নকৰে। তেওঁৰ মতে যিটো সত্য বা উচিত সেইটো কৰাৰ বাবে তেওঁ সংকল্পবদ্ধ। পাইথা গোৰাছৰ মতে 'যি নিজকে আদেশ দিব নোৱাৰে বা যাৰ নিজৰ ওপৰত নিয়ন্ত্ৰণ নাই তেওঁ কোনো প্ৰকাৰে স্বতন্ত্ৰ নহয়। কিন্তু প্ৰয়াত ৰজনীকান্ত কলিতা ইয়াৰ ব্যতিক্ৰম আছিল। তেওঁ মনৰ ভিতৰত তেজস্বিতা বা উদ্যম, আত্মা আৰু ঈশ্বৰৰ মাজৰ নিগূঢ় বা ইন্দ্ৰিয়াতীত সম্পৰ্কৰ কথা মন চক্ষুৰে কল্পনা কৰি এক বৃহৎ চিত্ৰ অঙ্কন কৰিছিল। তেওঁ সাংসাৰিক জীৱনতো এটা বৃহৎ চিত্ৰ অঙ্কন কৰিছিল। তেওঁ সাংসাৰিক জীৱনতো এটা বৃহৎ জটিলতাৰে পাৰ কৰিছিল। তেওঁৰ বিবাহৰ আগৰেপৰা পৰিবাৰ (বাইদেউ) ৰুগীয়া আছিল। সেই কথা জানিও তেওঁ বিবাহ কৰাইছিল। তাৰ মাজেৰে সংসাৰ কৰি বহু শ্ৰম আৰু সংগ্ৰামেৰে জীৱন কটাইছিল। নিজে ঘৰৰ চাপ-চিকুণ কৰা, চাহ বনোৱা, ভাত ৰন্ধা, গো-পালন কৰি গাখীৰ বিক্ৰী কৰা আৰু এজন উৎকৃষ্ট কৃষক হিচাপে পৰিচয় দি সমাজৰ এক সফল ব্যক্তি ৰূপে পৰিগণিত হৈছিল। এই সমস্ত ঘৰুৱা কামৰ পৰা কিছু সময় উলিয়াই সমাজৰ বিভিন্ন অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ সমাজৰ এজন ত্ৰাণকৰ্তাৰূপে পৰিচিত আছিল। তেওঁ সমাজৰ যি কোনো জটিল কথাত এক বাস্তৱসন্মত সমাধানৰ বাট মুকলি কৰিবলৈ সক্ষম হৈছিল। এইখিনিতে মোৰ সন্ত কবি তিৰুবল্লুৱৰৰ মহৎ গ্ৰন্থ কুৰলৰ এটা বাণী মনলৈ আহিছে—

ইতুংপইৰ্কী ইতুংপই পটুপ্পৰ ইতুংপইৰ্কু,
ইতুংপই পটা টৰৰ।

অৰ্থাৎ, বিপদ-বিঘিনিৰ সময়ত যিয়ে শান্ত মনেৰে পৰিস্থিতিৰ মুখামুখি হয়, তেনে লোকে মনৰ তাপ দূৰ কৰি প্ৰশান্তি লাভ কৰে। কথাতো একেবাৰে সঁচা, এজন সফল ব্যক্তিক সমস্যাই কোনো দিনে পৰাভূত কৰিব নোৱাৰে। তেওঁলোক পৰিৱেশ পৰিস্থিতিৰ নিয়ন্ত্ৰক হৈ সমস্যাক পৰাভূত কৰে। মোৰ অনুভৱ প্ৰয়াত ৰজনীকান্ত কলিতাও ঠিক এনেকুৱা এজন ব্যক্তিৰ শাৰীতে পৰে। তেওঁৰ জীৱনত বিভিন্ন স্তৰত সমাজৰ এক শ্ৰেণীৰ মানুহৰ পৰা তেখেতে যি সংঘাত পাই বৰ্তমান স্তৰ পাইছেহি তাৰ কাহিনীও বিচিত্ৰময়। এই সংগ্ৰামী সত্তাৰ উদাত্ত অভিব্যক্তিৰে প্ৰয়াত ৰজনীকান্ত কলিতা যেন সমাজ জীৱনৰ চলমান গতি আৰু শক্তিৰ প্ৰতীক। য'তেই সমাজৰ গতি মন্থৰ হৈ পৰিছে তাৰ পৰাই আকৌ আৰম্ভ হৈছে তেওঁৰ জীৱন সংগ্ৰাম। সমাজৰ স্থবিৰতা দেখিলে তেওঁ ৰ'ব নোৱাৰে। তেওঁৰ মতে সময় বৰ মূল্যবান। অলপো সময় নষ্ট নকৰি শ্ৰম আৰু পূৰ্ণ শক্তিৰে নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰে মানুহে কাম কৰি যাব লাগে। এয়ে আছিল তেওঁৰ জীৱনৰ লক্ষ্য। কিন্তু বিধাতাৰ নিয়ম, জন্মিলে মৰিব লাগে। এই কথাকে যেন দুয়ো ভাতৃয়ে নতশিৰে মানি লৈ আমাৰ মাজৰ পৰা গুচি গ'ল। একে দিনাই দুয়োজনে বৈবাহিক জীৱন আৰম্ভ কৰি একে দিনাই দুয়োজনে একে সময়তে মৃত্যুক সাৱতি ল'লে। ই দুজনালৈ আমাৰ ভক্তিভৰা অশ্ৰু অঞ্জলিৰে বিদায় জনালো। পৰমাত্মাই যেন এই পথ-প্ৰদৰ্শক আত্মা দুটিক অকমান ঠাই দিয়ে। এয়ে আমাৰ ঈশ্বৰৰ ওচৰত মিনতি।□

## সঙ্ঘৰ গৌৰৱ ভাৰ্গৱ কাকতি

*(১ পৃষ্ঠাৰ পৰা)*

দ্বিতীয় পুত্ৰ ভাৰ্গৱ কাকতি চতুৰ্থ স্থান লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘলৈ গৌৰৱ কঢ়িয়াই আনিলে। তেওঁ ক্লিৱ দাপ শঙ্কৰদেৱ শিশু নিকেতন, ডিফুৰ ছাত্ৰ। পৰীক্ষাৰ ফলাফলৰ পিছতে ভাৰ্গৱ কাকতিৰ লগত এটি সাক্ষাৎকাৰ—

প্ৰশ্ন ঃ তোমাৰ ফলাফল পোৱাৰ পিছত কেনে লাগিছিল? আশা কৰা মতে হৈছেনে?

ভাৰ্গৱ ঃ আশা কৰা মতে এটা ভাল ফল পোৱাৰ বাবে অতিশয় আনন্দিত হৈছোঁ। পৰীক্ষাৰ পিছত 10ম স্থানৰ ভিতৰত মোৰ স্থান থাকিব বুলি ভাবিছিলো। আশা কৰাতকৈ বেছি ভাল হৈছে।

প্ৰশ্ন ঃ পৰীক্ষাৰ বাবে নিজকে কেনেদৰে প্ৰস্তুত কৰিছিলা? নিজৰ পাঠ্যক্ৰমৰ উপৰি অন্যান্য পাঠ্যক্ৰমৰ সহায় লৈছিলা নেকি?

ভাৰ্গৱ ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাত শীৰ্ষ স্থান পোৱাৰ লক্ষ্যৰে অষ্টম মানৰ পৰা প্ৰস্তুতি চলাইছিলো। দৈনিক ৯ ঘণ্টাকৈ ৰুটিন মতে অধ্যয়ন কৰিছিলো। নিজস্ব পাঠ্যক্ৰম খৰচি মাৰি অধ্যয়ন কৰিছিলো।

প্ৰশ্ন ঃ পৰৱৰ্তী নামভৰ্তিকৰণ আৰু ভৱিষ্যতে কি হোৱাৰ ইচ্ছা আছে?

ভাৰ্গৱ ঃ বৰ্তমান কটন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নামভৰ্তি কৰা হৈছে। মই এজন বিজ্ঞান শাখাৰ প্ৰবক্তা হৈ গ্ৰামাঞ্চলত জ্ঞানৰ পোহৰ দিয়াৰ বাবে ইচ্ছা আছে।

প্ৰশ্ন ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ধৰ্ম, শঙ্কৰী গীত-নৃত্য, সাহিত্য প্ৰচাৰ তথা ভৱিষ্যৎ প্ৰজন্মক গুৰুজনাৰ প্ৰদৰ্শিত পথেৰে আগুৱাবলৈ লোৱা বিভিন্ন কাৰ্যসূচীৰ সম্বন্ধে তোমাৰ মতামত? শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এগৰাকী সঙ্গী হিচাপে তোমাৰ দৈনন্দিন জীৱনত ইয়াৰ প্ৰভাৱ কেনেকুৱা?

ভাৰ্গৱ ঃ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ, সাহিত্য, সংস্কৃতি, প্ৰচাৰ সংৰক্ষণৰ উদ্দেশ্যেৰে গঠিত 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ' শঙ্কৰদেৱৰ ধৰ্মাদৰ্শ, সাহিত্য-সংস্কৃতি, প্ৰচাৰৰ দিশত এতিয়ালৈকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যথেষ্ট আগবাঢ়িছে। বিভিন্ন ধৰ্মালোচনী সভা, পুথি প্ৰকাশ, শঙ্কৰী সঙ্গীত বিদ্যালয়, শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় স্থাপন আদিয়েই প্ৰদান। শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্ঘই গ্ৰহণ কৰা গুৰু পৰিচয়, শিশু সমাৰোহ, যুৱ সমাৰোহ আদিয়ে এজন শিশুক ৫ বছৰ বয়সৰ পৰাই নৈতিকতা আহৰণ কৰাত সহায় কৰিছে। বিশেষকৈ ছাত্ৰৰ সামাজিক দায়বদ্ধতা আৰু আধ্যাত্মিক ধ্যান-ধাৰণা শুদ্ধ ৰূপত প্ৰতিষ্ঠা কৰাত অৰিহণা যোগাইছে। অন্যহাতে সৰুৰেপৰাই শুদ্ধ মানসিকতা গঠনৰ প্ৰস্তুতি চলালেহে বৰ্তমান অৱস্থাত দেখা দিয়া 'যুৱ উশৃঙ্খল' মানসিকতাৰ পৰা হাত সাৰিব পৰা হ'ব। সমাজৰ সকলো স্তৰ শিশু-যুৱ, পুৰুষ-মহিলাসকলো মহাপুৰুষৰ পথেৰে বাট বুলিলেহে এজন শুদ্ধ মানৱ এখন শুদ্ধ ঘৰ, সমাজ তথা জাতি গঠন হ'ব আৰু বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিব। পাঠ্যক্ৰমৰ শিক্ষাত ক'ব নোৱাৰাকৈয়ে যথেষ্ট সহায়ক হৈছে আৰু অনুপ্ৰেৰণাও লাভ কৰিছোঁ।

প্ৰশ্ন ঃ শৈক্ষিক জীৱনত সেৱা-বাহিনীৰ প্ৰাসঙ্গিকতা কি?

ভাৰ্গৱ ঃ ময়ো এজন সেৱা-বাহিনীৰ সেৱক। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এক যুগজয়ী পদক্ষেপ হ'ল 'সেৱাবাহিনী' সেৱাবাহিনীৰ জৰিয়তে শৃঙ্খলাবদ্ধ, নিয়মানুৱৰ্তিতা আৰু সেৱাৰ মনোভাৱ গঢ় দিয়াত সফল হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দ্বাৰা পৰিচালিত অনুষ্ঠানসমূহ বিশেষকৈ বাৰ্ষিক অধিৱেশনসমূহ ইয়াৰ প্ৰমাণ। ২০১১ চনত বকলীয়াঘাতত অনুষ্ঠিত হোৱা ৮০ সংখ্যক মূলৰ অধিৱেশনত প্ৰথম প্ৰাথমিক শাখাৰ পৰা সেৱক হিচাপে অংশগ্ৰহণ কৰিছিলোঁ। নায়কৰ নিৰ্দেশত মোক নামঘৰত ভকতক পানী দিয়াৰ দায়িত্ব অৰ্পণ কৰাত আমি সেই চাৰি দিন নিষ্ঠাসহকাৰে পালন কৰি ভকত সেৱা কৰি ভাল লাগিল। সেই বছৰৰ পৰা মোৰ স্কুলৰ ফলাফল ভাল হ'ব ধৰিলে। মই ভাবো ভকত সমস্তই মোক আশীৰ্বাদ দিয়াৰ বাবে আজি ভৱাতকৈ ভাল ফল পাইছোঁ বুলি মোৰ অনুমান হৈছে। পঢ়াৰ মাজেদি এনে অনুষ্ঠানত যোগ দিয়াত একো ক্ষতি নহয়। তেতিয়াৰ পৰাই মই নিতৌ গুৰুঘৰত প্ৰাৰ্থনা কৰাৰ উপৰিও পিতৃ-মাতৃক ভক্তি কৰি আহিছোঁ সকলোৰে আশীৰ্বাদত মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছোঁ।□

*সাক্ষাৎকাৰ গ্ৰহণ— মাধৱ বৰা,*
*সম্পাদক, কাৰ্বি আংলং জিলা শাখা*

# কৃতিত্ব

**তিতাবৰ ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিখা চুতীয়াই ষ্টাৰসহ (গণিত-৯৪, অসমীয়া-৮৪, ইংৰাজী-৮২, বিজ্ঞান-৮৭) ৮১ শতাংশ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ তিতাবৰ জিলা শাখাৰ নাগাজাংকা বাহনি আঞ্চলিক শাখাৰ নৱজ্যোতি প্ৰাথমিক শাখাৰ সঙ্গী নবীন চুতীয়াবাপ আৰু অঞ্জলি চুতীয়াআইৰ কন্যা।❐



**ৰঙিয়া ঃ** ২০১৪ চনৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষাত কচুবাৰী আদৰ্শ বিদ্যা নিকেতনৰ পৰা অৱতীৰ্ণ হৈ কপিলজ্যোতি শৰণীয়াই ডিষ্টিংকচনসহ (অসমীয়া-৮৬, ইংৰাজী-৯৩, সাধাৰণ বিজ্ঞান-৯৪, সাধাৰণ গণিত-৯৩, সমাজ বিজ্ঞান-৮৪, উচ্চ গণিত-৮১) ৮৮.৫ শতাংশ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৰঙিয়া জিলাৰ অন্তৰ্গত তামুলপুৰ আঞ্চলিক শাখাৰ কচুবাৰী গদাধৰ প্ৰাথমিকৰ বনজিৎ দাস (শৰণীয়া)বাপ আৰু শেৱালী দাস (শৰণীয়া) আইৰ একমাত্ৰ পুত্ৰ।❐



**তিনিচুকীয়া ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ তিনিচুকীয়া জিলা শাখাৰ অন্তৰ্গত পশ্চিম তিনিচুকীয়া প্ৰাথমিক শাখাৰ সঙ্গী শৈলেন্দ্ৰ কুমাৰ গোহাঁইবাপ আৰু মূৰ্চনা গোহাঁই আইৰ একমাত্ৰ পুত্ৰ সব্যসাচী গোহাঁইয়ে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সাধাৰণ গণিতত ১০০ সহ গোটেইকেইটা বিষয়তে লেটাৰ পাই ৯৩.৬৭ শতাংশ নম্বৰ লাভ কৰি প্ৰাথমিকৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।❐

**গহপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, গহপুৰ জিলা শাখাৰ অন্তৰ্গত গহপুৰ আঞ্চলিক শাখা গহপুৰ নগৰ প্ৰাথমিক শাখাৰ একান্ত সঙ্গী গহপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বলীন হাজৰিকা আৰু পূৰ্ণিমা হাজৰিকাৰ সুযোগ্য সন্তান বিকাশ হাজৰিকাই সদ্যঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত ৮৩, ইংৰাজীত ৯৬, বিজ্ঞানত ৯৯, গণিতত ১০০, সমাজ অধ্যয়নত ৯১, উচ্চ গণিত ৯২, মুঠ ৯৩.৫ শতাংশ নম্বৰ পাই সুনাম কঢ়িয়াই আনে।❐



**গহপুৰ ঃ** পঙ্কজ বৰাই সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদৰ পৰীক্ষাত বিজ্ঞান শাখাত গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত ৮৯, অসমীয়াত ৯৪, পদাৰ্থ বিজ্ঞানত ৯৫, গণিতত ৮৯, ৰসায়ন বিজ্ঞানত ৮৭ নম্বৰ পাই জিলাখনলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গহপুৰ জিলা শাখাৰ গহপুৰ নগৰ প্ৰাথমিকৰ ভক্তিপ্ৰাণ সঙ্গী প্ৰবীণ বৰা আৰু জানমণি বৰা আইৰ সুযোগ্য সন্তান। প্ৰাথমিক শাখাই তেওঁক উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।❐



**তেজপুৰ ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত তেজপুৰ জিলাৰ নাগশঙ্কৰ আঞ্চলিকৰ কুসুম্বৰ প্ৰাথমিক শাখাৰ তৃষ্ণা বৰুৱাই অসমীয়া, ইংৰাজী আৰু সাধাৰণ বিজ্ঞান লেটাৰলৈ ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ছাত্ৰীগৰাকী তেজপুৰ জিলাৰ শিক্ষা শাখা সমিতিৰ সভাপতি গোলাপ বৰুৱাবাপৰ জ্যেষ্ঠ কন্যা।❐



**কাৰ্বি আংলং ঃ** ২০১৪ বৰ্ষৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত হাওৰাঘাট শঙ্কৰদেৱ বিদ্যা নিকেতনৰ পৰা জুপিতৰা কাকতিয়ে অসমীয়া, হিন্দী, সমাজ বিজ্ঞান বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কাৰ্বি আংলং জিলাৰ হাওৰাঘাট নগৰ প্ৰাথমিক শাখাৰ সঙ্গী বিজয় কাকতি আৰু বীণা কাকতিৰ দ্বিতীয়া কন্যা।❐



**কাৰ্বি আংলং ঃ** ২০১৪ বৰ্ষৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত হাওৰাঘাট শঙ্কৰদেৱ বিদ্যা নিকেতনৰ পৰা কাব্য দাসে হিন্দী বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। এওঁ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কাৰ্বি আংলং জিলাৰ হাওৰাঘাট নগৰ প্ৰাথমিক শাখাৰ সঙ্গী প্ৰয়াত যোগেন দাস আৰু ধনেশ্বৰী দাসৰ কনিষ্ঠ পুত্ৰ।❐



**বজালী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, বজালী জিলা শাখাৰ বজালী প্ৰাথমিক শাখাৰ সঙ্গী জনাৰ্দন দাসবাপ আৰু মনোমতী দাসআইৰ কন্যা বৰষা দাসে ২০১৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কলা শাখাত অসমীয়া, নৃতত্ব আৰু শিক্ষা বিষয়ত লেটাৰ পাই ৮৩.৪ শতাংশ নম্বৰে ষ্টাৰসহ প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হয়। এওঁৰ সফলতাই প্ৰাথমিক শাখাৰ লগতে বজালী জিলা শাখালৈ সন্মান কঢ়িয়াই আনিছে।❐



**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ লখিমপুৰ জিলা শাখাৰ নাৰায়ণপুৰ আঞ্চলিক শাখাৰ বহুপথাৰ প্ৰাথমিক শাখাৰ ভৱানী শঙ্কৰ বৰাই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত (২০১৪ বৰ্ষ) বিজ্ঞান আৰু হিন্দী লেটাৰ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈ প্ৰাথমিক শাখাটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ বহুপথাৰ প্ৰাথমিক শাখাৰ বহুপথাৰ গাঁৱৰে সঙ্গী সোমেশ্বৰ বৰা আৰু ৰাণু বৰাৰ প্ৰথম পুত্ৰ।❐



**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ লখিমপুৰ জিলা শাখাৰ নাৰায়ণপুৰ আঞ্চলিক শাখাৰ নাৰায়ণপুৰ প্ৰাথমিক শাখাৰ পূজাশ্ৰী বৈশ্যই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছয়টা (অসমীয়া-৮৫, সাধাৰণ বিজ্ঞান-৮২, সাধাৰণ গণিত-৮৪, সমাজ বিজ্ঞান-৮৮, আৰু হিন্দী-৮৫) বিষয়ত লেটাৰ নম্বৰ (মুঠ-৪৯৭) লাভ কৰি প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ প্ৰাথমিক শাখাটিৰ লগতে অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। এওঁ নাৰায়ণপুৰ প্ৰাথমিক শাখাৰ সঙ্গী ভুপেন বৈশ্য আৰু পুষ্পা বৈশ্যৰ দ্বিতীয়া কন্যা।❐



**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ লখিমপুৰ জিলা শাখাৰ নাৰায়ণপুৰ আঞ্চলিক শাখাৰ হৰিচৰণ প্ৰাথমিক শাখাৰ সঙ্গী অনন্ত বৰা আৰু অৱন্তি বৰাআইৰ প্ৰথম পুত্ৰ গীতাৰ্থ বৰাই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত তিনিটা (ইংৰাজী-৮৪, সাধাৰণ বিজ্ঞান-৯২, সাধাৰণ গণিত-৯০) বিষয়ত লেটাৰ নম্বৰ (মুঠ-৪৭৯) নম্বৰ লাভ কৰি প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ প্ৰাথমিক শাখাটিৰ লগতে অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে।❐



**তিতাবৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ তিতাবৰ জিলা শাখাৰ অন্তৰ্গত মাধৱপুৰ প্ৰাথমিক শাখাৰ ৰক্তিমজ্যোতি পাঠকে ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰাগজ্যোতিকা ইংলিছ স্কুল, তিতাবৰৰ পৰা (ইংৰাজী-৮৭, সাধাৰণ বিজ্ঞান-৮৭, সাধাৰণ গণিত-৯৬, সমাজ বিজ্ঞান-৮০, ঐচ্ছিক গণিত-৮১) ষ্টাৰমাৰ্কসহ প্ৰথম বিভাগত ৮৪ শতাংশ নম্বৰ লাভ কৰি প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হয়। এওঁ ৰোমেশ্বৰ পাঠক আৰু মঞ্জু পাঠক আইৰ পুত্ৰ।❐



**গুৱাহাটী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গুৱাহাটী মহানগৰী জিলাৰ অন্তৰ্গত শ্ৰীৰামআতা আঞ্চলিকৰ গোপালআতা প্ৰাথমিক শাখাৰ সঙ্গী সঞ্জীৱ খাটনিয়াৰ আৰু প্ৰতিমা ভড়ালী খাটনিয়াৰৰ একমাত্ৰ কন্যা অঞ্জনা খাটনিয়াৰে সদ্যঘোষিত ২০১৪ বৰ্ষৰ চি.বি.এছ.ই.ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত গুৱাহাটীৰ নুনমাটিৰ চেক্টৰ ৱানৰ আই.অ'.চি.ৰ কেন্দ্ৰীয় বিদ্যালয়ৰপৰা চি.জি.বি.এ ৮.৮ নম্বৰসহ এ গ্ৰেড লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ প্ৰাথমিক শাখালৈ সুনাম কঢ়িয়াই আনে। অঞ্জনাই পঢ়াশুনাৰ সমান্তৰালভাৱে শঙ্কৰী আৰু সত্ৰীয়া নৃত্যৰো শিক্ষাগ্ৰহণ কৰি আছে। তেওঁ অসমৰ বিভিন্ন মঞ্চত নৃত্য প্ৰদৰ্শন কৰাৰ উপৰি ২০০৯ বৰ্ষত পুণেত অখিল ভাৰতীয় সাংস্কৃতিক সংঘৰ দ্বাৰা আয়োজিত অল ইণ্ডিয়া মাল্টি-লিংগুৱেল ড্ৰামা, ডান্স, মিউজিক কনটেষ্ট ফেষ্টত সত্ৰীয়া নৃত্যত প্ৰথম স্থান অধিকাৰ কৰে। ২০১০ বৰ্ষত উৰিষ্যাৰ কটকত থিয়েটাৰ ম'ভমেণ্টে আয়োজন কৰা অল ইণ্ডিয়া মাল্টি লিংগুৱেল ছিল্ড্ৰেনচ/ য়ুথ/ ওমেন প্লে/ ডান্স এণ্ড মিউজিক প্ৰতিযোগিতাত শঙ্কৰী নৃত্যত দ্বিতীয় স্থান অধিকাৰ কৰি ভূয়সী প্ৰশংসা লাভ কৰে।❐



**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ তেজপুৰ জিলা শাখাৰ নাগশঙ্কৰ আঞ্চলিক শাখাৰ ১নং বাৰভুঞা প্ৰাথমিক শাখাৰ অতুল গায়ন আৰু আইমনি গায়নৰ পুত্ৰ কুশল গায়নে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অঙ্ক, ইংৰাজী আৰু সাধাৰণ বিজ্ঞানত লেটাৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে।❐



**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ তেজপুৰ জিলা শাখাৰ জামুগুৰি আঞ্চলিক শাখাৰ অন্তৰ্গত বাকোলা মাজগাঁও প্ৰাথমিক শাখাৰ সঙ্গী মণিকৰ্ণিকা শইকীয়াই সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত ছয়টা বিষয়ত লেটাৰ সহ ৮৪ শতাংশ নম্বৰ লাভ কৰিছে। অসমীয়া-৯১, সাধাৰণ বিজ্ঞান-৮৫, সাধাৰণ গণিত-৮৪, ইংৰাজী-৮০, সমাজ বিজ্ঞান-৮১ আৰু ভূগোলত ৮১। মণিকৰ্ণিকা বাকোলা মাজগাঁৱৰ নিবাসী শিক্ষক কৰুণা শইকীয়া আৰু শিক্ষয়িত্ৰী দুলুমণি শইকীয়াৰ প্ৰথমা কন্যা।❐



**নাহৰলগন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অৰুণাচল জিলা শাখাৰ সংস্কৃতি শাখাৰ সভাপতি চিমান বড়া আৰু বীতু বড়া আইগৰাকীৰ কনিষ্ঠ কন্যা কৰিশ্মা বড়াই ২০১৩-১৪ বৰ্ষৰ দশম শ্ৰেণীৰ পৰীক্ষাত নাহৰলগন কেন্দ্ৰীয় বিদ্যালয়ৰ পৰা 10-CGPA পাই সুখ্যাতিৰে উত্তীৰ্ণ হয়। কৰিশ্মাই অসমৰ বিভিন্ন বিহুমঞ্চত এককভাৱে বৰ বিহুৱতী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বহুতো পুৰস্কাৰ বুটলি অৰুণাচল জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। জিলা শাখাৰ সকলো বাপ-আইয়ে কৰিশ্মা উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে।❐



**বজালী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, বজালী জিলা শাখাৰ শ্ৰীমন্ত প্ৰাথমিক শাখাৰ সঙ্গী অৰুন তালুকদাৰবাপ আৰু সত্যৱতী তালুকদাৰ আইৰ দ্বিতীয় কন্যা মামনী তালুকদাৰআয়ে ২০১২ বৰ্ষৰ বাবে অসম চৰকাৰৰ এলিমেণ্টৰী শিক্ষা বিভাগে আয়োজন কৰা অষ্টম শ্ৰেণীৰ বৃত্তি পৰীক্ষাত অৱতীৰ্ণ হৈ ২০১৪ বৰ্ষত ঘোষণা কৰা ফলাফল মতে বৃত্তি লাভ কৰি শ্ৰীমন্ত প্ৰাথমিক শাখাৰ লগতে বজালী জিলালৈ সন্মান কঢ়িয়াই আনিছে।❐



# কবিতা

## মানুহৰ বাবে

মানুহেই গঢ়ে মানুহৰ বাবে
মানুহৰ সকলো নিয়ম
ক্ষমতাৰ লিপ্সা, অৰ্থৰ দম্ভ
নোপোৱাৰ বেদনা, নেতৃত্বৰ বঞ্চনাত
দেইপুৰি চাটিফুটি মৰে
এই শৰীৰী জীৱন।
অ' মোৰ গুৰুজন
অন্তৰ্যামী সাক্ষীৰূপে
তুমিয়েতো চাই আছা
কোন কোন বাহুবলী
কোন ক'ত ক্ষমতাশালী
কোনে গৰু কাক ঠগে
ভণ্ডামিৰে মুখ ঢাকি।
সৎ মতি দিয়া প্ৰভু,
তোমাৰ বাণীৰে শিকি লও
পাপীক তৰি কেনেকে
পাপক ঘিণাব লাগে।

হৰেন্দ্ৰ ওলেমন

## বাঙ্ময় মূৰ্তি

স্থিৰ মনেৰে
জগতগুৰু শ্ৰীমন্ত শঙ্কৰে
হৃদয়ৰ অষ্টদল পদ্মৰ পৰা বাহিৰ কৰি
সিংহ অংকিত সিংহাসনত
স্থাপন কৰিছিল ঈশ্বৰ কৃষ্ণক।
আজিও অনন্তশয্যা স্বৰূপ থাপনা
য'ত ঈশ্বৰ কৃষ্ণৰ শয়ন মণিকূট
গৰুড়ৰ পখাই যেন—
চৌদিশ জিলিকি থকা গৃহ।
ধৰ্ম অৰ্থ কাম মোক্ষ— এয়ে চাৰিখুটি
য'ত সংলগ্ন হৈ আছে
অনন্ত ফণা স্বৰূপ চন্দ্ৰতাপ।
গুৰু বাক্য
আৱৰণ ভাগৱতৰ।
ভক্তিৰ ৰসেই যেন বেত বাঁহ স্বৰূপ
দুবাৰ দলিত যেন নাৰদৰ বাণীৰ ঝঙ্কাৰ
যুগ যুগ ধৰি
শুদ্ধ আৰু মহাধৰ্মে
জয় বিজয় স্বৰূপে ৰক্ষা কৰি আহিছে
মহাধৰ্মৰ দুৱাৰ।
উদ্ধৱ মৈত্ৰেয় আদি ভক্তসকলৰ দৰে
দিব্যদৃষ্টিয়ে, জ্ঞান চক্ষুৰে
ইয়াতেই লগ পাব—
ঈশ্বৰ কৃষ্ণক।।
কৃষ্ণ অ' হৰি'।
অ' ৰাম।।

কেশৱ নাথ, ফোন ঃ ৮৮২২১৮৮২৫৪

## নন্দ নয়ন

যত শত ভৱময় বৰণ
ঈশ কমল দল নয়ন
ভকত শৰণ জগজন চৰণ
গহন শৰণ মন
মৰণ সময়ত ভয় যত মন
অমৰণত তৱ পদ
জগত কমল উদয়ন
নয়ন চৰণ তৱ ভজন
তৱ চৰণ শৰণ মন
কমল নয়ন বদন।
সব হয় নম জগজন
ঈশ এক জগত কৰণ।

অজন্তা বৰা, ফোন ঃ ৭৩৯৯৫০৯৩৫২

## সঁচা হওক বিশ্ব চৰাচৰ

মোৰ বুকুত সঁচা মাটিৰ গোন্ধৰ গুণগুণনি
সুৰৰ শব্দত গজিছিল এজোপা গছ
গছজোপা পলুৰে কুটি কুটি খালে

চকুত কুঁৱলী
মনৰ চকুৰে নাচালে একোকে নেদেখি
দগ্ধ হৈছোঁ অনুভৱৰ অনুতাপত
আনৰ খোজত খোজ দি
আনৰ কথাৰে কথা কৈ

ৰহস্যৰ ভেদ পাবলৈ
জুই-পানীৰ ওচৰ চাপো
নিৰাবৰণ নিস্পৃহ হৈ যুদ্ধৰ শেষত
নামঘৰত বোটলো পৰি থকা স্বাধীনতাৰ পতাকা

প্ৰকৃতিৰ শুৱলা শব্দত
আৱেগৰ বাহিৰত দেখো
ইটোৱে সিটোৰ মনৰ বুজ লৈছে
হৃদয়ে হৃদয়ৰ কথা পাতিছে
যেন শিশুকাল।

হে পবিত্ৰ জন
লৈ যোৱা মোক সেই জীৱনলৈ
য'ত খং-ৰাগ অতি খন্তেকিয়া
বুকুৰ শলিতা সদায় জ্বলি থকা
মেঘৰ গাজনিৰ বৰষুণৰ পানীৰে
কেঁচা মাটিৰ গোন্ধত
সঁচা হওক বিশ্ব চৰাচৰত।

প্ৰদীপ্তি ডেকা, ফোন ঃ ৯৮৬৪৩-২২৯০৪

## প্ৰতিবাদী কণ্ঠ

প্ৰতিবাদী কণ্ঠ আমাৰ
প্ৰতিখন মুখেৰে নিগৰিত হয়
জানো—
"পৃথিৱীত আটাইতকৈ সহজ কাম
আনক সমালোচনা কৰা,
আটাইতকৈ কঠিন কাম
নিজক সংশোধন কৰা।"
জানো—
'পাপীক প্ৰশ্ৰয় দিওতাজনো সমানেই পাপী'
জানো—
'এগৰাকী শিক্ষক এডাল মমবাতিৰ দৰে
যি নিজে গলি আনক পোহৰ দিয়ে।'
জানো—
'শিক্ষাই মূল উপায়
যি মানুহৰ জীৱনলৈ সুখ আৰু
শান্তিৰ নিজৰা বোৱায়।'
আজিৰ প্ৰাত্যহিকতাত
শিক্ষা-দীক্ষাৰ সৈতে জড়িতসকল
অধঃপাতে গ'ল নেকি
কলুষিত কৰিলে সমাজ
তাতোকৈ ক'ব পাৰি
মানুহে তোমাৰ স্তুতি কৰক বা নিন্দা কৰক
লক্ষ্মী তোমাৰ ওপৰত কৃপালু হওক বা নহওক
তোমাৰ মৃত্যু আজি হওক বা এটা যুগ পিছত হওক
তুমি ন্যায় পথৰ পৰা কেতিয়াও আঁতৰি নাহিবা।

দিলীপ কুমাৰ উজিৰ, ফোন ঃ ৯৮৬৪৪-৯৬০৬৫

## প্ৰকৃতিৰ নিয়ম

বহু যুগৰে পৰা চলি অহা
প্ৰকৃতিৰ নিয়মবোৰ
ভৱিষ্যতলৈও চলি থাকিব
মোৰ আগতেও থকা
মহাজাগতিক নিয়মবোৰ
মই যোৱাৰ পাছতো থাকিব
মহাজাগতিক পৰিক্ৰমাৰ
ক্ষুদ্ৰাতিক্ষুদ্ৰ ক্ষন্তেকিয়া
এটি অস্তিত্ব হিচাপে
প্ৰকৃতিৰ নিয়মৰ মাজেৰে
পাৰ হওক শেষৰ দিনটোলৈকে
মানুহে ভঙা-পতা নিয়মবোৰ
কেৱল মানুহৰ বাবেহে গতিকে
সিবোৰ মানুহৰ লগতে থাকক।

ভৰেন দুৱৰী

## শঙ্কৰ শিৰোমণি

পঞ্চদশ শতিকাত আহিছিলা তুমি
তোমাৰ ধ্যান দৰ্শন আদৰ্শৰে
আলোকিত হৈছিল অসমভূমি।

ভৰা লুইত সাঁতুৰি-নাদুৰি
কৰিলা বহু চাতুৰি
দিলা বুঢ়ী আইক বহু আমনি
এতিয়া তুমি শঙ্কৰ শিৰোমণি।

তুমি বোৱালা নাম অমৃতৰ নদী
শিকালা ঐক্য-সংহতি
উচ্চ-নীচ ভেদাভেদ পৰিহৰি
বান্ধিলা বাগ বৰাৰী।

অন্ধকাৰ আকাশ ভেদি
সানিলা সমন্বয়
আনিলা ভক্তিৰ জোনাক
তাবেই জ্যোতিষ্মান কৰিলা আমাক
তুমি সৰ্বগুণাকৰ জগতৰ গুৰু
ভকতৰ কল্পতৰু...

জ্ঞান শূন্য আতি
আমি মহা মূঢ়মতি
জনাও তোমাক সহস্ৰ প্ৰণতি

সুৰজিৎ ভৰালী, ফোন ঃ ৯৯৫৭৩৯৪২৩৭

## মণিকাঞ্চন

সৰ্ব গুণাকৰ তুমি গুৰু জগতৰ
তোমাৰ তুলনা নাই।
পাপীক উদ্ধাৰিলা জাতিকো তাৰিলা
তোমাৰ সৃষ্টিৰ ভটিমা গায়।।
বৰগীত ৰচিলা ভাওনা কৰিলা
খোল তালৰ অমিয়া মাত।
অনুপম সৃষ্টি তোমাৰ কীৰ্তন-ঘোষা
শ্ৰৱণে হিয়া পৰে শাঁত।।
জাতি জনজাতি একাকাৰ কৰিলা
সমস্তৰে বাবে খোলা দুৱাৰ।
এক দেৱ এক সেৱ একত বিনে নাই কেৱ
মন্ত্ৰৰে দিলা সন্ধান মুক্তি পথৰ।।
শ্ৰীগুৰু শঙ্কৰ কৰুণা সাগৰ
মোক দয়া কৰা একবাৰ।
ভৱ সমুদ্ৰে পৰি তল গৈলো
চৰণে কৰা উদ্ধাৰ।। ◆

মীনা শইকীয়া বৰুৱা

# কৃতী ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন

**কাৰবি আংলং ঃ** ২০১৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত ৪ৰ্থ স্থান লাভ কৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কাৰ্বি আংলং জিলা ডিফু নগৰ প্ৰাথমিক শাখাৰ ভাৰ্গৱ কাকতি আৰু ১০ম স্থান লাভ কৰা হামৰেণ জিলা শাখাৰ পল্লৱ বৰাৰ লগতে কাৰ্বি আংলং জিলাত লেটাৰ, ষ্টাৰ, ডিষ্টিংচন নম্বৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক যোৱা ২৯/৬/২০১৪ তাৰিখে কাৰবি আংলং জিলা শাখাৰ সৌজন্যত হাওৰাঘাটৰ বেলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অভিনন্দন জনোৱা হয়। জিলা শাখাৰ সভাপতি দেৱকান্ত বৰাবাপৰ সভাপতিত্বত অনুষ্ঠিত সভাভাগি উদ্বোধন কৰে জিলা শিক্ষা শাখাৰ সম্পাদক পদকান্ত বৰাবাপে। চা-চিনাকি আৰু আদৰণি পৰ্বৰ আঁত ধৰে জিলা সম্পাদক মাধৱৰ বৰাবাপে। সভাত বকলীয়াঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অতুল শৰ্মা, জিলা উপদেষ্টা নিৰ্মল চন্দ্ৰ হাজৰিকা, লাংহীন শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়ৰ অধ্যক্ষা বিজু বৰা, বেলগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মেঘাই চন্দ্ৰ শইকীয়া আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনত উন্নতি হোৱাকৈ ভাষণ আগবঢ়ায়। অভিভাৱকৰ ফালৰ পৰা ভাৰ্গৱ কাকতিৰ মাতৃ তগৰ কাকতি আইয়ে ছাত্ৰ-ছাত্ৰীসকলৰ ভগৱানৰ ওচৰত ভক্তি, পিতৃ-মাতৃ আৰু জ্যেষ্ঠজনলৈ শ্ৰদ্ধা ৰাখি একাগ্ৰতাৰে ধৈৰ্য্য সহকাৰে অধ্যয়ন কৰিলে নিজৰ লক্ষত উপনিত হ'ব পাৰিব বুলি মন্তব্য আগবঢ়ায়। সভাত আতাই কেইগৰাকী ছাত্ৰ-ছাত্ৰীক একোখন ফুলাম গামোচা, এখন মানপত্ৰ, আৰু এখন গ্ৰন্থৰে অভিনন্দন জনোৱা হয়।

# দিখৌমুখ প্ৰাথমিক শাখাত কবিতা আবৃত্তি কৰ্মশালা

**শিৱসাগৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শিৱসাগৰ জিলা শাখাৰ দিখৌমুখ প্ৰাথমিক শাখাত যোৱা ১০/৭/২০১৪ তাৰিখে এটি কবিতা আবৃত্তি কৰ্মশালা অনুষ্ঠিত হৈ যায়। প্ৰাথমিক শাখাৰ প্ৰায় ৬০জন শিশু-যুৱ আৰু আই-মাতৃয়ে অংশগ্ৰহণ কৰা কৰ্মশালাটিত প্ৰশিক্ষণ প্ৰদান কৰে ডিব্ৰুগড় আকাশবাণীৰ যুৱবাণী অনুষ্ঠানৰ ঘোষক সু আবৃত্তিকাৰ মাধুৰ্য চেতিয়াই। সহযোগী হিচাপে উপস্থিত থাকে পংকজ শইকীয়া। জিলা শাখাৰ শৰণ সদস্য ৰমা সাধনিদাৰবাপে উদ্বোধন কৰা অনুষ্ঠানটিক প্ৰাথমিক শাখাৰ সভাপতি প্ৰবীণ বৰুৱা, সম্পাদক প্ৰণৱ দত্তৰ উপৰি কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ বাপ উপস্থিত থাকে।

# বক্তা আৰু বিবাহ পৰিচালক প্ৰশিক্ষণ কৰ্মশালা

**কাৰবি আংলং ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচাৰ শাখা সমিতিৰ উদ্যোগত যোৱা ২৮/৬/২০১৪ তাৰিখে কাৰবি আংলং জিলাৰ বকলীয়াঘাট আঞ্চলিক শাখাৰ নামঘৰত বক্তা আৰু বিবাহ পৰিচালক প্ৰশিক্ষণ কৰ্মশালাভাগ অনুষ্ঠিত হৈযায়। জিলা সভাপতি শ্ৰীদেৱকান্ত বৰাবাপৰ সঞ্চালনত অনুষ্ঠিত কৰ্মশালা ভাগ উদ্বোধন কৰে মূল সঙ্ঘৰ প্ৰচাৰ সমিতিৰ সম্পাদক যোগেশ লয়িংবাপে। আমন্ত্ৰিত অতিথি আৰু প্ৰশিক্ষাৰ্থী বাপসকলৰ পৰিচয় প্ৰদান আৰু আদৰণি জনায় জিলা সম্পাদক মাধৱ বৰাবাপে। উদ্বোধনী ভাষণত লয়িংবাপে গভীৰ অধ্যয়ন আৰু ত্যাগৰ ওপৰতে গুৰুজনাৰ ধৰ্মাদৰ্শ প্ৰচাৰ-প্ৰসাৰ কৰিব পৰা যাব বুলি উল্লেখ কৰে। মুখ্য প্ৰশিক্ষক হিচাপে মূল সঙ্ঘৰ প্ৰচাৰ শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাবাপে বিবাহ পৰিচালকসকলৰ থাকিবলগা গুণৰ বিষয়ত প্ৰাধান্য দি প্ৰশিক্ষণ প্ৰদান কৰে। জিলা শাখাৰ ৪খন আঞ্চলিক আৰু জিলা শাখাৰ বিষয়ববীয়া মিলি ৫০জন বাপ-আইয়ে প্ৰশিক্ষণ কৰ্মশালাত যোগদান কৰে।

# বিভিন্ন বা-বাতৰি

# মহাপুৰুষ মাধৱদেৱৰ ৫২৬ সংখ্যক জয়ন্তী উদ্‌যাপন

**কাৰবি আংলং ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কাৰবি আংলং জিলা শাখাত যোৱা ১৭ জুন তাৰিখে বকলিয়াঘাটস্থিত জিলা শাখাৰ নামঘৰ প্ৰাঙ্গনত দিনজোৱা কাৰ্যসূচীৰে মহাপুৰুষ মাধৱদেৱৰ ৫২৬ সংখ্যক জন্মোৎসৱভাগিৰ লগত সঙ্গতি ৰাখি বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াবাপৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপন কৰা হয়। ৮.৩০ বজাত পতাকা উত্তোলন কৰে জিলা সভাপতি দেৱকান্ত বৰাবাপে। মহাপুৰুষ মাধৱ বাক্যামৃত পাঠ, খোল প্ৰসঙ্গ, নাম-প্ৰসঙ্গৰ পিছত বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াবাপৰ জন্মশতবৰ্ষ উদ্‌যাপনৰ সভা অনুষ্ঠিত কৰা হয়। জিলা সভাপতি দেৱকান্ত বৰা সভাপতিত্বত অনুষ্ঠিত হোৱা সভাভাগি উদ্বোধন কৰে জিলা উপ-সভাপতি মদন বৰাবাপে। বিশিষ্ট অতিথিৰ ভাষণত নিৰ্মল চন্দ্ৰ হাজৰিকাবাপে মাধৱদেৱৰ ভক্তিধাৰি মহত্ত্ব আৰু তত্ত্বৰ লগতে সোণাৰাম চুতীয়াবাপৰ জীৱন আৰু কৰ্মৰাজিৰ আলোকপাত কৰে। আন দুজন বক্তা জগন্নাথ বৰা আৰু প্ৰফুল্ল পাঠকবাপে সুন্দৰ বক্তৃতা প্ৰদান কৰে। সভাত সন্মানীয় অতিথি চিত্তৰঞ্জন দাস, লাহিৰাম পাটৰ, ডিগম্বৰ হাজৰিকা, শুভৰাম বৰা, নাৰায়ণ শইকীয়া, ধৰ্মকান্ত তালুকদাৰ আদি বাপসৱেও যোগদান কৰে। সন্ধিয়া বন্তী প্ৰজ্বলনেৰে অনুষ্ঠান সামৰণি পৰে।

# মহাপুৰুষ মাধৱদেৱৰ ৫২৬ সংখ্যক জয়ন্তী উদ্‌যাপন

**ঢেকীয়াল ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ঢেকীয়াল আঞ্চলিক শাখাই যোৱা 14, 15 জুনত দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ মাধৱদেৱৰ 526 সংখক জয়ন্তীভাগ শ্ৰীমন্ত প্ৰাথমিক শাখাৰ আতিথ্যত পালন কৰে। প্ৰথম দিনা শিশু, যুৱ আৰু আই-মাতৃসকলৰ মাজত সাহিত্য সংস্কৃতিৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয় দিনাৰ কাৰ্যসূচীত পুৱা 8 বজাত বৃক্ষৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে আদৰণী সমিতিৰ সভাপতি যজ্ঞেশ্বৰ দত্তবাপে আৰু ধৰ্মধ্বজা উত্তোলন কৰে আঞ্চলিক শাখাৰ সভাপতি প্ৰফুল্ল নেওগবাপে। দিনৰ 12 বজাত মুকলি সভা অনুষ্ঠিত হয়। আঞ্চলিক শাখাৰ সম্পাদক পলাশ কুমাৰ বৰাই উদ্বোধন কৰা সভাখনিৰ সভাপতিৰ আসন অলংকৃত কৰে প্ৰফুল্ল নেওগবাপে। মূলসঙ্ঘৰ প্ৰচাৰ শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকাবাপ আৰু শিখামণি বৰাই নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি মহাপুৰুষ মাধৱদেৱৰ লগতে একশৰণ হৰিনাম ধৰ্মৰ বিষয়ে শ্ৰুতি মধুৰ ভাষণ প্ৰদান কৰে। কাৰ্যসূচীৰ মাজতে জগন্নাথ প্ৰাথমিক শাখাৰ অংকুৰ বৰাৰ বৰগীত আৰু নাথগাঁও প্ৰাথমিক শাখাৰ আইসকলে দিহানাম প্ৰদৰ্শন কৰি সভাখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। শ্ৰীমন্ত প্ৰাথমিক শাখাৰ অঞ্জলি বৰুৱা আইৰ প্ৰযোজনা আৰু পৰিচালনাত বৰঅসমৰ সাতভনীৰ নৃত্য প্ৰদৰ্শন কৰে। প্ৰয়াত ডিম্বেশ্বৰ বৰাৰ পৰিয়ালবৰ্গই ভকত-বৈষ্ণৱক আদৰণি জনাই পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথৰ দাঁতিত মুখ্য প্ৰবেশ দ্বাৰত এভাগি তোৰণ আগবঢ়ায়।

# শদিয়াত জাগৰণ সভা

**শদিয়া ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ শদিয়া জিলা শাখাৰ উদ্যোগত ২২ জুন তাৰিখে মুকলি মঞ্চ সভাগৃহত ৩ শতাধিক লোকৰ উপস্থিতিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় সম্পৰ্কে জাগৰণ সভা আৰু সদ্যসমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণে ১১১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। শদিয়া জিলা শাখাৰ সভাপতি ফটিক নেওগবাপৰ সভাপতিত্বত অনুষ্ঠিত সভাত কেইবাগৰাকীও স্থানীয় শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বিশিষ্ট ব্যৱসায়ী, শিক্ষাবিদ, ছাত্ৰসন্থাৰ সভাপতি আৰু গণ্যমান্য প্ৰভাৱশালী ব্যক্তি উপস্থিত থাকে। অসমৰ পূবপ্ৰান্তৰ শেষ সীমাত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা শদিয়া জিলাত অনুষ্ঠিত জাগৰণ সভাখনিত প্ৰধান সম্পাদক বাবুল বৰাবাপে উদ্বোধনী ভাষণত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ২০০৬ চনতে বিশ্ববিদ্যালয় স্থাপন কৰাৰ অভিলাষী আঁচনি গ্ৰহণ কৰি পৰ্যায়ক্ৰমে অসম চৰকাৰে প্ৰণয়ন কৰা অসম ব্যক্তিগত বিশ্ববিদ্যালয় আইন ২০০৭ৰ অধীনত ২০১৩ চনৰ ১৮ জুলাই তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ে আনুষ্ঠানিকভাৱে চৰকাৰী অনুমোদন লাভ কৰাৰ বিস্তৃত বিৱৰণ দাঙি ধৰে আৰু জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে অসমৰ প্ৰতিগৰাকী ব্যক্তিক মহাপুৰুষৰ নামত প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়খনলৈ দান-বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনায়। মুখ্য অতিথিৰ ভাষণত সঙ্ঘৰ সন্মানীয় পদাধিকাৰ তথা বিশ্ববিদ্যালয়ৰ প্ৰথম গৰাকী আচাৰ্য ৰজনীকান্ত দত্তবাপে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাক বিশ্বত প্ৰতিষ্ঠা কৰাৰ উপযুক্ত মাধ্যম হিচাপে গুৰুজনাৰ নামত এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ সঙ্ঘই ২০০৬ চনত সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু আজি ভকত-বান্ধৱ তথা শুভাকাঙ্খীসকলৰ সহযোগত তাৰ বাস্তৱ প্ৰতিফলন ঘটিছে। গতিকে সকলো শ্ৰেণীৰ ৰাইজে নিজৰ বুলি ভাবি বিশ্ববিদ্যালয়খনৰ আন্তঃগাঠনিকে আদি কৰি সকলোতে সক্ৰিয় সহায়-সহযোগিতা কৰিব লাগে বুলি আহ্বান জনায়। আমন্ত্ৰিত অতিথি হিচাবে অংশগ্ৰহণ কৰি যুটীয়া সম্পাদক কুশল ঠাকুৰীয়াই অসমৰ মাটি-পানী-বায়ুৰ লগত সম্পৰ্ক থকা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-শিক্ষা-সংস্কৃতি-আদৰ্শৰে প্ৰতিষ্ঠিত কৰিবলৈ লোৱা অসমৰ এই জাতীয় বিশ্ববিদ্যালয়খন অসম, অসমীয়া তথা সমগ্ৰ বিশ্ববাসীৰ এক গৌৰৱৰ অনুষ্ঠান। সেয়েহে সকলোৱে আন্তৰিকতাৰে দান-বৰঙণি আগবঢ়াব লাগে। আজিৰ পৰা প্ৰতিগৰাকী ব্যক্তিক এই বিশ্ববিদ্যালয়খনৰ বাবে প্ৰতিদিনে এটকাকৈ জমা কৰিবলৈ বিশেষভাৱে আহ্বান জনায়।

শদিয়াৰ বিশিষ্ট ব্যক্তি পৰমেশ্বৰ বৰুৱাই বিশিষ্ট অতিথিৰ আসনৰ পৰা অসমীয়া জাতিৰ বাবে গুৰুজনাৰ অৱদানৰ কথা উল্লেখ কৰি গুৰুজনাৰ নামত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ লোৱা সিদ্ধান্তৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘক ভূয়সী প্ৰসংশা কৰে আৰু সঙ্ঘ এটা সুশৃংখলিত অনুষ্ঠান বুলি অভিহিত কৰে। শদিয়াত বৰ্তমান সোমাই থকাৰ লগতে শদিয়াৰ ৮০% মানুহ এতিয়াও শাক্ত হৈ থকাতো পৰিতাপৰ কথা বুলি বৰুৱাই আক্ষেপ কৰি কয় যে এইখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব। আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পৰীক্ষিত বুঢ়াগোহাঁয়ে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰচেষ্টাক আদৰ্শনীয় বুলি অভিহিত কৰাৰ লগতে সাধ্যানুযায়ী সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ছাত্ৰ সন্থাৰ সভাপতি ডম্বৰুধৰ গগৈদেৱে বিশ্ববিদ্যালয়ত দুখীয়া ছাত্ৰ-ছাত্ৰীক বিশেষ সুবিধা প্ৰদান কৰিবলৈ অনুৰোধ জনায়। সভাত সঙ্ঘৰ আই-মাতৃ কল্যাণ শাখা সমিতিৰ সম্পাদিকা ৰূপা চুতীয়াআয়েও ভাষণ প্ৰদান কৰে। শদিয়া জিলা শাখাৰ সম্পাদক নাথবাপে আঁতধৰা অনুষ্ঠানটিত ১১১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়।

# দৰঙত জাগৰণ সভা

**দৰং ঃ** ২৯ জুন, ২০১৪ তাৰিখে মঙ্গলদৈ জিলা নামঘৰৰ প্ৰাঙ্গণত ২ শতাধিক ভকত-বান্ধৱৰ উপস্থিতিত জিলা সভাপতি তাৰিণী চহৰীয়াবাপৰ সভাপতিত্বত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা অনুষ্ঠিত হয়। জিলা সম্পাদক খগেন ডেকাবাপে আঁতধৰা সভাখনিত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মাননীয় উপ-পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, যুটীয়া সম্পাদক কুশল ঠাকুৰীয়া আৰু পৰিকল্পনা-যোগাযোগৰ সম্পাদক মুনীন্দ্ৰ কুমাৰ দাসবাপ উপস্থিত থাকে। বিশ্ববিদ্যালয়ৰ জাগৰণ সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি যুটীয়া সম্পাদক কুশল ঠাকুৰীয়াবাপে কয় যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই ২০০৬ চনত গুৰুজনাক বিশ্বত প্ৰতিষ্ঠা কৰাৰ লগতে শিক্ষা ক্ষেত্ৰত এক বিশেষ সংযোজন কৰাৰ বাবে বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছিল আৰু বিভিন্ন বাধা-বিঘিনী অতিক্ৰম কৰি ইং ২০১৩ চনৰ ১৮ জুলাই তাৰিখে অসম বিধান সভাৰ গ্ৰীষ্মকালীন অধিৱেশনত বিশ্ববিদ্যালয়খনে আনুষ্ঠানিক চৰকাৰী অনুমোদন লাভ কৰে। ইতিমধ্যে বিভিন্ন প্ৰক্ৰিয়া সমাপন কৰি অহা আগষ্ট ২০১৪ মাহৰ পৰা পাঠদান কৰিব পৰা অৱস্থালৈ উত্তৰণ ঘটিছে। ৩৫৬ কোটি টকাৰে

(১২ পৃষ্ঠাত চাওক)

# সত্যম্ শিৱম্ সুন্দৰম্

**খগেন বৰুৱা**

যুগে যুগে মানৱে 'সত্য শিৱ সুন্দৰ'ৰ সাধনা কৰি আহিছে। যেতিয়ালৈকে সভ্যতাৰ উত্তৰণ ঘটি থাকিব, এই সাধনাও চলি থাকিব। ভাৰতবৰ্ষত অতীজৰ পৰাই মহা মহা ঋষি-মুনি-মনিষীসকলে গোটেই জীৱন ব্যাপি এই সাধনাতে আত্মনিয়োগ কৰি আহিছে আৰু তাৰ ফলস্বৰূপে তেওঁলোকে অতি উচ্চমানৰ নৈতিক আৰু আধ্যাত্মিক জীৱন-যাপন কৰিবলৈ সমৰ্থ হৈছে।

সত্য শিৱ সুন্দৰৰ সাধনাইহে মানৱ জীৱনক মহৎ কৰিব পাৰে। সত্য-শিৱ-সুন্দৰৰ সাধনা অবিহনে মানৱ জীৱন নিষ্ফল। কেৱল মানৱ জীৱন ধন-ঐশ্বৰ্য, ভোগ-বিলাসৰ মাজত ডুবি থাকিলেই জীৱন সফল হৈছে বুলি ক'ব নোৱাৰি, কাৰণ এইবোৰে প্ৰকৃত সুখ দিব নোৱাৰে। প্ৰকৃত সুখ হৃদয়ৰ নিভৃত কোণৰ পৰা নিগৰি আহিব লাগিব। সত্য-শিৱ-সুন্দৰৰ সাধনা মানৱ জীৱনৰ লক্ষ্য হোৱা উচিত। তেতিয়াহে আমি পৃথিৱীখনক নতুনকৈ চাবলৈ, নতুনকৈ গঢ় দিবলৈ সৰ্বতোপৰি মাতৃৰূপে গ্ৰহণ কৰিবলৈ শিকিম আৰু দুষ্কৃতিৰ অৱসান ঘটাই সমাজৰ ৰূপান্তৰ ঘটাব পাৰিম। জ্যোতিপ্ৰসাদে কৈ গৈছে— "ৰূপান্তৰেহে পৃথিৱীখন ধুনীয়া কৰে।" আজিৰ শিক্ষাই মানুহক মানুহ হ'বলৈ শিকোৱা নাই, ই মানুহক যন্ত্ৰততহে পৰিণত কৰিছে। আজিৰ শিক্ষাই মানুহক ধন-সম্পত্তি, ঐশ্বৰ্য-বিভুতি আহৰণ কৰাৰ কৌশলহে শিকাইছে। সেয়েহে মানুহৰ জ্ঞান, প্ৰজ্ঞা সমাজৰ পৰা হেৰাই যাব ধৰিছে। বিশ্ববিদ্যালয়ৰ ডাঙৰ ডাঙৰ ডিগ্ৰীধাৰীলোকো আজি জে'লৰ ভাত খোৱাটো সাধাৰণ কথা হৈ পৰিছে। মন্ত্ৰী, সাংসদ, বিধায়ক, আমোলা বিষয়াৰ কিছুলোকো ৰঙাঘৰৰ আলহি হৈছে। নিম্ন পৰ্যায়ৰ লোকৰ কথা বাদেই, অতি উচ্চস্তৰতো নৈতিক চৰিত্ৰৰ অধঃপতন যে ঘটিছে, এইবোৰ ঘটনাই প্ৰমাণ কৰে। এনে পৰ্যায়ৰ মানুহখিনিৰ নৈতিক অধঃপতনে সকলো শ্ৰেণীৰ মানুহকে দিশহাৰা কৰিছে। বৰ্তমান মানুহে পৰিৱৰ্তন বিচাৰিছে। সত্য-শিৱ-সুন্দৰৰ ৰূপত গঢ়ি উঠা এক জীৱনবোধৰ বাবে মানুহে হাবিয়াস কৰিছে। ইয়াৰ যোগেদিহে মানুহে জীৱনৰ আনন্দ, সুখ-স্বাচ্ছন্দ্য, জীৱনৰ তাৎপৰ্য উপলব্ধি কৰিবলৈ সমৰ্থ হ'ব।

সত্যম্ শিৱম্ সুন্দৰমৰ লক্ষ্য হৈছে মানৱ জীৱনক সকলো দিশতে সৰ্বাঙ্গসুন্দৰ কৰি গঢ়ি তোলা। জীৱনটোক সত্যৰ পথেৰে আগুৱাই নি সমাজৰ হিত সধাই হ'ল সত্য, সতাই ভগৱান আৰু সুন্দৰ। গতিকে প্ৰকৃত মানৱ সমাজৰ উত্তৰণ ঘটাবলৈ হ'লে সত্য-শিৱ-সুন্দৰৰ সাধনা লাগিবই। এইবোৰৰ সাধনাৰ অভাৱত মানুহ আজি পশুতকৈয়ো অধম হৈছে। পশুবোৰেও সুখ-শান্তিৰে বাস কৰিছে। আজি কিন্তু মানৱ সমাজত সুখ-শান্তি নোহোৱা হৈছে। মানুহৰ জীৱনৰ নিৰাপত্তা নাইকিয়া হৈছে। আজি সমাজত হত্যা, লুণ্ঠন, ধৰ্ষণ, নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। এইখন গুৱাহাটীতে দৈনিক নলা-নৰ্দমা খাল-বিলৰ পৰা মানুহৰ মৃতদেহ উদ্ধাৰ হৈয়ে থাকে।

সত্য-শিৱ-সুন্দৰৰ সাধনা কৰাৰ তাৎপৰ্য হৈছে— মানৱীয় গুণবোৰৰ পূৰ্ণ বিকাশ সাধন কৰা। এই মানৱীয় গুণবোৰ হৈছে— সত্য, শৌচ, দয়া, ক্ষমা, পৰোপকাৰ, অহিংসা, আস্তেয় আদি। এই গুণবোৰ যদি সমাজৰ প্ৰত্যেকজনেই আয়ত্ত কৰিবলৈ চেষ্টা কৰে, তেনেহ'লে এখন সমাজ সৰ্বাঙ্গসুন্দৰ হৈ উঠিব, য'ত নাথাকিব হত্যা, লুণ্ঠন, ধৰ্ষণ, চুৰি, ডকাইতি, ধনী-দুখীয়াৰ ভেদভাব, অন্যায়-অনীতি, অত্যাচাৰ-ভ্ৰষ্টাচাৰ আদি। এনে এখন সমাজ গঢ়াটো কঠিন নহ'ব যদি সত্য-শিৱ-সুন্দৰৰ সাধনা মানুহৰ জীৱনৰ ব্ৰত হৈ পৰে আৰু যদি মানুহে কাম, ক্ৰোধ, লোভ, মোহ ত্যাগ কৰিব পাৰে। এনে মানসিক কৃচ্ছ্ৰ সাধনা থাকিলে মানুহে এই মৰততে সৰগ ৰচিব পাৰে। সমাজত এনে ধ্যান-ধাৰণাৰ কচৰৎ কৰিব পাৰিলে শুদ্ধ চিন্তাৰ বিকাশ ঘটাই এখন সমাজ গঢ়ি সুসভ্যতাৰ বিকাশ ঘটাব পাৰি। এখন মুক্ত, বিকাৰহীন সমাজৰ কথা চিন্তা কৰিয়েই আমাৰ জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ আধাৰত সত্য, শুদ্ধ মানৱৰ এখন সমাজ গঢ়িব খুজিছিল। তাৰাৰ জীৱন কালত বহু পৰিমাণে এই ক্ষেত্ৰত সফলো হৈছিল। তাৰাই ধৰ্মৰ বান্ধোনেৰে সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহক একত্ৰিত কৰিছিল আৰু ধৰ্মৰ যোগেদি মানুহৰ আধ্যাত্মিক শক্তিক জাগৰিত কৰি এক ঈশ্বৰ কৃষ্ণৰ উপাসনাত মানুহক নিমজ্জিত কৰিছিল আৰু ইয়াৰ দ্বাৰাই সমাজত এক নৱ জাগৰণৰ সৃষ্টি হৈছিল। গুৰুজনাৰ অসাধাৰণ উদ্ভাৱনা শক্তিৰে সংস্কৃতিৰ পথাৰতো সৃষ্টিৰ ঢল বোৱাইছিল। খোল, মৃদং, তাল, বাদ্য, নৃত্য, ভাওনা আদিৰ প্ৰচলনেৰে অসমীয়া সংস্কৃতিৰ পথাৰখন জিলিকি উঠিছিল। গুৰুজনাই সমাজত উচ্চ-নীচ, ধনী-দুখীয়াৰ পাৰ্থক্য দূৰ কৰি এখন সুস্থ-সৰল সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল, যাৰ প্ৰতিফলন নিম্নউল্লিখিত তাৰাৰ পদটিত প্ৰকাশ পাইছে।

"কিৰাত কছাৰী খাছি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুৱাচ ম্লেছ চাণ্ডাল।।
আনো যত নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।"
— ভাগৱত

আমি গুৰুজনাৰ জীৱন-দৰ্শন কিছুপৰিমাণে হ'লেও অনুসৰণ কৰা হ'লে বৰ্তমান সমাজ অধঃপতিত নহ'লহেঁতেন। তথাকথিত আধুনিক শিক্ষা (বিজ্ঞানক বাদ দি) আৰু বিশ্বায়নৰ চৌৱে আমাক উটি-ভাঁহি লৈ গৈছে, আমি ক'লৈ গৈ আছোঁ আমি নিজেই নাজানো। আমাৰ নিজৰ সংস্কৃতি পাহৰি গৈছোঁ। বাহিৰৰ সংস্কৃতিকহে আপোন কৰি লোৱা দেখা গৈছে। আমাৰ নিজৰ ধৰ্মীয় অনুষ্ঠানতো আমি ধুতিখন নিপিন্ধা হ'লো। টি.ভি.ত দেখিবলৈ পাইছোঁ যে একোটা ঐতিহ্যপূৰ্ণ নামঘৰৰ ৰূপালী জয়ন্তী, হীৰক জয়ন্তীতো ভক্তসকলে ধুতিখন এলাগী কৰি বঙলুৱা সাজ-পাৰ পিন্ধি ধৰ্মীয় অনুষ্ঠান পালন কৰিছে। আমাৰ নৱ প্ৰজন্মই অসমীয়া সাজ-পোছাক পিন্ধাত একেবাৰেই আগ্ৰহী নহয়। এই ধৰণে গতি কৰিলে এটা সময়ত অসমীয়া মানুহৰ সংস্কৃতি, পৰম্পৰা হেৰাই যাব। ব্ৰিটিছে ভাৰতবৰ্ষ দুশ বছৰতকৈয়ো অধিক কাল শাসন কৰিলে। ভাৰতীয় লোকে ব্ৰিটিছৰ ভাল গুণবোৰতকৈ বেয়া গুণবোৰহে বেছিকৈ ল'লে। এই ভাৰতবৰ্ষৰ মানুহৰ চৰিত্ৰ বিচিত্ৰ। মহাবীৰ আলেকজেণ্ডাৰৰ সেনাপতি চেলুউকচে পাৰোতেনো কৈ গৈছে— এই দেশ বিচিত্ৰ, মানুহ বিচিত্ৰ।

বৰ্তমান সমাজৰ ভ্ৰষ্টাচাৰ, অন্যায়-অনীতি দূৰ কৰিবলৈ হ'লে শ্ৰীমন্ত শঙ্কৰদেৱৰ নীতি-আদৰ্শ সাৱোগত কৰি বিজ্ঞান-প্ৰযুক্তি বিদ্যা অৱলম্বন কৰি আমাৰ ভৱিষ্যৎ কাৰ্যপন্থা হাতত ল'ব লাগিব, তেতিয়াহে আমি সময়ৰ লগত খোজ মিলাই আগবাঢ়িব পাৰিম। প্ৰণিধানযোগ্য যে শ্ৰীমন্ত শঙ্কৰদেৱৰ সকলো চিন্তা, কাৰ্যপন্থা, বিজ্ঞানসন্মত আছিল। শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা একশৰণৰ লগত গভীৰ মনস্তত্ত্ব জড়িত হৈ আছে। এটা উদাহৰণ দিলে কথাখিনি স্পষ্ট হ'ব। যেতিয়া প্ৰজাসকলে তেওঁলোকৰ ৰজাৰ ওচৰত শৰণাপন্ন হয়, ৰজাই প্ৰজাৰ সুৰক্ষাৰ সকলো দায়িত্ব লয় আৰু প্ৰজাসকলে নিৰ্ভয় সুখে-শান্তিৰে কাল কটাব পাৰে। সেইদৰে আমি যেতিয়া ভগৱন্ত কৃষ্ণৰ আশ্ৰয় লওঁ অৰ্থাৎ আমি নিজকে ভগৱন্ত কৃষ্ণৰ চৰণত সমৰ্পণ কৰো, তাৰাই আমাক ৰক্ষা কৰাৰ দায়িত্ব নিজেই লয়, আমি ভয়-শংকাৰ পৰা মুক্ত হৈ সুখ-আনন্দত দিন কটাব পাৰো। ইয়াতকৈ আমাক আৰু কি লাগিছে। এই শৰণৰ কথাকে শ্ৰীকৃষ্ণই গীতাত অৰ্জুনক কৈছে—

"সৰ্ব্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যোমুখ্যয়িষ্যামি
মা শুচ।।"

সেই কথাকে গুৰুজনাই ভাগৱতত কৈছে—

"সৰ্ব্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপতে মই কৰিবো নিস্তাৰ।।"

শ্ৰীমন্ত শঙ্কৰদেৱে আধ্যাত্মিক চিন্তা-ভাৱনাৰ সংমিশ্ৰণ ঘটাই সত্য-শিৱ-সুন্দৰৰ সাধনাৰ যোগেদি জীৱন গঢ়াৰ যি পথ আমাক দি গৈছে, সেই পথ অনুসৰণ কৰিলে আমি সকলোৱে সুখে সংসাৰ তৰি যাব পাৰো, ইয়াত কোনো সন্দেহ নাই। বৰ্তমান সমাজ ভোগবাদী হৈছে। তেওঁলোকে সমস্ত জীৱনৰ শক্তি কেৱল ধন-সম্পত্তি আহৰণ কৰাতে ব্যয় কৰিছে। যোৱা ১৫ বছৰত ভাৰতবৰ্ষত ধনীলোকৰ সংখ্যা বাৰ (১২) গুণ বৃদ্ধি পাইছে। প্ৰধান মন্ত্ৰী ড° মনমোহন সিং চৰকাৰৰ উদাৰ নীতি আৰু বিশ্বায়নৰ ফলত ভাৰতত ধনীবোৰ বেছি ধনী হৈছে আৰু দুখীয়াবোৰ বেছি দুখীয়া হৈছে। ইয়াৰ ফলত মানুহৰ মাজত অসমতা, বৈষম্যতা বৃদ্ধি পাইছে। শোষণ, লুণ্ঠন, মূল্য বৃদ্ধি, দুৰ্নীতি আদিয়ে সমাজৰ দুৰ্বল শ্ৰেণীক কোঙা কৰিছে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষত ধনী-দুখীয়াৰ সীমাৰেখাডাল সঙ্কুচিত কৰি যি শোষণহীন, শ্ৰেণীহীন, জাতিভেদৰ সঙ্কীৰ্ণ প্ৰাচীৰ ভেদ কৰি এক সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠাৰ পৰিকল্পনা কৰিছিল, আজিৰ আধুনিক ভাৰতবৰ্ষই গান্ধীজীৰ সেই সপোন বাস্তৱত ৰূপায়ন কৰিব পৰাটো দূৰৰ কথা, গান্ধীজীক সম্পূৰ্ণৰূপে পাহৰি পেলোৱা হ'ল। গান্ধীজীৰ সেই সপোনৰ ৰাজ্য শ্ৰীমন্ত শঙ্কৰদেৱে অসমত পাঁচশ বছৰতকৈয়ো অধিক কালৰ আগতেই প্ৰতিষ্ঠা কৰি থৈ গৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ পথ-নিৰ্দেশনা, চিন্তা-ভাৱনাক বাদ দি আধুনিক শিক্ষাই আমাক মানুহ কৰিব নোৱাৰে। আধুনিক শিক্ষাৰ লগত আধ্যাত্মিক শিক্ষাৰ সংমিশ্ৰণ ঘটাই শিক্ষা-পদ্ধতিৰ আমূল পৰিৱৰ্তন হ'লেহে মানৱীয় গুণবোৰৰ পূৰ্ণ বিকাশ ঘটিব।❐

ফোন ঃ ৯৯৫৪৮-৯০০৬৫

## শোকবাৰ্তা



**শিৱসাগৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, শিৱসাগৰ জিলা শাখাৰ অন্তৰ্গত পৰমানন্দ আঞ্চলিক শাখাৰ জনকল্যাণ প্ৰাথমিক শাখাৰ একান্ত সঙ্গী ললিত শইকীয়াবাপৰ পৰিবাৰ আৰু 659 নং কোৱামৰা সন্দিকৈ সহ-শিক্ষয়িত্ৰী জ্যোতি বৰা শইকীয়া আইগৰাকীৰ 30 মে', 2014 তাৰিখে 46 বছৰ বয়সত স্বাস্থ্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত আইগৰাকীয়ে স্বামী, একমাত্ৰ পুত্ৰৰ লগতে আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়।❐



**নাহৰলগন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অৰুণাচল জিলা শাখাৰ একান্ত সঙ্গী ৰাণা গগৈ বাপজনা যোৱা 27û5û2014 তাৰিখে অজ্ঞাত দুৰ্বৃত্তৰ হাতত অকাল মৃত্যুক আঁকোৱালি লয়। তেখেতৰ জন্ম 1947 চনত ঢকুৱাখনাৰ হিলৈদাৰী গাঁৱত। বাপজনা প্ৰয়াত হোৱাৰ আগমুহূৰ্তলৈকে জিলাধীনায়কৰ দায়িত্বত আছিল। বাপজনাই ইহসংসাৰত পত্নীৰ লগতে এটি 11 বছৰীয়া পুত্ৰৰ লগতে আত্মীয় স্বজনক এৰি থৈ যায়। তেখেতৰ বিয়োগত অৰুণাচল জিলা শাখাৰ সমস্ত বাপ-আইয়ে গভীৰ শোক প্ৰকাশ কৰে।❐

**নাহৰলগন ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অৰুণাচল জিলা শাখাৰ একান্ত সঙ্গী জয়ন্ত শইকীয়া বাপজনা বহুদিনৰ পৰা শাৰিৰীক অসুস্থতাত ভুগি থাকি যোৱা 28 এপ্ৰিল, 2014 তাৰিখে বৈকুণ্ঠগামী হয়। বাপজনাই ইহসংসাৰত আইগৰাকীৰ লগতে এটি পুত্ৰ সন্তান তথা বহুতো গুণমুগ্ধক এৰি থৈ যায়। বাপজনা নিজাঘৰ বিশ্বনাথ চাৰিআলিত আছিল। বাপজনাই চাকৰিসূত্ৰে অৰুণাচলত বসবাস কৰি আছিল। তেখেতৰ বিয়োগত জিলা শাখাৰ সমস্ত বাপ-আইয়ে গভীৰ শোক প্ৰকাশ কৰে।❐



**মৰিগাঁও ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, মৰিগাঁও জিলা শাখাৰ অন্তৰ্গত নিজানন্দ প্ৰাথমিক শাখাৰ একান্ত সঙ্গী তথা 1নং গোনামাৰা গাঁৱৰ নিবাসী পদৰাম মেধি বাপজনা যোৱা 14 জুলাই তাৰিখে স্বাস্থ্যজনিত কাৰণত 73 বছৰ বয়সত বৈকুণ্ঠী হয়। উল্লেখ্য যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৰূপনগৰস্থিত শাখা কাৰ্যালয়, শঙ্কৰী সংস্কৃতি কেন্দ্ৰৰ কৰ্মচাৰী তথা মণিকাঞ্চন বাৰ্তালোচনীৰ ডিটিপি অপাৰেটৰ ৰমেন মেধিবাপৰ পিতৃ প্ৰয়াত বাপজনা নিজানন্দ প্ৰাথমিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু 1নং গোনামাৰা যুৱক সংঘৰ প্ৰতিষ্ঠাপক আছিল। ইয়াৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। বাপজনাৰ মৃত্যুত অঞ্চলবাসীৰ লগতে আঞ্চলিক শাখাই গভীৰ শোক প্ৰকাশ কৰে। মৃত্যু সময়ত বাপজনাই পত্নী, তিনি পুত্ৰ, দুই বোৱাৰী, বিবাহিত তিনি কন্যাৰ লগতে নাতি-নাতিনী ইহসংসাৰত এৰি থৈ যায়।❐



# বিভিন্ন বা-বাতৰি

(১০ পৃষ্ঠাৰ পৰা)

আন্তঃগাঠনি সম্পূৰ্ণ কৰিবলগা বিশ্ববিদ্যালয়ৰ চাৰিটা বিষয়ৰ (অসমীয়া, শিক্ষা বিজ্ঞান, ছ'ছিঅ'ল'জি আৰু কম্পিউটাৰ) পাঠদান সামগ্ৰিকভাৱে সঙ্ঘৰ কলংপাৰস্থিত মূল কাৰ্যালয়ত নিৰ্মাণ কৰা ঘৰতেই আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। উদ্বোধনী ভাষণত ঠাকুৰীয়াবাপে বিশ্ববিদ্যালয়ৰ আন্তঃগাঠনিকে আদি কৰি অন্যান্য ক্ষেত্ৰত হ'বলগীয়া খৰছৰ বাবে সঙ্ঘই ধাৰ্য কৰি দিয়া বৰঙণিসমূহ আদায় (এমাহৰ আয়) দিবলৈ অনুৰোধ জনায়। মুখ্য অতিথিৰ আসনৰ পৰা ভবেন্দ্ৰ নাথ ডেকাবাপে মহাপুৰুষৰ আদৰ্শ জড়িত এই বিশ্ববিদ্যালয়খন আন সকলোবোৰ বিশ্ববিদ্যালয়তকৈ কিছু ব্যতিক্ৰমি চিন্তা-চৰ্চাৰে প্ৰতিষ্ঠা কৰিবলৈ লোৱা হৈছে বুলি প্ৰকাশ কৰি কয় যে অসমৰ কেইবাগৰাকীও বিশিষ্ট শিক্ষাবিদ আৰু দক্ষ ব্যক্তিক বিশ্ববিদ্যালয় পৰিচালনা সমিতিত (Governing Body) ৰখা হৈছে। গতিকে নিশ্চিতভাৱে এখন উচ্চ মানদণ্ডৰ বিশ্ববিদ্যালয় গঢ়ি উঠিব আৰু আমাৰ শিক্ষাৰ্থীসকলে এই বিশ্ববিদ্যালয়তে সকলো সুবিধা পাব। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সঙ্গী বাপ-আই-যুৱক-যুৱতী নিৰ্বিশেষে দৰং জিলাৰ সকলো শ্ৰেণীৰ লোককে জড়িত কৰিবলৈ অনুৰোধ জনায় আৰু বৰঙণি আগবঢ়াবলৈ আহ্বান জনায়। সভাত মুনীন্দ্ৰ কুমাৰ দাসবাপে বক্তব্য প্ৰদান কৰি মুক্তহস্তে দান-বৰঙণি আগবঢ়াবলৈ আহ্বান জনায়। প্ৰসঙ্গত প্ৰতিঘৰ সঙ্গীয়ে প্ৰতিদিনে এটকা জমা ৰাখিবলৈ আহ্বান জনায়। সবাত দুলাল বৰুৱাবাপে ৩০,০০০ টকা আৰু গোবিন্দ ডেকাবাপে এমাহৰ দৰমহা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়াৰ লগতে মূলৰ সদস্য মহেন্দ্ৰ বৈশ্যবাপে ৫০০০.০০ আদায় দিয়ে আৰু কেইবাগৰাকী বাপ-আয়ে প্ৰতিশ্ৰুতি দিয়ে। সভাত মূলৰ সংস্কৃতি শাখাৰ সভাপতি বসুন্ধৰ ডেকাবাপৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ সৈতে প্ৰায় ডেৰ শতাধিকলোক উপস্থিত থাকে।❑

# বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**লখিমপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ লখিমপুৰ জিলা শাখাৰ নাৰায়ণপুৰ আঞ্চলিক শাখাই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আঞ্চলিক শাখাৰ 47টা প্ৰাথমিক শাখাৰ সহযোগত বৃক্ষৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে বহুপথাৰ প্ৰাথমিক শাখাৰ নামঘৰত এখন আলোচনা-চক্ৰ আহ্বান কৰি আঞ্চলিক শাখাৰ সভাপতি দ্ৰোণ দত্তবাপ, উপ-সভাপতি কমলা বৰুৱাবাপ সহ-সম্পাদক দিলীপ শইকীয়াবাপ, প্ৰচাৰ শাখাৰ সম্পাদক অনিল শইকীয়া বাপৰ লগতে প্ৰাথমিক শাখাৰ সভাপতি -সম্পাদক আৰু বহুকেইজন বাপ-আই উপস্থিত থাকি আলোচনা-চক্ৰভাগি সাফল্যমণ্ডিত কৰি তোলে। আলোচনা-চক্ৰৰ অন্তত প্ৰাথমিক শাখাটিৰ নামঘৰৰ চৌহদত প্ৰায় 30টা গছপুলি ৰোপণ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। বৃক্ষ ৰোপণৰ কাৰ্যসূচী ধাৰাবাহিকভাৱে চলি থাকি যোৱা 4জুন তাৰিখে দঙ্গীয়াপাৰ প্ৰাথমিক শাখাৰ নামঘৰৰ পথৰ দাঁতিত প্ৰায় 100টা গছপুলি ৰোপণ আৰু সংৰক্ষণ কৰি বৃক্ষৰোপণ কাৰ্যসূচী সমাপ্তি কৰা হয়। মূল্যবান গছপুলিসমূহ হাৰমতী বন সংমণ্ডল বিষয়াই যোগান ধৰাত আঞ্চলিক শাখাই ধন্যবাদ জ্ঞাপন কৰে।❑

## ৰৌতা প্ৰাথমিক শাখাত

# মাধৱদেৱৰ জয়ন্তী উদ্‌যাপন

**ওদালগুৰি ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, ওদালগুৰি জিলা শাখাৰ অন্তৰ্গত ৰৌতা প্ৰাথমিক শাখাত যোৱা 14 জুন তাৰিখে দিনযোৱা কাৰ্যসূচীৰে মাধৱদেৱৰ জয়ন্তী উদ্‌যাপন কৰে। ৰাতিপুৱা 9 বজাত ৰৌতা প্ৰাথমিক শাখাৰ সভাপতি তৰুণ ডেকাবাপে ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। 9.30 বজাত জ্যেষ্ঠ সঙ্গী মেনাৰাম ৰাভাবাপে নাম-প্ৰসঙ্গ পৰিচালনা কৰাৰ পাছত 10.30 বজাৰ পৰা আইসকলে দিহানাম পৰিৱেশন কৰে। দিনৰ 12.30 বজাত প্ৰাথমিকৰ সভাপতি তৰুণ ডেকাবাপৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনী সভাখনি উদ্বোধন কৰে কনক চন্দ্ৰ ডেকাবাপে। সভাখনিত নিৰ্দিষ্ট বক্তা হিচাপে মূলৰ সদস্য বিৰিঞ্চি কুমাৰ বৰাবাপ আৰু আনন্দ দাসবাপ উপস্থিত থাকে বুলি প্ৰাথমিক শাখাৰ সম্পাদক হীৰেণ ঠাকুৰীয়াবাপে এক বিজ্ঞপ্তিযোগে জনাইছে।❑

# মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ জয়ন্তী উদ্‌যাপন

উদ্‌যাপন ঃ মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ 526 সংখ্যক আবিৰ্ভাৱ মহোৎসৱ ভাগি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ শিৱসাগৰ জিলা শাখাই দুদিনীয়া কাৰ্যসূচীৰে জিলা শাখাৰ অন্তৰ্গত বকতা গোপাল আতা আঞ্চলিক শাখাৰ আতিথ্যত ভক্তিজাগৰণ প্ৰাথমিক শাখাৰ নামঘৰত অনুস্থিত কৰা হয়।

কাৰ্যসূচী অনুসৰি 30 জেঠ 14 জুন শনিবাৰে সন্ধিয়া 6 বজাৰ পৰা নামঘোষা পাঠ আৰু ব্যাখ্যা অনুস্থান অনুস্থিত হয়। অনুস্থানত পৰিচালনা কৰে গোপাল আতা আঞ্চলিক শাখাৰ সভাপতি শ্ৰীযুত ৰুদ্ৰ চোলাধৰা বাপ জনায়। 31 জেঠ 15 জুন দেওবাৰে ধৰ্মধজ উত্তোলন কৰে জিলা সভাপতি শ্ৰীযুত কিৰণ বৰদলৈ বাপ জনায়। 9 বজাৰপৰা ভাগৱত শ্ৰৱণ। 11 বজাৰপৰা ধৰ্মালোচনী সভাখনি জিলা শাখাৰ সভাপতি শ্ৰীযুত কিৰণ বৰদলৈ বাপৰ সভাপতিত্বত অনুস্থিত কৰা হয়। সভাখনি মূলৰ সদস্য শ্ৰীযুত প্ৰহ্লাদ শইকীয়া বাপ জনায় উদ্বোধন কৰে। মুখ্য অতিথিৰূপে উপস্থিত থকা পদাধিকাৰ শ্ৰীযুত ৰজনী কান্ত দত্ত বাপ জনায় মাধৱ মহাপুৰুষৰ বিস্তৃত দিশ সামৰি এটি সুমধুৰ বক্তৃতা প্ৰদান কৰে। লক্ষিমপুৰৰ পৰা নিমন্ত্ৰণ কৰি অনা নিৰ্দিষ্ট বক্তা শ্ৰীযুত চন্দন কোঁৱৰ বাপ জনায় প্ৰদান কৰা বক্তৃতাত উপস্থিত সমূহ ভক্তক ভক্তিৰ সাগৰত বুৰ নিয়াই মধুৰ ৰস আস্বাদনত ব্ৰতী কৰাই মাধৱ মহাপুৰুষজনৰ আবিৰ্ভাৱ মহোৎসৱৰ কাৰ্যসূচী ভাগিক মধুৰতম কৰি তোলে। অনুস্থান তি শিত শিল্পীসকলে পৰিবেশন কৰা বৰগীত কেইতিয়েও উপস্থিত সকলোৰে মন জয় কৰিবলৈ সক্ষম হয়।❑

# শিশু, আই-মাতৃ আৰু যুৱ সমাৰোহৰ

## শঙ্কৰী সঙ্গীত প্ৰতিযোগিতাৰ বিষয়

**(ক) শিশু ঃ**

বৰগীত ঃ আশোৱাৰী, মাহুৰ, ধনশিৰি। সময়- ৪ মিনিট। প্ৰতি জিলাৰ পৰা ১গৰাকী।

নৃত্য ঃ নাদুভঙ্গী (সময়-৭ মিনিট)। প্ৰতি জিলাৰ পৰা এটাকৈ দল।

জ্যোতি সঙ্গীত ঃ "মোৰে জীৱনৰে সখা কৃষ্ণ" গীতটো পৰিৱেশন কৰিব। প্ৰতি জিলাৰ পৰা ১গৰাকী।

**(খ) আই-মাতৃ ঃ**

বৰগীত ঃ আশোৱাৰী, বেলোৱাৰ, মাহুৰ। সময়- ৪ মিনিট। প্ৰতি জিলাৰ পৰা ১গৰাকী।

থিয়নাম আৰু দিহানাম ঃ সময়- ১০ মিনিট। প্ৰতি জিলাৰ এটা দল।

বিয়নাম ঃ কৃষ্ণ সংস্কৃতিৰ লগত সম্পৰ্ক থকা। সময়- ৭ মিনিট। প্ৰতি জিলাৰ পৰা এটা দল।

**(গ) যুৱ ঃ**

বৰগীত ঃ মল্লাৰ, কেডাৰ, ভাটিয়ালী। সময় - ৪ মিনিট। প্ৰতি জিলাৰ পৰা ১গৰাকী।

খোলবাদ্য ঃ ধুমুহি অংশ সম্পূৰ্ণ। সময়- ১০ মিনিট। প্ৰতি জিলাৰ পৰা এটা দল।

নৃত্য ঃ চালি নৃত্যৰ ২মং ৰামদানি। সময়-৭ মিনিট। প্ৰতি জিলাৰ পৰা এটা দল।

গোসাঁই নাচ ঃ সময়-৭ মিনিট। প্ৰতি জিলাৰ পৰা এটা দল।

দিহানাম আৰু থিয়নাম ঃ সময়- ১০ মিনিট। প্ৰতি জিলাৰ পৰা এটা দল)

**নীতি-নিৰ্দেশাৱলী ঃ**

১. যুৱক-যুৱতীসকলৰ বৰগীত প্ৰতিযোগিতাৰ বৰগীতৰ ৰাগহে গাব লাগিব। উচ্চাংগ ৰূপত ৰাগ পৰিৱেশন কৰিব লাগিব।
২. সংশ্লিষ্ট জিলা শাখাই প্ৰতিযোগীসকলৰ নাম-তালিকা ১৫ দিনৰ আগতে মূল-কাৰ্যালয় সংস্কৃতি শাখাৰ ঠিকনাত পঠাৱৰ বাবে অনুৰোধ জনালো।
৩. প্ৰতিযোগিতা চলি থকা সময়ত কোনো নাম-তালিকা জমা লোৱা নহ'ব। এটা প্ৰতিযোগিতা সমাপ্ত ঘোষণা কৰাৰ পাছত সেই বিষয়ত থাকি গ'লে পৰিচালনা সমিতি দায়ী নহয়।
৪. প্ৰতিযোগিতাসকলৰ ক্ৰমিক নং অনুসৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব লাগিব।
৫. প্ৰতিযোগীসকলে বাদক আৰু বাদ্যযন্ত্ৰ আদি লগত লৈ আনিব।
৬. প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা কোনো দলৰ প্ৰতিযোগীয়ে বিনা অনুমতিত বিচাৰকৰ ওচৰলৈ যাব নোৱাৰিব।
৭. প্ৰতিযোগিতাসমূহ সৰ্বাঙ্গসুন্দৰ হোৱাৰ বাবে জিলা শাখাই বিশেষ যত্ন ল'ব।
৮. নৃত্যশিল্পীসকলে সাজপাৰ, ৰূপসজ্জা আদিৰ যত্ন ল'ব।
৯. জিলা শাখাই অনুমোদন জনোৱা শিল্পীসকলকহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুবিধা দিয়া হ'ব।
১০. দিহানাম বা থিয়নামৰ দলত ২০ গৰাকীকৈ নিৰ্ধাৰণ কৰা হৈছে।
১১. নিৰ্ধাৰিত সময়তকৈ সময় বাঢ়ি গ'লে মূল্যায়নৰ পৰা নম্বৰ বিয়োগ কৰা হ'ব।
১২. আইসকলে চেলেং ব্যৱহাৰ কৰিব নালাগে, ই্হা অপৰিহাৰ্য।
১৩. বৰগীত, দিহানাম, থিয়নাম আদি মুখস্থ কৰি আহিব।
১৪. শঙ্কৰী সংগীত পৰীক্ষা পৰিষদৰ তত্ত্বাৱধানত থকা শঙ্কৰী সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতি জিলা শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুবিধা দিব।
১৫. প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ, নৱম শ্ৰেণীৰ পৰা স্নাতকৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব।

# সত্যসন্ধা প্ৰেছ সম্পৰ্কে

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল, জিলা, আঞ্চলিক আৰু প্ৰাথমিক পৰ্যায়ত স্মৃতিগ্ৰন্থ, গ্ৰন্থ প্ৰমুখ্যে ছপা সম্পৰ্কে যথেষ্ট কাৰ্য সম্পাদন কৰা হয়। ভকত বৈষ্ণৱৰ কষ্টোপাৰ্জিত ধনেৰে গুৰুজনাৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে অতদিনে অহোপুৰুষাৰ্থ কৰি থকাসকলো বাপ-বান্ধৱলৈ আমি চিৰকৃতজ্ঞ। তদুপৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল সমিতিয়ে বিভিন্ন শাখা সমিতিক ছপা সম্পৰ্কীয় কামত সকাহ দিয়াৰ বাবে ২৬ এপ্ৰিল, ২০১৪ত গুৱাহাটী ৰূপনগৰস্থিত শঙ্কৰী সংস্কৃতি বিকাশ কেন্দ্ৰত সত্যসন্ধা প্ৰেছ নামেৰে এটি অত্যাধুনিক প্ৰেছৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ৰজনীকান্ত দত্তবাপে শুভ উদ্বোধন কৰে। বৰ্তমান পূৰ্ণ গতিৰে সত্যসন্ধা প্ৰেছৰ কাৰ্য সম্পাদন হৈ আছে। সেয়েহে আমি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সমূহ সঙ্গী বাপ-আই তথা শুভাকাংক্ষীক সত্যসন্ধা প্ৰেছত ছপা সম্পৰ্কীয় কাম কৰি কৃতাৰ্থ ক'বলৈ সেৱা ধৰিলোঁ।❑

**কৃষ্ণকান্ত ডেকা**
সভাপতি
ফোন ঃ ৯৪৩৫১-০৯৬৪৯

**ৰজনী ঠাকুৰীয়া**
সম্পাদক
ফোন ঃ ৯৪০১২-২৭০৮৮

**সত্যসন্ধা প্ৰেছ পৰিচালনা সমিতি**

# পদাধিকাৰৰ কলম

*(5 পৃষ্ঠাৰ পৰা)*

বৰ্ষত বিশ্ববিদ্যালয় পৰিচালনা সমিতিয়ে চাৰিটা বিষয়েৰে বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহ চলাই নিবৰ বাবে যাৱতীয় প্ৰস্তুতি চলাই কামত আগবাঢ়িছে। সমাজতত্ব (Sociology), শিক্ষাতত্ব (Education), অসমীয়া (Assamese), শঙ্কৰদেৱ অধ্যয়ন আৰু গৱেষণা (Sankaradeva Studies and Research) আৰু কম্পিউটাৰ বিজ্ঞান (Computer Science)। এই বিষয়কেইটাৰ বাবে অৰ্হতাসম্পন্ন উপযুক্ত শিক্ষক নিয়োগৰো ব্যৱস্থা কৰা হৈছে। বিশ্ববিদ্যালয়ৰ বাবে প্ৰয়োজনীয় অন্যান্য বিষয়া কৰ্মচাৰীৰো নিয়োগ ইতিমধ্যে কৰা হৈছে। ১ আগষ্ট ২০১৪ তাৰিখৰ পৰাই বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহ আৰম্ভ কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা ইতিমধ্যে সম্পন্ন কৰা হৈছে।

এইখন বিশ্ববিদ্যালয় যদিওবা ব্যক্তিগত খণ্ডত প্ৰতিষ্ঠা কৰা হৈছে বাকীবোৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয়ৰ লগত ইয়াৰ পাৰ্থক্য দেখ্‌দেখ্‌কৈ প্ৰকাশিত হৈ আছে। বাকীসমূহ ব্যক্তিগত বিশ্ববিদ্যালয়ৰ কোনো কোনো ধনী ব্যক্তিৰ অৰ্থ আহৰণৰ উৎসৰূপে জনা যায়। এইসকলে শিক্ষাক ব্যৱসায়ৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰিছে। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয় এক ব্যতিক্ৰম। এইখন বিশ্ববিদ্যালয়ক শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই এক জাতীয় অনুষ্ঠান ৰূপে গঢ় দিবৰ বাবে সকলো প্ৰকাৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই অনুষ্ঠানক বিদ্যায়তনিক মৰ্যাদাৰে পালন পোষণ কৰি সাম্প্ৰতিক কালৰ যুগ সাপেক্ষ শিক্ষাৰ ক্ষেত্ৰলৈ ৰূপান্তৰ কৰাৰ চিন্তা সন্মুখত ৰখা হৈছে। এই বিশ্ববিদ্যালয়ৰ যোগে 'আমাৰ বিদ্যাৰ্থীসকলক মানৱতাবাদৰ মহামূল্যৰে তৈয়াৰ কৰি 'পৃথিৱীখন আমাৰ ঘৰ, আমিবোৰ একোটা পৰিয়াল'— এই ভাৱনাৰে উদ্বুদ্ধ কৰাৰ কথা ভবা হৈছে। জাতীয় জীৱনৰ প্ৰতিটো প্ৰয়োজনীয় বিষয়, প্ৰতিটো প্ৰয়োজনীয় ক্ষেত্ৰৰ উত্তৰণৰ পৰিকল্পনা এই বিশ্ববিদ্যালয়ৰ দ্বাৰা সুন্দৰ ৰূপত সজাই পৰাই তোলাৰ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰা হৈছে।

**এটি আবেদনঃ** বিশ্ববিদ্যালয়ৰ দৰে এটি ব্যয় বহুল অনুষ্ঠান জাতীয় জীৱনৰ সৰ্বতোপ্ৰকাৰ কল্যাণৰ বাবে গঢ় দিয়াৰ বাবে আমাক প্ৰয়োজন।

১। প্ৰতিজন অসমীয়াৰ মানসিক সদ্ভাৱনা।

২। কায়িক, বাচিক আৰু মানসিক সহানুভূতি।

৩। জাতিক ভাল পোৱা প্ৰতিগৰাকী অসম সন্তানৰ আৰ্থিক সহযোগিতা প্ৰতিষ্ঠা কালৰ অভাৱনীয় ব্যয় বহনৰ বাবে প্ৰয়োজনীয় অৰ্থৰ যোগানৰ বাবে সহানুভূতিমূলক দান।

৪। জাতি, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো পক্ষৰ অকৃত্ৰিম সহযোগিতাইহে এনে এটি মহৎ উদ্দেশ্য সাধনত সফলতা আনিব।❐

# কেন্দ্ৰীয় সেৱা বাহিনীৰ উদ্যোগত লেখক শিবিৰ

**গুৱাহাটী ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, কেন্দ্ৰীয় সেৱা বাহিনীৰ উদ্যোগত অহা 19 আৰু 20 জুলাই, 2014 তাৰিখ শনি আৰু ৰবিবাৰে শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটীত লেখক শিবিৰৰ আয়োজন কৰা হৈছে। 19 জুলাই তাৰিখে আবেলি 4 বজাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, সাহিত্য শাখাৰ সম্পাদক ড$^0$ জগত চন্দ্ৰ কলিতাবাপে উদ্বোধন কৰিবলগীয়া দুদিনীয়া লেখক শিবিৰটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব বিশিষ্ট শিক্ষাবিদ তথা মণিকাঞ্চন বাৰ্তালোচনীক সম্পাদক খগেন্দ্ৰনাথ তালুকদাৰবাপ, শঙ্কৰী সংস্কৃতিৰ বিশিষ্ট গৱেষক ড$^0$ সঞ্জীৱ কুমাৰ বৰকাকতি আৰু অধ্যাপক ড$^0$ মিলন নেওগবাপ। উক্ত শিবিৰটোত প্ৰতিখন জিলাৰ পৰা নূন্যতম 5গৰাকীকৈ প্ৰতিভাসম্পন্ন যুৱক-যুৱতীক অংশগ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ আৰু সচিব দীপজ্যোতি চহৰীয়াবাপে বিজ্ঞপ্তি যোগে জনাইছে।❑

# মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱ

**শিৱসাগৰ ঃ** মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ 526 সংখ্যক আবিৰ্ভাব মহোৎসৱ ভাগি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ শিৱসাগৰ জিলা শাখাই দুদিনীয়া কাৰ্যসূচীৰে জিলা শাখাৰ অন্তৰ্গত বকতা গোপাল আতা আঞ্চলিক শাখাৰ আতিথ্যত ভক্তিজাগৰণ প্ৰাথমিক শাখাৰ নামঘৰত অনুস্থিত কৰা হয়।

কাৰ্যসূচী অনুসৰি 30 জেঠ 14 জুন শনিবাৰে সন্ধিয়া 6 বজাৰ পৰা নামঘোষা পাঠ আৰু ব্যাখ্যা অনুস্থান অনুস্থিত হয়। অনুস্থানত পৰিচালনা কৰে গোপাল আতা আঞ্চলিক শাখাৰ সভাপতি শ্ৰীযুত ৰুদ্ৰ চোলাধৰা বাপ জনায়। 31 জেঠ 15 জুন দেওবাৰে ধৰ্মধ্বজা উত্তোলন কৰে জিলা সভাপতি শ্ৰীযুত কিৰণ বৰদলৈ বাপ জনায়। 9 বজাৰপৰা ভাগৱত শ্ৰৱণ। 11 বজাৰপৰা ধৰ্মালোচনী সভাখনি জিলা শাখাৰ সভাপতি শ্ৰীযুত কিৰণ বৰদলৈ বাপৰ সভাপতিত্বত অনুস্থিত কৰা হয়। সভাখনি মূলৰ সদস্য শ্ৰীযুত প্ৰহ্লাদ শইকীয়া বাপ জনায় উদ্বোধন কৰে। মুখ্য অতিথিৰূপে উপস্থিত থকা পদাধিকাৰ শ্ৰীযুত ৰজনী কান্ত দত্ত বাপ জনায় মাধৱ মহাপুৰুষৰ বিস্তৃত দিশ সামৰি এটি সুমধুৰ বক্তৃতা প্ৰদান কৰে। লক্ষিমপুৰৰ পৰা নিমন্ত্ৰণ কৰি অনা নিৰ্দিষ্ট বক্তা শ্ৰীযুত চন্দন কোঁৱৰ বাপ জনায় প্ৰদান কৰা বক্তৃতাত উপস্থিত সমূহ ভক্তক ভক্তিৰ সাগৰত বুৰ নিয়াই মধুৰ ৰস আস্বাদনত ব্ৰতী কৰাই মাধৱ মহাপুৰুষজনৰ আবিৰ্ভাৱ মহোৎসৱ কাৰ্যসূচী ভাগিক মধূৰতম কৰি তোলে। অনুষ্ঠানটিত শিল্পীসকলে পৰিবেশন কৰা বৰগীত কেইটিয়েও উপস্থিত সকলোৰে মন জয় কৰিবলৈ সক্ষম হয়।❐

# ৮৪ সংখ্যক ঢকুৱাখনা বাৰ্ষিক অধিৱেশন বিপনীৰ বাবে যোগাযোগ

**ঢকুৱাখানা ঃ** 2015 চনৰ 5, 6, 7 আৰু 8 ফেব্ৰুৱাৰী (21, 22, 23 আৰু 24 মাঘ, 566 শঙ্কৰাব্দ) তাৰিখে ঢকুৱাখনাৰ নৰহৰি আতা সমন্বয় ক্ষেত্ৰত অনুষ্ঠিতব্য শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 84 সংখ্যক বাৰ্ষিক অধিৱেশনৰ গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী 'বিপনী'সমূহৰ বাবে অগ্ৰিম বন্দৱস্তিৰ দিহা কৰা হৈছে। ইচ্ছুক বিপণনকাৰীসকলক অহা 1 জুলাই, 2014ৰ পৰা 31 আগষ্ট, 2014 তাৰিখৰ ভিতৰত উক্ত বন্দোৱস্তি (চুক্তি) সম্পাদন কৰিবলৈ আহ্বান জনোৱা হৈছে। সবিশেষ জানিবৰ বাবে— সেৱক চন্দ্ৰ চুতীয়া (দূৰভাষ-99570–35545] সভাপতি আৰু সত্যনাৰায়ণ সন্দিকৈ (দূৰভাষ-78969–16800] সম্পাদক, গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী উপ-সমিতিত যোগাযোগ কৰিবলৈ সেৱা ধৰা হ'ল।❐

# শঙ্কৰত পৰে গুৰু

*(5 পৃষ্ঠাৰ পৰা)*

গান্ধীজীয়ে সত্যাগ্ৰহ আন্দোলনৰ সময়ত অসমলৈ আহোতে শঙ্কৰদেৱ সম্পৰ্কে সকলো কথা সম্যকভাৱে জানি বুজি উপলব্ধি কৰি শঙ্কৰদেৱক তেওঁকে লৈ সকলোৰে বৰেণ্য ধৰ্ম গুৰু বুলি স্পষ্ট ঘোষণা দি কৈছে— "অসম সঁচাকৈয়ে বৰ ভাগ্যৱান, কাৰণ যি ধৰ্মক অৱলম্বন কৰি মই ৰামৰ ৰাজ্য কল্পনা কৰিছোঁ, তাতোকৈ সুন্দৰ আৰ্হি আজি বহু বছৰ আগেয়ে শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়াক দি গৈছে। মই কেৱল তাক অনুশীলন কৰিছোঁ। মোৰ নতুনত্ব একো নাই।"

সপ্তমতে বিশ্ববিখ্যাত দাৰ্শনিত পণ্ডিত, মহান শিক্ষক শিক্ষাবিদ আৰু ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি সৰ্বপল্লি ৰাধাকৃষ্ণণে শঙ্কৰদেৱক বিশুদ্ধ কৃষ্ণ ভক্তি প্ৰচলন কৰোঁকতা বৈষ্ণৱ গুৰু বুলি শুদ্ধ সিদ্ধান্ত দিছে— "In Assam Sankardeva was Krishna, denounced idolatry, sacriticial duty and caste stracture of Society." (Forward of Namghosa, by H.M.Das)"

অৰ্থ ঃ বৈষ্ণৱ ধৰ্মৰ ক্ষেত্ৰত অসমত শ্ৰীমন্ত শঙ্কৰদেৱ ঈশ্বৰ প্ৰেৰিত এজন মহাপুৰুষ। সমাজৰ সাম্প্ৰদায়িক গাঁঠনি, হোম, বলিদান আদি ক্ৰিয়াত্মাক কৰ্ম আৰু মূৰ্তি পূজাৰ বিৰুদ্ধে মত প্ৰকাশ কৰি শ্ৰীকৃষ্ণ পূজাৰ প্ৰচলন কৰিছিল।"

অষ্টমতে শ্ৰীমৎস্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীয়ে শঙ্কৰদেৱক বিশ্ববৰেণ্য মহাপুৰুষ বুলি অকপটভাৱে ঘোষণা দি সুদৃঢ় কণ্ঠে কৈছে— "শঙ্কৰদেৱ বিশ্ববৰেণ্য মহাপুৰুষ। তেওঁৰ দৰে মহাপুৰুষ আজি পৰ্যন্ত বিশ্বত আৱিৰ্ভাৱ হোৱা নাই। তেওঁৰ বিশেষ বৈশিষ্ট্য এইখিনিতেই যে মানৱ জাতি, সমাজ, ৰাষ্ট্ৰ বা ব্যক্তিগত জীৱনৰ বাবে প্ৰয়োজনীয় সমস্ত সম্বলকে তেওঁ দান দি গৈছে।"

নৱমতে সন্ত শ্ৰীবিজয় হান্ন পৰিয়াই শঙ্কৰদেৱক যথোচিতভাৱে মূল্যায়ণ কৰিছে এই বুলি— "শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ এজন যুগসিদ্ধ ধৰ্মগুৰু, তেওঁ কেৱল অসমৰে কিয় জগতৰ ধৰ্মগুৰু, সাহিত্যৰ গুৰু, কলা-সংস্কৃতিৰ গুৰু। তেওঁৰ প্ৰৱৰ্তিত ধৰ্মত জগতৰ কল্যাণৰ পথ পৰিস্কাৰ।"

মুঠতে শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত 'একশৰণ হৰিনাম ধৰ্ম'ত কেৱল অসমৰেই নহয়, জগতৰো কল্যাণ আৰু মঙ্গলৰ পথ যে পৰিস্কাৰ, সেই সত্য সম্যকভাৱে উপলব্ধি কৰিলৈহে উপৰিউক্ত সন্তসকলে অকপটভাৱে শঙ্কৰদেৱক মহাপুৰুষ, সৎগুৰু, বৈষ্ণৱ গুৰু পৰমগুৰু, জগৎগুৰু, সাহিত্য গুৰু, কলা-সংস্কৃতিৰ গুৰু বুলি জগতক পৰিচয় কৰি দিছে, সেই সত্য স্বীকাৰ কৰিবই লাগিব। সেয়েহে সত্যদ্ৰষ্টা, সত্য স্বীকাৰ কৰি সত্য প্ৰকাশ কৰোঁতা মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে তাৰাৰ সাহিত্যিক আৰু আধ্যাত্মিক জীৱনৰ কীৰ্তি স্তম্ভ 'নাম-ঘোষা'ৰ এজোকা ঘোষাৰে জগতৰ লোকক শুদ্ধ সত্য বাণী শুনাই গৈছে—

"শ্ৰীমন্তশঙ্কৰে প্ৰকাশিলা গোবিন্দৰ গুণনাম যশ
জগতপ লোকে পৰম আনন্দে গাৱে।
হেনয় শঙ্কৰ গুৰু বিনে কমন কাৰণে আনজনে
লোকৰ মাজত আপুনি গুৰু বোলাৱে।।"৬২৫

এইখিনিতে এই তত্ত্ব কথাটোও বিশেষভাৱে স্মৰ্তব্য যে এই জনা মহাপুৰুষ, সৎগুৰু, পৰমগুৰু, বৈষ্ণৱগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে বৈকুণ্ঠ প্ৰয়াণৰ আগতেই তাৰাৰ প্ৰপন্ন শিষ্য, বড়াৰপো মহাপুৰুষ মাধৱদেৱক কৈছিল—

"শুনিয়ো মাধৱ মোৰ থাকিবাৰ স্থান।
কীৰ্ত্তন দশম মোৰ মূৰ্ত্তিৰ সমান।।
পৰম নিপুণ আতি যিজন হোৱয়।
কীৰ্ত্তনে দশমে মোক দেখিবে নিশ্চয়।।
ঘোষা নামে এক শাস্ত্ৰ তুমিও কৰিবা।
ঘোষা ৰত্নাৱলী মধ্যে তুমিও ৰহিবা।।"

যিহেতু স্বয়ং গুৰুজনাৰ নিজেই কীৰ্ত্তন-দশমক তাৰাৰ বাঙ্ময়ী মূৰ্তি বুলি খাতাং সিদ্ধান্ত দিছে, গতিকে গুৰুজনা আজিও তাৰাৰ বাঙ্ময়ী মূৰ্তি কীৰ্ত্তন-দশমৰ মাজত সৎ জীৱন্ত গুৰুৰূপে কৌটি সূৰ্যসম জিলিকি আছে আৰু অনন্ত কাললৈকে জিলিকি থাকিব।

সেয়েহে গুৰুজনাৰ বাক্যক কায়-বাক্য-মনে সেৱা কৰি তাৰাৰ বাঙ্ময়ী মূৰ্তি কীৰ্ত্তন-দশমৰ মাজত জীৱন্ত গুৰুৰূপে কৌটি সূৰ্চসম জিলিকি থকা, গুৰুজনাৰ কেৱল আৱিৰ্ভাৱ মহোৎসৱভাগহে ভকতসকলে উদ্‌যাপন কৰাটো তথ্য তত্ত্ব যুক্তিনিষ্ঠ যুক্তি হ'ব। আকৌ দ্বিতীয়তে ভগৱন্ত কৃষ্ণদেৱৰ সৎ, ভক্তি পৰায়ণ ভক্তসকলে এই সত্য জানে যে ভগৱন্ত কৃষ্ণদেৱেই হ'ল— মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ। সেয়েহে সৎ, ভক্তি পৰায়ণ ভক্তসকলে ভগৱন্ত কৃষ্ণদেৱৰ কেৱল জন্মাষ্টমীহে মাত্ৰ উদ্‌যাপন কৰাৰ দৰে কৃষ্ণ-শঙ্কৰ গুৰুজনৰো কেৱল আৱিৰ্ভাৱ মহোৎসৱভাগহে মাত্ৰ উদ্‌যাপন কৰি সেই সত্য ৰক্ষা কৰে।❑

# শঙ্কৰদেৱৰ দৰ্শনত

*( ১ পৃষ্ঠাৰ পৰা )*

আৰু ঈশ্বৰৰ পৰা নিজকে পৃথক বুলি গণ্য কৰে। শঙ্কৰদেৱৰ এনে বৰ্ণনাত জীৱজগত, প্ৰকৃতি জগত যে ঈশ্বৰে অংশ অৰ্থাৎ প্ৰকৃতাৰ্থত জীৱ, প্ৰকৃতি আৰু ঈশ্বৰৰ মাজত কোনো ভেদ নাই তাকে প্ৰকাশ পাইছে।

শঙ্কৰদেৱৰ চিন্তাত এইটো স্পষ্ট যে প্ৰকৃতি যদিও জড়, প্ৰকৃততে প্ৰকৃতি তেওঁৰ বাবে অচেতন পদাৰ্থ নহয়। প্ৰকৃতিৰো হৃদয় আছে আৰু প্ৰকৃতিৰো কৃষ্ণ আছে। প্ৰকৃতিৰ এনে সংবেদনশীলতাক শঙ্কৰদেৱে বিভিন্ন ধৰণে প্ৰকাশ কৰিছে। 'ৰাস ক্ৰীড়া'ত কৃষ্ণৰ বংশীধ্বনি শুনি গছ-গছনি, নদ-নদী, চৰাই-চিৰিকটি, জীৱ-জন্তু সকলোৱে আপোন পাহৰা হৈ নচা, আদি বিভিন্ন বৰ্ণনাই প্ৰকৃতিৰ সংবেদনশীলতাৰ পৰিচয় দিছে।

এইদৰে শঙ্কৰদেৱৰ চিন্তাত এইটো স্পষ্টভাৱে প্ৰকাশিত হৈছে যে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো অনু পৰমানুৰ অস্তিত্ব কেৱল নিজৰ বাবেই নহয় আনৰ বাবেও ই অস্তিত্বশীল। জীৱ অজীৱ প্ৰত্যেকটো পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। আত্মা অৰ্থাৎ জীৱ আৰু অজীৱ যদিও বেলেগে বেলেগে প্ৰকাশিত স্বৰূপাৰ্থত ইহঁতৰ মাজত কোনো পাৰ্থক্য নাই। সেয়েহে তেওঁৰ আধ্যাত্মবাদে পৰমসত্তাৰ অংশ হিচাপে আমি সকলোৱে নিজ সত্তাৰ দৰে প্ৰকৃতিৰো তত্ত্বাৱধান আৰু সুৰক্ষা কৰিব লাগে বুলি সকীয়াই দিছে। আমাৰ হিতকাৰী পৰোপকাৰী সকলৰ প্ৰতি আমি সদায়ে দয়াশীল, সহানুভূতিশীল আৰু শুভাকাংক্ষী হ'ব লাগে বুলি শঙ্কৰদেৱে কৈ গৈছে। হিন্দু ধৰ্মৰ পৰম্পৰাত আমি দেখা পাওঁ যে প্ৰকৃতিক 'মাতৃ' হিচাপে জ্ঞান কৰি পূজা কৰি অহা হৈছে। প্ৰকৃতিৰ বিভিন্ন বস্তুত বিভিন্ন দেৱত্ব আৰোপ কৰি পূজা কৰি অহাৰ পৰম্পৰা এতিয়াও আছে। শঙ্কৰদেৱৰ লেখনীতো আমি প্ৰকৃতিৰ বিভিন্ন বস্তু যেনে নদ-নদী, পাহাৰ-পৰ্বত, মাটি, সাগৰ, গছ-গছনি, চৰাই, জীৱ-জন্তু আদিক মানুহে পূজা কৰাৰ উল্লেখ পাওঁ যিটোৱে অতীতৰ আদিমবোৰৰ দৰে দেৱত্ব আৰোপৰ বাবেই অকল নহয়, বৰঞ্চ ইয়াত প্ৰকৃতিয়ে আমাক অকৃপণ দানেৰে জীয়াই ৰাখি পৰিপুষ্টতা দিছে। তাৰ বাবে প্ৰকৃতিৰ মানুহৰ প্ৰেম, শ্ৰদ্ধা, ভালপোৱা আৰু দায়িত্ববোধহে প্ৰকাশিত হৈছে। শঙ্কৰদেৱৰ দশম স্কন্ধ ভাগৱতৰ 'বনভোজ গমন' নামৰ লেখাটিত মানুহৰ স'তে যে অৰণ্য আৰু অৰণ্যৰ জীৱ-জন্তুৰ এটা অতি বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে তাকে বৰ সুন্দৰভাৱে ফুটাই তুলিছে। তেওঁ কৈছে—

"গাৱে গাৱে অসংখ্যাত দামুৰি আগ কৰি।
লৰি গৈলা হাতে শিঙ্গা বেত বাশী ধৰি।।
কৃষ্ণৰ অসংখ্য বৎস তাকো বাটি লই।
চৰাৱৈ বনত ৰঙ্গে আপুনো ক্ৰীড়ই।।
...........................................
হেন ব্ৰহ্মা চক্ষুৰ গোচৰ ভৈল যাৰ।
কতনো বৰ্ণাইবো ভাগ্য ব্ৰজৰ প্ৰজাৰ।।"

পৰিৱেশ প্ৰদূষণ বৰ্তমান কালৰ যি জলন্ত সমস্যা সেই সমস্যাৰ উল্লেখ আৰু সমাধানৰ প্ৰয়াস আমি শঙ্কৰদেৱৰ দৰ্শনত পাওঁ। এই প্ৰদূষণ হৈছে প্ৰকৃতিত বিৰোধ। প্ৰকৃতিত নানা ধৰণেৰে বিশৃঙ্খলতা আহিলে অৰাজকতা আহিলে প্ৰকৃতিত বিৰোধ সৃষ্টি হয় আৰু এই বিৰোধেই প্ৰদূষণ সৃষ্টি কৰে। প্ৰাণীদেহৰ এটা অঙ্গ কাটি পেলালে ৰক্তপাত হৈ দুখ কষ্ট যাতনাৰ উদয় হয়, তেনেদৰে ভগৱান সৃষ্ট জীৱ-অজীৱ জগতৰ মাজত ভেদাভেদ সৃষ্টি কৰি কোনো এক জীৱক দলিয়াই পেলাব খুজিলে তাত আহি পৰে প্ৰকৃতিৰ বিৰোধ। যেনে— গোলকীয় উষ্ণতা বৃদ্ধি আদি। কাৰণ মানুহে জধে মধে গছ-গছনি কটাৰ ফলত অৰণ্যক ধ্বংস কৰি অনাৰ ফলত বৰষুণৰ পৰিমাণ কমি গৈছে, অক্সিজেন কমি এঙাৰ গেছ বৃদ্ধি হৈছে, অ'জন স্তৰত বিন্ধা হৈ ৰঞ্জণ ৰশ্মি অবাধে পৃথিৱীত পৰিছে, ফলত পৃথিৱীত উত্তাপ বাঢ়িছে— মানুহৰ লগতে জীৱজন্তুৰো মাৰাত্মক ৰোগে দেখা দিছে। প্ৰকৃতিৰ সৰ্বত্ৰতে মানুহৰ অবিবেচনাহীন, অবাধ লুণ্ঠন, অৰাজকতা আৰু বিজ্ঞান প্ৰযুক্তিৰ দৌৰাত্ম্যই আজি বায়ুমণ্ডল, ভূমি, সৰ্বত্ৰতে প্ৰদূষণৰ সৃষ্টি কৰিছে। শঙ্কৰদেৱে তেওঁৰ লেখনিত "যত দেখা ভূত প্ৰাণী/ সবে বিষ্ণু হেন জানি/হিংসা এৰি কৰা উপকাৰ।।" আদি আদৰ্শেৰে প্ৰদূষণ ৰোধৰ সমাধান দি থৈ গৈছে। সকলো জীৱৰ উপকাৰ কৰা জীৱমাত্ৰেই নিজ আত্মাৰ দৰে জ্ঞান কৰিব কোৱা তেওঁৰ উৎকৃষ্ট আদৰ্শ; যি আদৰ্শই জীৱ শ্ৰেষ্ঠ মানৱক নিজ আত্মাক নিয়ন্ত্ৰণৰ দ্বাৰা সমগ্ৰ প্ৰকৃতিতে ভাৰসাম্যতা ৰক্ষা কৰিব পাৰে।

শঙ্কৰদেৱে ভাগৱতৰ 'কালিয়দমন' নাটত কিদৰে জলভাগ প্ৰদূষণ মুক্ত কৰি ৰাখিব লাগে তাৰ এটা সুন্দৰ বিৱৰণ দাঙি ধৰিছে এই নাটখনত কৃষ্ণই কিদৰে যমুনা হ্ৰদটো প্ৰদূষণ মুক্ত কৰিছিল তাৰ কাহিনী বৰ্ণনা কৰা হৈছে। বিষাক্ত কালি নামৰ নাগটো বাস কৰা বাবে যমুনা হ্ৰদটোৰ পানীবোৰ বিষাক্ত হৈ পৰিছিল; সেয়েহে যিয়ে এই পানীৰ সংস্পৰ্শলৈ আহিছিল তেওঁৰে মৃত্যু ঘটিছিল। কৃষ্ণই কালি নাগক দমন কৰি হ্ৰদটো বিষাক্ত মুক্ত কৰিছিল। কৃষ্ণই কালি নাগক দমন কৰি নিৰ্জন অৰ্থাৎ দূৰণিৰ ঠাইলৈ পঠাইছিল তাৰ শক্তি বা স্বভাৱৰ কোনো ক্ষতি নকৰাকৈ। এইখিনিতে কালি নাগৰ জীয়াই থকাৰ অধিকাৰ কৃষ্ণই খৰ্ব কৰা নাছিল। গতিকে কৃষ্ণ বিনাশকাৰীৰ পৰিবৰ্তে এজন সাম্যবাদী বা মঙ্গলকাৰক হিচাপে যমুনা হ্ৰদটো প্ৰদূষণ মুক্ত কৰি জীৱৰ বাবে উপযুক্ত কৰিছিল। গতিকে এনে লেখনীত কৃষ্ণক আমি এজন ৰক্ষক হিচাপে পাওঁ, যিজনে পৰিৱেশৰ মাজতো ভাল আৰু বেয়াৰ সমতা ৰক্ষা কৰাৰ ভূমিকা গ্ৰহণ কৰিছে। শঙ্কৰদেৱে লিখিছে—

"সেহি দিন ধৰি হ্ৰদ কৃষ্ণৰ প্ৰসাদে।
ভৈল জল নিৰ্মল অমৃতময় স্বাদে।।"

একশৰণ নামধৰ্মৰ যোগেদি শঙ্কৰদেৱে মূৰ্ত্তি পূজাৰ বিৰোধিতা কৰিছিল। এই মূৰ্ত্তিপূজাৰ বিৰোধিতা অথবা ব্যয়বহুলতা তথা মূৰ্ত্তি আৰু পূজাৰ সামগ্ৰীবোৰ নদী, বিল আদিত বিসৰ্জ্জনৰ দ্বাৰা পানীবোৰ প্ৰদূষিত হোৱাৰ পৰা ৰোধ কৰাৰ উদ্দেশ্যও নিহিত হৈ আছিল নিশ্চয়; যিটো বৰ্তমান যুগত দকৈ ভৱাৰ থল আছে।

সেইদৰে প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ ধাৰণাটোও আমি শঙ্কৰদেৱৰ লেখনীত পাওঁ। কাৰণ দশম স্কন্ধ ভাগৱতৰ 'অৰ্জুন ভঞ্জণ' পৰ্বটিত 'অৰ্জুন গছ' দুজোপা ওভলা ঘটনাটোক ঘৰৰ দুৱাৰমুখতে অৰ্জুন গছৰ দৰে বৃহৎ গছ থকাটো বহুতক্ষেত্ৰত ক্ষতিকাৰক আৰু অপকাৰী বুলি ভাবি সহাৱস্থাৰ সৃষ্টি কাৰণে উভলা কাৰ্য ঘটোৱা বুলি ভবাৰ থল আছে। তাৰোপৰি এজোপা গছৰ প্ৰয়োজনীয়তা সদায়ে আছে যিহেতু গছৰো আত্মা আছে। এনে ধাৰণা মানুহৰ মনত উদয় হয় যেতিয়া মানুহৰ চকুৰ আগত এজোপা গছ বা বৃক্ষ এজন মানুহৰ দৰে জন্মৰ পৰা ডাঙৰ হোৱা দেখা পাই থাকে।

শেষত ক'ব পাৰি শঙ্কৰদেৱে তাহানিতেই প্ৰকৃতিৰ লগত সহাৱস্থান কৰি প্ৰকৃতিৰ বিনন্দীয়া উপাদানবোৰৰ বিশেষ কোনো ক্ষতি নকৰাকৈ মানুহৰ সেৱাত প্ৰকৃতিক ব্যৱহাৰ কৰাৰ আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ আদৰ্শ আমাক দেখুৱাই থৈ গৈছে। ই বৰ্তমান কালৰ প্ৰদূষিত পৰিৱেশক উদ্ধাৰৰ প্ৰসঙ্গত অতিকৈ পাথেয় হ'ব যদিও বৰ্তমান যুগত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ জয়যাত্ৰাই পৰম্পৰাগত নৈতিক শাস্ত্ৰৰ সৈতে সংঘাতৰ সৃষ্টি কৰাতো স্বাভাৱিক। তথাপি শঙ্কৰদেৱৰ এই নৈতিক আদৰ্শ আজিও এই সংঘাতৰ ওপৰত পৰিৱেশ সংৰক্ষণ তথা পৰিৱেশত ভাৰসম্যতা স্থাপনৰ এক সুদৃঢ় ভেটি তাক স্বীকাৰ কৰিব লাগিব। শঙ্কৰদেৱৰ আধ্যাত্মিতাই অৰ্থাৎ পৰমসত্যৰ প্ৰতি থকা উত্তৰণমুখী আদৰ্শই ইয়াকে অহৰহ দেখুৱাই আহিছে যে জীৱজগত আৰু জড়জগত ইটো সিটোৰ পৰা পৃথক নহয়, দুয়ো পৰস্পৰ নিৰ্ভৰশীল; এটাক বাদ দি আনটোৰ অস্তিত্ব নাই, এটাক ধ্বংস কৰিলে আনটোৰ অমঙ্গল ধ্ৰুৱ। সেয়েহে শঙ্কৰদেৱে আমাৰ বাবে সদায়ে দয়াশীল জনৰ প্ৰতি মঙ্গলকামনা কৰি প্ৰাৰ্থনা কৰিবলৈ আত্মিক উত্তৰণৰ পথ নিৰ্দেশনা দি থৈ গৈছে। তেওঁ কৈছে—

"চঞ্চল মেঘৰ ছায়া সমপুত্ৰ পত্নী জায়া
জীৱন যৌৱন ধন জন।
হুইবা সবে এৰা এৰি জানা টাটেকৰ খেৰি
হৰায় যেন জাগিলে সপোন।।
আৰ অৰ্থে আয়ু যায় দুৰ্লভ মনুষ্যকায়
ইসে ভৈল পৰম আসুখ।
কৰা আন আশা ভঙ্গ লৈয়ো ভকতৰ সঙ্গ
হুয়ো জাণ্টে কৃষ্ণক সন্মুখ।।"❐

লেখিকা ঃ
অধ্যাপিকা, ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়
ভ্ৰাম্যভাষ-98640–58489

# কেন্দ্ৰীয় মাধৱ জয়ন্তী

*( ১ পৃষ্ঠাৰ পৰা )*

ভকত বৈষ্ণৱক সম্বোধন কৰি পদাধিকাৰ প্ৰভুৱে মাধৱদেৱৰ দাস্য ভক্তিৰ ৰসত সকলো নিমৰ্জিত হৈ হৰি ভক্তিৰ ৰাজমাৰ্গত গতি কৰিবলৈ আহ্বান জনায়। 10 বজাৰ পৰা হোৱা নাম প্ৰসঙ্গৰ পাছতে— দিনৰ 12 বজাত অনুষ্ঠিত হয়— মুকলি সভাখনি। পদাধিকাৰ ৰজনীকান্ত দত্ত বাপৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনি লক্ষিমপুৰ জিলা শাখাৰ শঙ্কৰী শিল্পীসকলে পৰিবেশন কৰা এটি বৰগীতেৰে শুভাৰম্ভ কৰা হয়। প্ৰধান সম্পাদক বাপে সভাখনি উদ্বোধন কৰি এক উদাত্ত ভাষণ প্ৰদান কৰি কয় যে— শঙ্কৰদেৱৰ পৰা আৰম্ভ কৰি লক্ষীনাথ বেজবৰুৱালৈকে প্ৰতিজন কালজয়ী পুৰুষৰ— জন্মস্থান বিতৰ্কত সোমাই পৰাত কৈ যদি তেখেতলোকৰ জীৱন বীক্ষা, দৰ্শন, গ্ৰহণ কৰিবলৈ প্ৰতিজন অসমীয়াই শিকিলেহেঁতেন, তেনেহ'লে অসমৰ সামাজিক উন্নতিয়ে শিখৰ চুলেহেতেন। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে মৰিগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক শ্ৰীযুত প্ৰদীপ কুমাৰ শইকীয়াদেৱে। ভাষণ প্ৰসঙ্গত মাধৱদেৱ গুৰুজনাৰ লগত কায়াৰ লগত ছাঁয়া বুলি অভিহিত কৰি মাধৱদেৱৰ বৰ্ণময় জীৱনৰ দাস্য ভক্তিৰ অলেখ উদাহৰণেৰে এক মনোগ্ৰাহী আৰু সময়োপযোগী বক্তৃতা প্ৰদান কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে উপপদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকা বাপে কয় যে শ্ৰেষ্ঠ পণ্ডিত মাধৱদেৱে যদি গুৰু শঙ্কৰদেৱক লগ নাপালেহেঁতেন তেন্তে মাধৱদেৱৰ জীৱনেও পূৰ্ণতা নাপালেহেতেন। সকলো ৰচনাতে শঙ্কৰদেৱক জিলিকাই নিহে দাসৰো দাস হোৱাৰ যি নিদৰ্শন দেখুৱাই গ'ল তাৰ শিকনি সমাজৰ প্ৰতিজন ব্যক্তিক অনুধাৱন কৰিবলৈ আহ্বান জনায়।

আন এজন বিশিষ্ট অতিথি- লখিমপুৰ জিলা শাখাৰ সভাপতি শ্ৰীযুত ঘনকান্ত দত্তদেৱেও ভাষণ প্ৰদান কৰে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ঠেঙাল কছাৰি স্বায়ত্ব পৰিষদৰ সদস্য শ্ৰীপ্ৰফুল্ল হাজৰিকাদেৱে ভাষণ প্ৰদান কৰে।

সভাপতিৰ ভাষণত পদাধিকাৰ বাপে এক শ্ৰুতি মধুৰ ভাষণ প্ৰদান কৰি সেৱক মাধৱৰ আৰ্হিৰে জীৱন পৰিচালিত কৰি-শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ নীতি আদৰ্শ প্ৰচাৰ প্ৰসাৰত ব্ৰতী হ'বলৈ আহ্বান জনায়। কেন্দ্ৰীয় সেৱাবাহিনীৰ মুখ্য অধিনায়ক অঞ্জন সাধনিদাৰ, উপমুখ্য অধিনায়ক বিপ্লৱজ্যোতি বৰা, কেঃ শিঃ আঃ কঃ সঃ সম্পাদিকা ৰূপা চুতীয়াআই প্ৰমুখ্যে ভালেকেইজন কেন্দ্ৰীয় বিষয়ববীয়াই উপস্থিত থাকি অনুষ্ঠানভাগি সাফল্যমণ্ডিত কৰি তোলে।❐

# কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ

*( ১ পৃষ্ঠাৰ পৰা )*

আৰু পৰিকল্পনা আৰু যোগাযোগৰ সম্পাদক মুনীন্দ্ৰ কুমাৰ দাসবাপ। প্ৰায় এঘণ্টা সময় ধৰি হোৱা আলোচনাকালত প্ৰধান সম্পাদক বাবুল বৰাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় সম্পৰ্কে বিস্তৃত ব্যাখ্যা দাঙি ধৰে আৰু বিশ্ববিদ্যালয়ৰ আন্তঃগাঠনি সম্পূৰ্ণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা অন্যান্য উৎসৰ জৰিয়তে আৰ্থিক সাহাৰ্য আগবঢ়াবলৈ অনুৰোধ জনায়। বৰাবাপে লগতে উল্লেখ কৰে যে ২০১৪ চনৰ আগষ্ট মাহৰ পৰা বিশ্ববিদ্যালয়ৰ ৪টা বিষয়ৰ পাঠদান আৰম্ভ হ'ব। মাননীয় মন্ত্ৰী সোণোৱালদেৱে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গুৰুজনাৰ নামত স্থাপন কৰিবলৈ লোৱা বিশ্ববিদ্যালয়ৰ আন্তঃগাঠনিকে আদি কৰি সকলো দিশতে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে সেইদিনাই ঢকুৱাখনাত অনুষ্ঠিত হ'বলগীয়া সঙ্ঘৰ ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আদৰণী সমিতিৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি এটি সজাতি দলে মন্ত্ৰী সোণোৱালক সাক্ষাৎ কৰি ঢকুৱাখনাৰ ৰাস্তা-ঘাটকে আদি কৰি সামগ্ৰীক উন্নয়ন আৰু ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশনত তেখেতৰ সক্ৰিয় সহায়-সহযোগিতা কামনা কৰি এখনি স্মাৰক পত্ৰ প্ৰদান কৰে আৰু অধিৱেশনৰ মুকলি সভাত ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীদেৱৰ উপস্থিতি নিশ্চিত কৰিবলৈ সোণোৱালদেৱক বিশেষভাৱে অনুৰোধ জনোৱাত সোণোৱালদেৱে বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে।❐

# সাহিত্য শাখাৰ প্ৰতিযোগিতা (২০১৪ বৰ্ষ) আৰু ইয়াৰ বিষয়বস্তু

**(ক) শিশু শাখা ঃ**

1। অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
কবিতা— পাৰ্বতীপ্ৰসাদ বৰুৱা ৰচিত 'নোবোলো তোক সোণৰ অসম'

2। বক্তৃতা প্ৰতিযোগিতা ঃ বিষয়সমূহ—
**(ক)মাজুলী, (খ) শঙ্কৰদেৱৰ ছাত্ৰকাল**
**(গ) নিজ বিদ্যালয়, (ঘ) লক্ষ্মীনাথ বেজবৰুৱা**

3। ৰচনা প্ৰতিযোগিতা ঃ বিষয়বস্তু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগে আগে ঘোষণা কৰা হ'ব।

4। কুইজ প্ৰতিযোগিতা ঃ
(ক) একশৰণ নামধৰ্ম সম্পৰ্কীয় প্ৰশ্ন
(খ) অমসীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় প্ৰশ্ন
(গ) খেল-ধেমালি আৰু বিজ্ঞান-প্ৰযুক্তি বিষয়ক সাধাৰণ জ্ঞানৰ প্ৰশ্ন
(ঘ) অন্যান্য বিষয়ৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন

**(খ) যুৱ শাখা ঃ**

1।অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
কবিতা— বীৰেশ্বৰ বৰুৱা ৰচিত **'সুন্দৰৰ পাতনি'**

2। বক্তৃতা প্ৰতিযোগিতা ঃ বিষয়বস্তুসমূহ—
**(ক) সোণাৰাম চুতীয়া**
**(খ) মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'**
**(গ) স্বাৱলম্বিতা**
**(ঘ) শঙ্কৰী সংস্কৃতি**

3। ৰচনা প্ৰতিযোগিতা ঃ বিষয়বস্তু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগে আগে ঘোষণা কৰা হ'ব।

৪। কুঁইজ প্ৰতিযোগিতা ঃ
(ক) একশৰণ নামধৰ্ম সম্পৰ্কীয় প্ৰশ্ন
(খ) অমসীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় প্ৰশ্ন
(গ) খেল-ধেমালি আৰু বিজ্ঞান প্ৰযুক্তি বিষয়ক সাধাৰণ জ্ঞানৰ প্ৰশ্ন
(ঘ) অন্যান্য বিষয়ৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন

5। তৰ্ক প্ৰতিযোগিতা ঃ বিষয়— সদনৰ মতে
**"অসমৰ সংস্কৃতি মূলতঃ বৈষ্ণৱ সংস্কৃতি'।**

**(গ) আই-মাতৃ শাখা ঃ**

1।অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ
কবিতা— থানেশ্বৰ হাজৰিকা ৰচিত **'বিহুৱান'**

2।বক্তৃতা প্ৰতিযোগিতা ঃ বিষয়বস্তু—
**(ক) সীতাৰ চৰিত্ৰ (শঙ্কৰদেৱকৃত উত্তৰাকাণ্ডত)**
**(খ) মাধৱদেৱৰ দাস্যভক্তি**
**(গ) কালিন্দী আই**
**(ঘ) শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

3। ৰচনা প্ৰতিযোগিতা ঃ বিষয়বস্তু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ আগে আগে ঘোষণা কৰা হ'ব।

4। কুঁইজ প্ৰতিযোগিতা ঃ
(ক) একশৰণ নামধৰ্ম সম্পৰ্কীয় প্ৰশ্ন
(খ) অমসীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কীয় প্ৰশ্ন
(গ) খেল-ধেমালি আৰু বিজ্ঞান প্ৰযুক্তি বিষয়ক সাধাৰণ জ্ঞানৰ প্ৰশ্ন
(ঘ) অন্যান্য বিষয়ৰ সাধাৰণ জ্ঞানৰ প্ৰশ্ন

5। তৰ্ক প্ৰতিযোগিতা ঃ বিষয়— সদনৰ মতে
**"নাৰীৰ প্ৰধান শত্ৰু নাৰী"**

***১. মে' ২০১৪ তাৰিখে নগাঁৱত অনুষ্ঠিত জিলাসমূহৰ সাহিত্য শাখাৰ সভাপতি-সম্পাদক সম্মিলনত যুৱ শাখাৰ কবিতা আবৃত্তিৰ বাবে কেশৱ মহন্ত ৰচিত 'আঘোনৰ কুঁৱলী' কবিতাটো নিৰ্বাচন কৰা হৈছিল যদিও বিশেষ কাৰণত কবিতটো সলনি কৰা হৈছে।***

## -ঃ নিয়মাৱলী ঃ-

1. কবিতা আবৃত্তিৰ বাবে সকলো শাখাৰ প্ৰতিযোগিৰে কবিতা মুখস্থ থকাটো বাধ্যতামূলক।
2. বক্তৃতা প্ৰতিযোগিতাৰ বিষয়ৰ চাৰিটা মাজৰ পৰা লটাৰীযোগে প্ৰাপ্ত এটা বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰিব লাগিব। বক্তৃতা প্ৰদানৰ সময় ৪ মিনিট।
3. ৰচনা প্ৰতিযোগিতাৰ সময় আধাঘণ্টা
4. তৰ্ক প্ৰতিযোগিতাত এগৰাকী প্ৰতিযোগীয়ে সৰ্বাধিক ৪ মিনিট সময় যুক্তি প্ৰদৰ্শন কৰিব পাৰিব। দুই পক্ষৰ দলপতিক (Mover) অতিৰিক্ত দুই মিনিটকৈ যুক্তি প্ৰদৰ্শন কৰিবলৈ দিয়া হ'ব।
5. প্ৰতিযোগীসকলে কবিতা আবৃত্তিৰ বাহিৰে সকলো প্ৰতিযোগিতাত অসমীয়া, ইংৰাজী অথবা হিন্দী— যিকোনো এটা ভাষাত অংশগ্ৰহণ কৰিব পাৰিব যদিও ভাষা অনুসৰি প্ৰতিযোগিতা বেলেগ বেলেগকৈ অনুষ্ঠিত নহ'ব অথবা প্ৰতিযোগিতাৰ বিষয়বস্তুও বেলেগ বেলেগ নহ'ব।
6. প্ৰত্যেক জিলা শাখাই নিজ নিজ জিলাত প্ৰতিযোগিতা আয়োজন কৰি প্ৰতিটো শাখাৰ প্ৰতিটো প্ৰতিযোগিতাৰ পৰা দুগৰাকীকৈ প্ৰতিযোগী নিৰ্বাচন কৰি মূল পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে প্ৰেৰণ কৰিব লাগিব। কুইজ প্ৰতিযোগিতাৰ ক্ষেত্ৰত দুজনীয়া এটি দল নিৰ্বাচন কৰি পঠিয়াব। তৰ্ক প্ৰতিযোগিতাৰ ক্ষেত্ৰত প্ৰতিযোগী দুগৰাকীৰ এগৰাকী সদনৰ সপক্ষে এগৰাকী বিপক্ষে যুক্তি প্ৰদৰ্শন কৰা হ'ব লাগিব। জিলা শাখাত আয়োজিত প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ দিয়া সম্পৰ্কীয় সিদ্ধান্ত জিলা শাখাই গ্ৰহণ কৰিব।
7. মূল পৰ্যায়ত প্ৰতিটো প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীক/ প্ৰতিযোগী দলক পুৰস্কাৰ প্ৰদান কৰা হ'ব।
8. শিশু শাখাৰ প্ৰতিযোগিতাত অষ্টম শ্ৰেণী বা তাতকৈ তলৰ শ্ৰেণীত পঢ়া ছাত্ৰ-ছাত্ৰীয়েহে যোগদান কৰিব পাৰিব। অষ্টম শ্ৰেণীৰ ওপৰৰ কোনো ছাত্ৰ-ছাত্ৰীক শিশু শাখাৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ দিয়া নহ'ব।
9. জিলা আৰু মূল পৰ্যায়ত প্ৰতিযোগিতাৰ বিষয়বস্তু আৰু নিয়মাৱলী একে হ'ব।
10. প্ৰতিযোগী নিৰ্বাচনৰ ক্ষেত্ৰত গ্ৰেড নম্বৰ ব্যৱহাৰ কৰা নহ'ব।

## নোবোলোঁ তোক সোণৰ অসম

**পাৰ্বতিপ্ৰসাদ বৰুৱা**

নোবোলোঁ তোক সোণৰ অসম
মাটিৰ অসম আই;
সোণতকৈয়োযে চৰা এই মাটি,
এয়ে মোৰ ওপজা ঠাই

অতীতত তোৰ কি ধন আছিলে
কেলেই লাগিছে মোক?
এতিয়াযে তই নিচেই নিচলা
দুবেলা নুগুছে ভোক।

দুখীয়া হ'লেও নিচলা হ'লেও
আই মোৰ মৰমৰ।
আইতকৈনো বাৰু আছেনে আপোন,
আছেনে কোনোবা বৰ।।

## বিহুৱান

**থানেশ্বৰ হাজৰিকা**

মৰমৰ দীঘ দি চেনেহৰ বাণি লই
হেঁপাহৰ আঁচুৰে বোৱা
সপোনৰ ফুলৰে ফুলাম মোৰ বিহুৱান
মনেদি এবেলি লোঁৱা।
ধনীৰে বিহুৱান পাট মেজাঙ্কৰী;
দিয়ে কি নিদিয়ে যাচি!
মোৰে এই বিহুৱান চেনেহৰে বোৱা
সপোনৰ কাঠীৰে বাছি।
কেতেকীৰে তিল, নাহৰৰে ঘিলা
সাজিছোঁ বিহুৰে পিঠা;
তগৰৰে চিৰা, চেনেহৰে দই
কু-উ-কু মাতেৰে মিঠা,
মনে-পাজি-কটা চেলেং ছকাঠী
বুকুতে পাতিছো কাঁহী,
বিহুৰে বিহুৱান এয়ে তোমালই
যায় বতাহতে ভাহি।

## সুন্দৰৰ পাতনি

**বীৰেশ্বৰ বৰুৱা**

আমাৰ জীৱন ঘেৰি বনজুই জ্বলে
নতুন দিনৰ দীপ্তি বুলি ভুল হয় যদি,
হক ভুল। ক্ষতি নাই। আমাৰ দেহৰ ছাঁয়ে
ঢাকি যাব পৃথিৱীৰ এই অসুন্দৰতা।

মৃত্যুনীল আকাশত আমাৰ ডেউকা ভাগেঃ
জীৱনৰ ফুজিয়ামা সজাগ নহয়;
স্মৃতিৰ তাপত দহে মানৱতা আৰু প্ৰশান্তিৰ
কেঁচা এৰা সূতা। পৰুৱাৰ জেউতিত বুকু ডাঠি খোজ দিলে
পথে পথে উল্কা পৰে। ধুমুনিয়াহত
জহে আশাৰ মুকুল। আমি নিৰুপায়।

লুইতৰ দুই তীৰে কথা পাতে। মৰানদী
বাচি উঠে। বান আহে। গাঁও ভাহে।
পাৰৰ শ্মশান টৌৱাই নিয়ে। লোপ পায় হাবিয়াহ।

আমিও আঁতৰি যাম। মচা যাব
ইতিহাস দীনতাৰ হীনতাৰ।
আমাৰ নাথাকে যদি বীৰু খোজ উত্তৰ-কালত,
নাথাকক। ক্ষতি নাই। অসুন্দৰৰ পৃথিৱীত
আমাৰ অক্ষয় হাড়ে সুন্দৰৰ ৰচিব পাতনি।

# জাগৰণ সভা আৰু কেন্দ্ৰীয় গুৰুজয়ন্তীৰ আদৰণী সমিতি গঠন

**বাক্সা ঃ** ৯জুলাই, ২০১৪ তাৰিখে বাক্সা জিলাৰ আনন্দপুৰস্থিত খোলামঞ্চ সভাগৃহত ৫৬৬ সংখ্যক কেন্দ্ৰীয় গুৰুজয়ন্তী মহোৎসৱৰ আদৰণী সমিতি গঠন আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ জাগৰণ সভা অনুষ্ঠিত হয়। সঙ্ঘৰ উপ-পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাবাপৰ সভাপতিত্বত অনুষ্ঠিত ৫৬৬ সংখ্যক গুৰু আৱিৰ্ভাৱ মহোৎসৱৰ আদৰণী সমিতি গঠনৰ সভাখনি আনুষ্ঠানিক উদ্বোধন কৰি সঙ্ঘৰ যুটীয়া সম্পাদক কুশল ঠাকুৰীয়াবাপে কয় যে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ প্ৰতি বছৰে অতি উলহ-মালহ আৰু ধুমধামেৰে অনুষ্ঠিত কৰিব লাগে। মহোৎসৱসমূহৰ জৰিয়তে গুৰুজনাৰ যশ-কীৰ্তিসমূহ বিস্তাৰিতভাৱে প্ৰকাশ-প্ৰচাৰ হ'ব লাগে আৰু সেই বৃহৎ অঞ্চলত গুৰুজনাৰ প্ৰভাৱ পৰিব লাগে। গুৰুজনাৰ আদৰ্শ-দৰ্শন-ধৰ্ম-সাহিত্য-সংস্কৃতিয়েহে অসমীয়া জাতিক জীয়াই ৰাখিব। পৰিকল্পনা আৰু যোগাযোগৰ সম্পাদক মুনীনন্দ্ৰ কুমাৰ দাসবাপৰ লগতে বাক্সা জিলাৰ কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তব্য প্ৰদান কৰি কয় যে কেন্দ্ৰীয় গুৰুজয়ন্তী মহোৎসৱ উদ্‌যাপন কৰিবলৈ পাই বাক্সা জিলাবাসী অতি আনন্দিত আৰু গৌৰৱান্বিত হৈছে। গুৰু জয়ন্তী উৎসৱ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে মূল সমিতিকে ধৰি প্ৰায় ২০খন উপ-সমিতিৰে এখন শক্তিশালী আদৰণী সমিতি গঠন কৰে। উল্লেখ্য যে গুৰু জয়ন্তী উপলক্ষে এখনি স্মৃতিগ্ৰন্থও প্ৰকাশ কৰিব। ইয়াৰ পিছতে অনুষ্ঠিত বিশ্ববিদ্যালয়ৰ জাগৰণ সভাখনিৰ জিলা সম্পাদক পৱিত্ৰ পাঠকবাপে আঁতধৰে আৰু সভাপতিত্ব কৰে জিলা সভাপতি মহেন্দ্ৰ দাসবাপে। গুৰুত্বপূৰ্ণ জাগৰণ সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সঙ্ঘৰ যুটীয়া সম্পাদক কুশল ঠাকুৰীয়াবাপে। উদ্বোধনী ভাষণত ঠাকুৰীয়াবাপে সঙ্ঘই গুৰুজনাৰ নামত প্ৰতিষ্ঠা কৰিবলৈ লোৱা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ আদিৰে পৰা বৰ্তমানলৈকে তথ্যসহকাৰে এক বিস্তৃত বিৱৰণ দাঙি ধৰে। ২০১৪ চনৰ আগষ্ট মাহৰ পৰা পাঠদান আৰম্ভ হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ আচাৰ্য হিচাপে সন্মানীয় পদাধিকাৰ ৰজনীকান্ত দত্ত, উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা আৰু পঞ্জীয়ক হিচাপে ড° ৰাতুল চন্দ্ৰ বৰাদেৱে ইতিমধ্যে যোগদান কৰি বিশ্ববিদ্যালয় কাম ক্ষীপ্ৰগতিত আগবঢ়াই নিয়াৰ কথা ব্যক্ত কৰে। ভাষণ প্ৰসঙ্গত ঠাকুৰীয়াবাপে মূল কাৰ্যনিৰ্বাহকে ধাৰ্য কৰি দিয়া ধৰণে সঙ্ঘৰ সঙ্গীসকলৰ এমাহৰ আয় সোনকালে আদায় দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায় আৰু আজিৰ সভাত গঠন কৰিবলগীয়া পূঁজি সংগ্ৰহ সমিতিৰ জৰিয়তে বাক্সা অঞ্চলৰ সকলো শ্ৰেণীৰ লোককে জড়িত কৰি বৰঙণি সংগ্ৰহ কৰিবলৈ অনুৰোধ জনায়। উপ-পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাবাপে মুখ্য অতিথিৰ ভাষণ ৰাখি কয় যে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বহুত চিন্তা-চৰ্চা কৰি গুৰুজনাৰ নামত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ সিদ্ধান্ত লৈছে। ইয়াত অসমৰ সকলো শ্ৰেণীৰ মানুহক জড়িত কৰিব লাগিব আৰু এখন জাতীয় বিশ্ববিদ্যালয় হিচাপে গঢ়ি তুলিব লাগিব। আমাৰ সকলোৰে দায়িত্ব কৰ্তব্য আছে, আমি সাধ্যানুযায়ী বৰঙণি আগবঢ়াব লাগিব। এইক্ষেত্ৰত বিভিন্ন জিলাত ব্যক্তিসকলে আন্তৰিকতাৰে দান-বৰঙণি আগবঢ়োৱাৰ উদাহৰণ দাঙি ধৰাৰ লগতে কয় যে আয়কৰ দিয়া চাকৰিয়াল বা ব্যৱসায়ীসকলে বিশ্ববিদ্যালয়ৰ নামত বৰঙণি আগবঢ়ালে ৮০জিৰ আয়কৰ নিয়মৰ অধীনত ৫০% ধন ৰেহাই পাব। মুনীন্দ্ৰ কুমাৰ দাসবাপেও সকলো শ্ৰেণীৰ লোককে দান-বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনায়। শতাধিক লোক উপস্থিত থকা সভাখনিত কেইবাগৰাকীও ব্যক্তিয়ে নিজৰ নিজৰ মত দাঙি ধৰে আৰু সকলোৱে বিশ্ববিদ্যালয়ৰ কাম কৰিব বুলি দায়বদ্ধতা প্ৰকাশ কৰে। সভাপতি মহেন্দ্ৰ দাসবাপে ২০০০/- টকা আদায় দিয়াৰ লগতে সকলোকে দান-বৰঙণি আগবঢ়াবলৈ বিশেষভাৱে অনুৰোধ জনায়। সেই সভাতেই বিশ্ববিদ্যালয়ৰ পূজি সংগ্ৰহৰ বাবে এখন ২১ জনীয়া সমিতি গঠন কৰা হয়।❐

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ৮৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ স্মৃতিগ্ৰন্থলৈ লেখা আহ্বান

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 84 সংখ্যক বাৰ্ষিক অধিৱেশনখনি ঢকুৱাখনা জিলা শাখাৰ আতিথ্যত অহা 566 শঙ্কৰাব্দৰ 21, 22, 23 আৰু 24 মাঘ (ইং 5, 6, 7 আৰু 8 ফেব্ৰুৱাৰী, 2015 খ্ৰীষ্টাব্দ)ত মহাপুৰুষজনাৰ প্ৰপন্ন শিষ্য নৰহৰি আতা ক্ষেত্ৰত চাৰিদিনীয়া বাৰেৰহণীয়া কাৰ্যসূচীৰে মহাকৰ্মভাগি অনুষ্ঠিত কৰিবলৈ আঁচনি গ্ৰহণ কৰা হৈছে। উক্ত অধিৱেশনভাগিৰ উপলক্ষে আদৰণী সমিতিয়ে প্ৰকাশ কৰিবলৈ দিহা কৰা স্মৃতিগ্ৰন্থখনিত প্ৰকাশৰ বাবে ভক্তিপ্ৰাণ তথা শুভাকাংক্ষী লেখক-লেখিকাৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ঘোষিত মাৰ্গীয় দৰ্শনৰ আৰ্হি আদৰ্শৰ আধাৰত প্ৰবন্ধ-পাতি বিচাৰি ইয়াৰ দ্বাৰাই বিনম্ৰ অনুৰোধ জনোৱা হয়। ছপাশাল আদিৰ অনাহুত আলৈ আহুকালৰ পৰা হাত সাৰিবলৈ লেখাসমূহ চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহৰ 8û9û2014 তাৰিখৰ ভিতৰত পোৱাকৈ পঠাবলৈ অনুৰোধ কৰি সেৱা ধৰা হ'ল।

**ঠিকনা ঃ**

ডাক ঃ বালিগাঁও, ৱাৰ্ড নং-3, ঢকুৱাখনা
পিন ঃ 787055
জিলা ঃ লখিমপুৰ (অসম)।
E-mail : gogoisivaprasad@gmail.com

**শিৱপ্ৰসাদ গগৈ**
সম্পাদক
স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

# শঙ্কৰী সঙ্গীতৰ কেন্দ্ৰীয় প্ৰশিক্ষণৰ সফল সমাপ্তি

**তেজপুৰ ঃ** শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সংস্কৃতি শাখা, শঙ্কৰী সঙ্গীত পৰীক্ষা পৰিষদৰ উদ্যোগত তেজপুৰ জিলা শাখাৰ ব্যৱস্থাপনাত জামুগুৰি আঞ্চলিক শাখাৰ আতিথ্যত জামুগুৰি আঞ্চলিক শাখাৰ কীৰ্ত্তন গৃহত যোৱা 2জুলাইৰ পৰা 9জুলাই তাৰিখলৈকে শঙ্কৰী সঙ্গীত কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰভাগি অনুষ্ঠিত হৈ যায়। 2জুলাই তাৰিখৰ কাৰ্যসূচী— পুৱা নাম-প্ৰসঙ্গ, 2 বজাত ধৰ্মধ্বজা উত্তোলন কৰে তেজপুৰ জিলা শাখাৰ সভাপতি প্ৰভাত বৰাবাপে। 12.30বজাত অনুষ্ঠিত প্ৰশিক্ষণ সত্ৰৰ শুভাৰম্ভণী সভাত সভাপতিৰ আসন অলংকৃত কৰে মূল সংস্কৃতি শাখাৰ সভাপতি বসুন্ধৰ ডেকাবাপে। প্ৰাঞ্চু বাৰ্দ্ধৰতিয়ে পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভণী কৰা সভাখনিত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে তেজপুৰ জিলা শাখাৰ উপদেষ্টা ভূৱন বৰাবাপে আৰু আমন্ত্ৰিত অতিথিৰ আসনৰ পৰা শঙ্কৰী সঙ্গীতৰ বৰ্তমান সময়ত বহুল প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গ্ৰহণ কৰা পদক্ষেপক শলাগ লৈ বক্তব্য প্ৰদান কৰে। সন্ধ্যা 7 বজাৰ পৰা অনুষ্ঠিত শঙ্কৰী সংগীতৰ উত্তৰণ সম্পৰ্কে হোৱা আলোচনা সভাত প্ৰথমে আলোচনা আগবঢ়ায় প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰা ক্ৰমে ৰবীন্দ্ৰ ৰাভা, ৰঞ্জিত বৰা, ভৰেন বৰা, বালিৰাম নাথ, প্ৰশান্ত ৰাজখোৱা আৰু বিশেষভাৱে অঙ্কীয়া নাট সম্পৰ্কে পৱিত্ৰপ্ৰাণ বৰাবাপে। ইয়াৰ উপৰি প্ৰশিক্ষণ সত্ৰত অংশগ্ৰহণ কৰা তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, গোলাঘাট, ধনশিৰি, নগাঁও, মৰিগাঁও, তেজপুৰ, কামপুৰ, হামৰেণ, বঙাইগাঁও, বৰপেটা, বজালী, ৰঙিয়া,



দৰং, ওদালগুৰি, বিশ্বনাথ, গহপুৰ, লখিমপুৰ, ধেমাজি, ঢকুৱাখনা, দক্ষিণ-পশ্চিম কামৰূপ জিলা শাখাৰ পৰা অংশগ্ৰহণ কৰা 160গৰাকী প্ৰশিক্ষাৰ্থী শিল্পীৰ মাজৰ পৰা কেইবাগৰাকী শিল্পীয়ে আলোচনাত বক্তব্য আগবঢ়ায়। 3জুলাইৰ পৰা কেন্দ্ৰীয় প্ৰশিক্ষণ সত্ৰত ওপৰত উল্লিখিত প্ৰশিক্ষকসকলে সোণাৰাম চুতীয়া, গজেন বৰুৱা, বিষ্ণু ৰাভা, শঙ্কৰদেৱ আৰু মাধৱদেৱ শ্ৰেণীকক্ষত ক্ৰমে নৰ্তন, বাদ্য, গীত, নাটৰ বিষয়ত পৃথকে পৃথকে পাঠদান অব্যাহত ৰাখে 8জুলাই পৰ্যন্ত। 9 জুলাই তাৰিখে পুৱা নাম-প্ৰসঙ্গ, 9 বজাৰ পৰা 52নং ৰাষ্ট্ৰীয় ঘাইপথেদি এক বৃহৎ সাংস্কৃতিক শোভাযাত্ৰা শতাধিক ভক্তৰ সমাৱেশেৰে হৰিনামৰ ৰসেৰে জামুগুৰিহাটৰ আকাশ-বতাহ মুখৰিত হয়। 12বজাৰ পৰা অনুষ্ঠিত সামৰণি অনুষ্ঠানৰ সামৰণি মুকলি সভাখনি পুৰণা শিল্পীসকলে পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভ কৰে। মূল সংস্কৃতি শাখাৰ সভাপতি বসুন্ধৰ ডেকাবাপে সভাপতিত্ব কৰা সভাখনি উদ্বোধন কৰে জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বসন্ত বৰুৱাদেৱে। বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাদেৱে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শৰে যুৱ সমাজক আগবাঢ়ি যোৱাৰ আহ্বান আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই গ্ৰহণ কৰা কাৰ্যসূচীৰ শলাগ লৈ ভাষণ প্ৰদান কৰে। সভাত



উপস্থিত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় জ্যেষ্ঠা প্ৰবক্তা অজন্তা বৰুৱা নাথ, জিলা শাখাৰ সম্পাদক প্ৰেমা বৰা আৰু ভূবন বৰাবাপেও বক্তব্য আগবঢ়ায়। তাত্ত্বিক বিষয়ৰ আলোচনাৰ মাজতে পুনাৰাম গোহাঁইবাপৰ হাস্যমধুৰ কৌতুকৰে উপস্থিত সকলোকে আপ্লুত কৰে। সন্ধ্যা ৭ বজাত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা বিৰচিত পাৰিজাত হৰণ নাটখনি মঞ্চায়ন কৰা হয়। শঙ্কৰী সংস্কৃতিৰ সাধক চন্দ্ৰ দাসবাপে উদ্বোধন কৰা পাৰিজাত হৰণ নাটখনিয়ে দৰ্শকক আনন্দ প্ৰদান কৰে। প্ৰশিক্ষণ সত্ৰভাগি পৰিচালনা কৰে মূলসঙ্ঘৰ সংস্কৃতি শাখাৰ সম্পাদক পৱিত্ৰপ্ৰাণ বৰাবাপে। তেজপুৰ জিলা, জামুগুৰি আঞ্চলিক শাখাৰ কাৰ্যনিৰ্বাহক সভাৰ বিষয়ববীয়া, আদৰণী সমিতিৰ কৰ্মকতা, জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় অধ্যক্ষ প্ৰমুখ্যে ছাত্ৰ-ছাত্ৰীসকল, বাৰেৰহণীয়া সাংস্কৃতি মঞ্চক সভাপতি-সম্পাদক তথা সদস্য-সদস্যাসকল, মহান দাতাসকল, প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থীসকল আৰু তেজপুৰবাসীলৈ মূলসঙ্ঘৰ সংস্কৃতি শাখাৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।❐

বাৰ্তালোচনী প্ৰকাশন শাখা সমিতি ঃ উপদেষ্টা— ভবেন্দ্ৰনাথ ডেকা, হৰিপ্ৰসাদ হাজৰিকা, কেশৱমোহন কলিতা ঃ সভাপতি— গোলাপ বৰুৱা ঃ পৰিচালন সম্পাদক— খগেন্দ্ৰ মহেলা (ফোন নং- ৯৪৩৫০৬৩২৫০) ঃ প্ৰকাশক— বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ঃ সদস্যসকল— শোধন গগৈ, বাবুল বৰা, জ্যোতিপ্ৰসাদ চুতীয়া, ড° যতীন চুতীয়া, প্ৰ াদ শইকীয়া, প্ৰদীপ কুমাৰ বৰা, নিপণ বৈশ্য ঃ ব্যৱস্থাপক— ডাঃ জ্যোতিপ্ৰসাদ বৰা ঃ ৰূপসজ্জা-অক্ষৰ বিন্যাস— ৰমেন মেধি

সম্পাদক —খগেন্দ্ৰনাথ তালুকদাৰ (ফোন নং— ৯৪০১৬-৫৯৫০৯) সহযোগী সম্পাদক— দীপজ্যোতি চহৰীয়া (ফোন নং- ৯৮৬৪০-৭০৩৭৯)

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ হৈ প্ৰধান সম্পাদক বাবুল বৰাৰ দ্বাৰা প্ৰকাশিত। গুৱাহাটীৰ ফণ্ট্ৰিয়াৰ পাব্লিকেছন্স প্ৰাঃ লিঃ, গুৱাহাটী ৭৮১০১৬ত মুদ্ৰিত। সম্পাদক ঃ খগেন্দ্ৰনাথ তালুকদাৰ, শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী ৭৮১০৩২